www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তোমাৰ অনুমতি অবিহনে কোনেও তোমাক নীচ সজাব নোৱাৰে। — ইলিনৰ ৰুজেভেল্ট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২১০ ❐ দেওবাৰ ❐ ৭ জুন, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 210 ❐ Sunday ❐ 7th June, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

### আয়বহিৰ্ভূত সম্পত্তিৰ অভিযোগ; দুবছৰ পূৰ্বেই নিলম্বিত হৈছিল সোমেশ্বৰ ব্ৰহ্ম

## পৰিবহণ বিভাগৰ পৰিদৰ্শকৰ বাসগৃহত দুৰ্নীতি নিবাৰকৰ অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ জুন ঃ** চিৰাং জিলাত শনিবাৰে মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে এক গুৰুত্বপূৰ্ণ অভিযান সম্পন্ন কৰে। প্ৰাপ্ত তথ্য অনুসৰি, পৰিবহণ বিভাগৰ এনফৰ্চমেণ্ট ইন্সপেক্টৰ সোমেশ্বৰ ব্ৰহ্মৰ বাসগৃহত এই অভিযান চলোৱা হয়। সূত্ৰৰ মতে, তদাৰকী কোষত ৰুজু হোৱা আয়বহিৰ্ভূত সম্পত্তিৰ গোচৰৰ ভিত্তিত ❐ ৬ পৃষ্ঠাত



■ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক ৫ দিনৰ ভিতৰত পদত্যাগৰ সময়সীমা ■

# পঁইতাচৰাই কঁপালে যন্তৰ-মন্তৰ

### ❐ হাতত গোলাপ ফুল লৈ প্ৰতিবাদস্থলীত বিশিষ্ট পৰিৱেশকৰ্মী সোণম ৱাংচুক ❐

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ জুন ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত ককৰোচ জনতা পাৰ্টীয়ে দিল্লীৰ যন্তৰ-মন্তৰত এক বিশাল প্ৰতিবাদ সভা পাতে। জেনেৰেচন জেডৰ নেতৃত্বত অনুষ্ঠিত এই প্ৰতিবাদত পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিত দিপকেই মুখ্য ভূমিকা লয়। প্ৰতিবাদ সভাতে অভিজিত দিপকেই মোডী চৰকাৰক এক স্পষ্ট সময়সীমা বান্ধি দিয়ে। তেওঁ ঘোষণা কৰে যে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সন্ধিয়া ৫ বজাৰ ভিতৰত নিজৰ পদত্যাগ পত্ৰ দাখিল কৰিব লাগিব। যদি তেওঁ সেইসময়ৰ ভিতৰত পদত্যাগ নকৰে, তেন্তে প্ৰতিবাদকাৰীসকল পিছুৱাই নাহে। তেওঁলোকে অহা শনিবাৰে পুনৰ একত্ৰিত হৈ নিজ নিজ চহৰত এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিব। ইফালে, দিল্লী বিমানবন্দৰক লৈ উঠা বিতৰ্কৰ প্ৰসংগত ককৰোচ জনতা পাৰ্টীয়ে নিজৰ স্থিতি স্পষ্ট কৰে। তেওঁলোকে ভিআইপি ব্যৱস্থা লোৱাৰ দাবীক সম্পূৰ্ণৰূপে ভুৱা বুলি খাৰিজ কৰে। প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ হোৱাৰ পিছত সমাজকৰ্মী সোণম ৱাংচুকেও অংশগ্ৰহণ কৰে। তেওঁ কয় যে কেৱল ❐ ৬ পৃষ্ঠাত

কণ্ঠৰ স্থিৰতা, আবেগিক প্ৰভাৱৰ বৈজ্ঞানিক ব্যাখ্যা

## আন্তঃৰাষ্ট্ৰীয় গৱেষণাত জুবিন গাৰ্গৰ 'হামিং'ৰ ৰহস্য উন্মোচন

আমেৰিকাৰ 'জাৰ্নেল অৱ ভইচ'ত প্ৰকাশিত অসমৰ সন্দিকৈ মহাবিদ্যালয়ৰ অধ্যয়ন



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ জুন ঃ** হাৰ্টথ্ৰব জুবিন গাৰ্গৰ কণ্ঠৰ যাদুৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। তেওঁৰ গীতৰ দৰেই অনুৰাগীৰ মাজত অত্যন্ত জনপ্ৰিয় তেওঁৰ স্বকীয় 'হামিং' (Humming) বা গুণগুণনি কণ্ঠশৈলী। কিন্তু এই 'হামিঙ'ৰ আঁৰৰ আচল ৰহস্য কি? ই কিয় ইমান মৰ্মস্পৰ্শী আৰু ❐ ৬ পৃষ্ঠাত

■ 'মুখ্যমন্ত্ৰীয়ে নিজে দিয়া প্ৰতিশ্ৰুতি নিজেই পূৰণ নকৰিলে' ■

## মৰাণ-মটকৰ বন্ধত দ্বিতীয় দিনাও স্তব্ধ তিনিচুকীয়া-ডিব্ৰুগড়

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ৬ জুন ঃ** অসম কেবিনেটত মন্ত্ৰিত্বৰ পৰা বঞ্চিত হোৱাৰ প্ৰতিবাদত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ আহ্বানত আৰম্ভ হোৱা ৪৮ ঘণ্টীয়া তিনিচুকীয়া-ডিব্ৰুগড় জিলা বন্ধৰ দ্বিতীয় দিনাও আজি সৰ্বাত্মকভাৱে ❐ ৬ পৃষ্ঠাত



❐ ১ আগষ্টৰ পৰা পুনৰ আৰম্ভ হ'ব বন্ধ হৈ থকা আঁচনি ❐

## ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে দুই শতাংশ অতিৰিক্ত মৰগীয়া বানচ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ জুন ঃ** মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পিছতে শুকুৰবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত হয় অসম চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠক। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ১৬ গৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। বৈঠক সমাপ্ত হোৱাৰ পাছত মুখ্যমন্ত্ৰীয়ে সংবাদমেলযোগে গ্ৰহণ কৰা সিদ্ধান্তসমূহ ❐ ৬ পৃষ্ঠাত

### ডিব্ৰুগড়ক ৰাজ্যৰ ২য়খন ৰাজধানী উন্নয়ন প্ৰাধিকৰণ হিচাপে গঠন কৰাৰ সিদ্ধান্ত



### নিউ জলপাই-গুৰিত ৱজপাতত প্ৰাণ হেৰুৱালে তিনিচুকীয়াৰ বিএছএফ জোৱানে

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ৬ জুন ঃ** পশ্চিমবংগৰ নিউ জলপাইগুৰিত কৰ্তব্যৰত অৱস্থাত ৱজপাতৰ কবলত ❐ ৬ পৃষ্ঠাত

### ডিমৰীয়াত প্ৰেমিকাক চোকা অস্ত্ৰৰে হানি-খুঁচি নৃশংস হত্যা প্ৰেমিকৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ জুন ঃ** ডিমৰীয়া অঞ্চলত এগৰাকী যুৱতীক নিৰ্মমভাৱে হত্যা কৰা প্ৰেমিকজনক আত্মগোপন কৰি থকা অৱস্থাত শনিবাৰে ❐ ৬ পৃষ্ঠাত

সংকটজনক অৱস্থাত ভুক্ত-ভোগীক চিকিৎসালয়ত ভৰ্তি

### লাহৰীঘাটত কলেজীয়া ছাত্ৰীক ধৰ্ষণৰ অপচেষ্টা! বিফল হৈ চুৰিকাঘাত

**অসম বাৰ্তা, লাহৰীঘাট, ৬ জুন ঃ** লাহৰীঘাটত মানৰ সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হয়। এগৰাকী কলেজীয়া ছাত্ৰীক লম্পট যুৱকে এজনে প্ৰথমে ধৰ্ষণৰ অপচেষ্টা চলাই ❐ ৬ পৃষ্ঠাত

ভাৰতৰ অৰ্থনীতি ৭.৭ শতাংশ হাৰত বিকশিত ঃ ৰাজনাথ সিং

## চতুৰ্থ ত্ৰৈমাসিকত বিকাশৰ হাৰ ৭.৮ শতাংশলৈ উন্নীত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ জুন ঃ** প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শনিবাৰে ঘোষণা কৰে যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থনীতিৰ বিকাশৰ হাৰ ৭.৭ শতাংশ। লগতে চতুৰ্থ ত্ৰৈমাসিকত এই হাৰ ৭.৮ শতাংশলৈ ❐ ৬ পৃষ্ঠাত



ভাৰতীয় দলত বৈভৱ সূৰ্যবংশীও অন্তৰ্ভুক্ত

## এছিয়ান গেমছৰ বাবে ভাৰতীয় পুৰুষ টি-২০ দল ঘোষণা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ জুন ঃ** অহা ছেপ্টেম্বৰ-অক্টোবৰ মাহত জাপানত অনুষ্ঠিত হ'বলগীয়া ২০২৬ চনৰ এছিয়ান গেমছৰ পুৰুষৰ টি-২০ প্ৰতিযোগিতাৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ড (BCCI)য়ে ১৫ জনীয়া ❐ ৬ পৃষ্ঠাত

❐ টোলগেটৰ কৰ্মচাৰী-নৈশ বাছৰ চালকৰ মাৰপিট ❐

## দেৰগাঁৱৰ ৰঙামাটি টোলগেটত উত্তপ্ত পৰিস্থিতি

টোলগেটৰ কৰ্মচাৰীক মহটিয়াই নিয়াৰ চেষ্টাৰ অভিযোগ

**অসম বাৰ্তা, দেৰগাঁও, ৬ জুন ঃ** দেৰগাঁৱৰ ৰঙামাটি টোলগেটত শনিবাৰে পুৱতি নিশা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নৈশ বাছৰ কৰ্মচাৰী আৰু টোলগেটৰ কৰ্মচাৰীৰ মাজত সংঘটিত হয় মাৰপিটৰ ❐ ৬ পৃষ্ঠাত



### তেজপুৰত আৰম্ভ হ'ল 'লিচু উৎসৱ-২০২৬', ডুবাই-ছিংগাপুৰলৈ ৰপ্তানি হ'ব জিআই টেগপ্ৰাপ্ত লিচু

**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ৬ জুন ঃ** উষানগৰী তেজপুৰত শনিবাৰে উৎসৱমুখৰ পৰিৱেশৰ মাজতে আৰম্ভ হৈছে দুদিনীয়া 'তেজপুৰ লিচু উৎসৱ-২০২৬'। বিশ্বজুৰি খ্যাতি অৰ্জন কৰা তেজপুৰৰ লিচুৰ অধিক বিস্তাৰ, ❐ ৬ পৃষ্ঠাত



আৱদ্ধ পানীয়ে বিপদত পেলাইছে মাজুলীৰ কৃষকক

## অস্তিত্বৰ সংকটত মাজুলীৰ প্ৰাচীন বিল আৰু জলাশয়সমূহ

**অসম বাৰ্তা, মাজুলী, ৬ জুন ঃ** ক্ৰমান্বয়ে পৃথিৱীৰ চৰিত্ৰ সলনি হৈছে, সলনি হৈ আহিছে প্ৰকৃতিৰ কাৰ্যকালাপো। সঘন জলবায়ু পৰিৱৰ্তনৰ বাবে বৰষুণৰ পৰিমাণ ❐ ৬ পৃষ্ঠাত



পাৱাৰ টিলাৰে ধানখেতিৰ পথাৰৰ মাটি চহাই আৰম্ভ কৰিলে খেতিৰ প্ৰস্তুতি

# গোলাঘাটৰ জন্মস্থান বৰাহী গাঁৱত কৃষি কৰ্মত ব্যস্ত মন্ত্ৰী অতুল বৰা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৫ জুন ঃ** এতিয়া জেঠ মাহ। ৰাজ্যৰ চৌদিশে কৃষকসকলে কঠীয়া সিঁচাৰ পিছতেই ধানখেতিৰ মাটিকেইডৰা চহাই খেতিৰ উপযোগী কৰি তোলাত ব্যস্ত হৈ পৰিছে। এই ক্ষেত্ৰত পিছ পৰি থকা নাই গাঁৱতেই জন্ম গ্ৰহণ কৰি বোকা পানীৰ শৈশৱ পাৰ কৰা কৃষকৰ সন্তান অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাও। খেতিৰ শিপা বিচাৰি আজি কৰ্ম ব্যস্ততাৰ মাজতো অলপ সময় উলিয়াই প্ৰতি বছৰৰ দৰে এইবাৰো জন্মগাঁও গোলাঘাটৰ বৰাহী গাঁৱৰ ধানখেতিৰ পথাৰৰ মাটি চহোৱাত নামি পৰিল। আজি পুৱাৰ ভাগতেই পাৱাৰ টিলাৰে মাটি চহাই খেতিৰ আৰম্ভ কৰে মন্ত্ৰী বৰাই। মন্ত্ৰী বৰাই জানিবলৈ দিয়ে যে প্ৰতি বছৰে খেতিৰ অলপ সময় উলিয়াই কৃষি কৰ্মত নিয়োজিত হৈ পৰো। যিহেতু আমি কৃষকৰ সন্তান। কৃষিৰ সৈতে আমাৰ আজন্ম সম্পৰ্ক। ককাদেউতাৰ লগতে আমাৰ পিতৃ ও কৃষিৰ সৈতে জড়িত আছিল। ধানখেতিৰ সময়ত আমাক পথাৰে হাতবাউলি মাতে। মন্ত্ৰী বৰাই কয় মাটি চহোৱা কামত নিয়োজিত হোৱাটো আমাৰ বাবে কেৱল এক কৃষিকাৰ্য নহয়; ই আমাৰ শিপা, আমাৰ গাঁও আৰু অসমৰ মেৰুদণ্ডস্বৰূপ পৰিশ্ৰমী কৃষক সমাজৰ সৈতে এক আৱেগিক সম্পৰ্ক। কৃষি আমাৰ ৰাজ্যৰ সংস্কৃতি, অৰ্থনীতি আৰু পৰিচয়ৰ সৈতে গভীৰভাৱে জড়িত। উল্লেখ্য যে আজি পথাৰত হাল বোৱাৰ লগতে মন্ত্ৰী বৰাই নিজা পুখুৰীত জাল মাৰি মাছ ধৰাৰ আনন্দও উপভোগ কৰে। মন্ত্ৰী অতুল বৰাই কৃষিক কেৱল এটা পৰম্পৰা হিচাপে নহয়, উদ্ভাৱন আৰু বহনক্ষম জীৱিকাৰ এক সম্ভাৱনাময় ক্ষেত্ৰ হিচাপেও আঁকোৱালি ল'বলৈ যুৱপ্ৰজন্মক আন্তৰিকতাৰে আহ্বান জনায়। চৰকাৰৰ বিভিন্ন কৃষক-কেন্দ্ৰিক আঁচনি আৰু নীতিৰ সহায়ত আজি কৃষিক্ষেত্ৰত বিকাশ আৰু সমৃদ্ধিৰ সম্ভাৱনা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কৃষকৰ সবলীকৰণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ ভেটি অধিক সুদৃঢ় কৰি এখন অধিক শক্তিশালী, আত্মনিৰ্ভৰশীল আৰু সমৃদ্ধ অসম গঢ়ি তোলাৰ বাবে কাম কৰি যোৱাৰ পণ লওঁ লোৱাৰ আহ্বান জনায়।

# ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত সাংস্কৃতিক মহাসভাৰ দুলীয়াজানত আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড, ৫ জুন ঃ** সাংস্কৃতিক মহাসভা, অসমে বিগত ১৬টা বছৰে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সেই মৰ্মে যোৱা ৩ জুনত ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ এক নং জাগুন পথাৰ নামঘৰ প্ৰাঙ্গনত ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি প্ৰমোদ দত্তৰ সভাপতিত্বত অনুষ্ঠিত এক ৰাজহুৱা সভাত দুলীয়াজান আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাত সাংস্কৃতিক মহাসভা অসমৰ সন্মানীয় সদস্য তথা প্ৰাক্তন জিলা সভাপতি ভূপেন শইকীয়া, কেন্দ্ৰীয় কাৰ্য্যকৰী সভাপতি বিনোদ কুমাৰ বড়া, জিলা উপ-সভাপতি ঘনকান্ত ভূএগ, জিলা কৰ্ণধাৰ সমিতিৰ আহ্বায়ক ৰুদ্ৰ গগৈ, ৰাজগড় আঞ্চলিক সমিতিৰ সভাপতি মদন নেওগ আদিৰ লগতে দুলীয়াজানৰ স্ব-পৰিচয়ৰে সৰ্বজন বিদিত বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত দুলীয়াজান আঞ্চলিক সমিতি নামেৰে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়। সমিতিত মৃণালী ভুএগ বৰদলৈক সভাপতি, মুনীন দোলাকাষৰীয়া আৰু প্ৰদীপ কুমাৰ গগৈক উপ সভাপতি, জীৱকান্ত গগৈক সাধাৰণ সম্পাদক, দিপালী তামোলী, জুনু দত্তক সহকাৰী সম্পাদক, জুনু দত্ত আৰু সত্যৰঞ্জন চুতীয়াক সাংগঠনিক সম্পাদক, বসন্ত কুমাৰ শইকীয়াক কোষাধ্যক্ষ, মুনু ভূএগক সাংস্কৃতিক সম্পাদক, জুবিলি গগৈক পত্ৰিকা সম্পাদক, উমা চেতীয়াক কাৰ্য্যলয় সম্পাদক, কাৰ্যনিৰ্বাহক সদস্য অৰূপ বৰা, বিমল গন্ধিয়া আৰু উপদেষ্টা ভূপেন শইকীয়া, বিনোদ কুমাৰ বড়া, ৰঞ্জিত মহন, ৰীতা দত্ত, দিলীপ বৰদলৈ, বিবি বড়া, বাবুল শইকীয়া আৰু ৰাতুল সোণোৱালক লৈ শক্তিশালী সমিতিখন গঠন কৰা হয়। বৃহত্তৰ দুলীয়াজান অঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অৰ্দ্ধ শতাধিক লোকৰ উপস্থিতিত আঞ্চলিক সমিতিখন গঠন কৰা হয় বুলি ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক চন্দনজ্যোতি কলিতাই জানিবলৈ দিয়ে।

# গোৱলাবাৰী মিচিং গাঁৱত পথ দুৰ্ঘটনাত দুজন বাইক আৰোহী আহত

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ** মাজুলীৰ গুৱালাবাৰী মিচিং গাঁৱত আজি সংঘটিত এক পথ দুৰ্ঘটনাত দুগৰাকী বাইক আৰোহী আহত হয়। জানিব পৰা মতে, AS-02-X-0478 নম্বৰৰ এখন ৱেগনাৰ বাহন আৰু AS-03-P-8434 নম্বৰৰ এখন মটৰচাইকেলৰ মাজত এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰত্যক্ষদৰ্শীৰ তথ্য অনুসৰি, গুৱালাবাৰী মিচিং গাঁৱত গৈ থকা ৱেগনাৰ বাহনত বিপৰীত দিশৰ পৰা অহা এখন মটৰ চাইকেলে তীব্ৰ বেগেৰে বাহনখনত খুন্দা মাৰে। খুন্দাৰ ফলত মটৰচাইকেলখন বাহনখনৰ ওপৰত উঠি পৰে। দুৰ্ঘটনাত মটৰচাইকেলত থকা দুজন আৰোহী আহত হয়। আনহাতে, ৱেগনাৰ বাহনত থকা এগৰাকী মহিলাও সামান্যভাৱে আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, দুৰ্ঘটনাগ্ৰস্ত মটৰচাইকেলখনৰ আৰোহী দুজনে হেলমেট পৰিধান কৰা নাছিল। আহতসকলক চিকিৎসাৰ বাবে তৎকালে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আহত আটাইকেইজন মাজুলীৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

# মঙলদৈ সমষ্টিৰ বিধায়িকা নীলিমা দেৱীক মন্ত্ৰিত্ব প্ৰদান, উৎফুল্ল দৰংবাসী

**অসম বাৰ্তা, মঙলদৈ, ৫ জুন ঃ** মঙলদৈ সমষ্টিৰ বিধায়ক নীলিমা দেৱীয়ে অসম মন্ত্ৰী সভাত স্থান লাভৰ খবৰে উৎফুল্ল কৰিছে মঙলদৈ সমষ্টিৰ ভোটাৰ তথা বিজেপি কৰ্মীক। নভবাকৈয়ে মন্ত্ৰিত্ব লাভ কৰা বুলি প্ৰকাশ কৰে নীলিমা দেৱীয়ে। দলৰ হকে সুদীৰ্ঘ দিন কাম কৰিছোঁ, দলে মোক সন্মান দিছে, দলে মোক প্ৰাৰ্থীত্ব দিছে, মোক মন্ত্ৰিত্ব দিছে, ভোটাৰ ৰাইজক ধন্যবাদ জনালো, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছোঁ বুলি মন্তব্য কৰে নীলিমা দেৱীয়ে। ইমান দিন মহিলাৰ হকে কাম কৰিছোঁ, মহিলা সম্পৰ্কীয় দপ্তৰ দিলে সুখি হ'ম বুলি মন্তব্য নীলিমা দেৱীৰ। নীলিমা দেৱীয়ে কয় যে তেওঁ মন্ত্ৰিত্ব লাভ কৰিব বুলি কাম কৰি থকা নাছিল যি কাম কৰিছিল ৰাইজৰ হকে সুদীৰ্ঘ দিন দলৰ হকে কাম কৰি আহিছিল। তেওঁৰ এই মন্ত্ৰিত্ব লাভৰ বাবে প্ৰথমে সমষ্টিৰ ভোটাৰক ধন্যবাদ জনাই লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক ধন্যবাদ জ্ঞাপন কৰে।

# দুই চোৰাং কাঠ সৰবৰাহকাৰীক জে'ললৈ প্ৰেৰণ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৫ জুন ঃ** লখিমপুৰ জিলাৰ পথালিপাম বনখণ্ডৰ অন্তৰ্গত সোৱণশিৰি নদীৰ পাৰৰ বহু মূল্যবান গছ কাটি দীৰ্ঘদিন ধৰি অবৈধ কাঠ সৰবৰাহ কৰি অহা দুজন চোৰাং কাঠ সৰবৰাহকাৰীক আজি ৪ জুনত পথালিপাম বনখণ্ডৰ বনৰক্ষীয়ে জে'ল হাজোতলৈ প্ৰেৰণ কৰে। চাউলধোৱা আৰক্ষী আৰু পথালিপাম বনখণ্ডৰ বনৰক্ষীৰ যুটীয়া অভিযানত কালি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল দুয়ো চোৰাং ব্যৱসায়িক। জে'ল হাজোতলৈ প্ৰেৰণ কৰা দুই ব্যক্তি চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ থেকেৰাগুৰিৰ প্ৰয়াত গণেশ ভগতৰ পুত্ৰ অনুপম ভগত(৩২) আৰু একে ঠাইৰে প্ৰয়াত টানু নাথৰ পুত্ৰ উমাৰাম নাথ(৩১)। এই দুজনে সোৱণশিৰিৰ পাৰত থকা ৰঙা খয়েৰ, শিমলু গছকে ধৰি অন্যান্য মূল্যবান গছ কাটি অবৈধভাৱে এখন বৃহৎ কাঠৰ বজাৰ গঢ়ি তুলিছিল। উল্লেখযোগ্য যে, পথালিপাম বনখণ্ডৰ বিট অফিচাৰ কুলেশ দাৰে নিষ্ঠাৰে দায়িত্ব পালন কৰি এই চোৰাং বেপাৰীক উৎখাত কৰিবলৈ সক্ষম হৈছে।

# ৰূপহীহাটত ৰে'ল বিভাগৰ উচ্ছেদৰ জাননী; বেদখলকাৰীৰ হাহাকাৰ

**অসম বাৰ্তা, ৰূপহীহাট, ৫ জুন ঃ** ৰূপহীহাটৰ থানা ৰোডত আজি উপস্থিত হয় চাপৰমুখ ৰে'ল বিভাগৰ বিষয়া কৰ্মচাৰী। ৰূপহী থানা ৰোডত ৰে'ল বিভাগৰ কৰ্মচাৰী উপস্থিত হৈ দীৰ্ঘদিন ধৰি ৰে'ল বিভাগৰ মাটি অবৈধ ভাবে বেদখল কৰি ঘৰ-বাৰী আৰু দোকান বনোৱা সকলৰ লগত কথা পাতি দুদিন সময় দিয়ে। দুদিনৰ ভিতৰত ঘৰ-বাৰী আৰু দোকান ভাঙি নিনিলে ৰে'ল বিভাগে চলাব উচ্ছেদ অভিযান। ৰে'ল বিভাগৰ এনে জাননী পোৱাৰ লগে লগে ৰূপহী থানা ৰোডত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। বহুতে নিজে নিজে ঘৰ-বাৰী আৰু দোকান ভাঙি লৈ গৈছে। আৰু একাংশই সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰিছে। সংবাদ মাধ্যমৰ আগত একাংশই কয় যে ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰা তেওঁলোক উক্ত ঠাইত বসবাস কৰি আছে। আৰু যুগ যুগ ধৰি মাটিৰ খাজনা দি আছে। গড়াজানৰ হবিবুৰ ৰহমান ওৰফে হাবু নামৰ লোকজনে ৰে'ল বিভাগৰ মাটিত দোকান আৰু ঘৰ থকা মানুহৰ পৰা ৩ লাখ টকা আগধন আৰু মাহেলি ২০ হেজাৰ টকা বিচাৰিছিল বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে একাংশই। হবিবুৰক টকা নিদিয়াৰ বাবেই আজি চাপৰমুখৰ পৰা ৰে'ল বিভাগৰ বিষয়া কৰ্মচাৰী আনি এনেদৰে উচ্ছেদৰ জাননী দিছে। হবিবুৰেও নিজে ৰে'ল বিভাগৰ মাটি বেদখল কৰি প্ৰকাণ্ড অট্টালিকা বানাইছে তাত কিয় ৰে'ল বিভাগৰ চকু নাই বুলি ক্ষোভ উজাৰিছে।

# মাজুলী জিলা মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আৰু শৈক্ষিক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ** মাজুলী জিলা মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আৰু শৈক্ষিক সভাখনি কমলাবাৰীস্থিত একল অভিযানৰ কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত হয়। বন্তি প্ৰজ্জ্বলনেৰে আৰম্ভ হোৱা আজিৰ সভাখনত সভাপতিত্ব কৰে জিলা সমিতিৰ সভাপতি সপোন দত্তই আৰু সভাখনৰ আঁত ধৰে সম্পাদক মনোজ্যোতি ৰেগনে। আজিৰ সভাত মাজুলী শিক্ষা খণ্ডৰ শিক্ষা বিষয়া নৱৰত্ন কাকতি, জিলা আঁচনি বিষয়া দ্বয় ঋতুৰাজ হাজৰিকা আৰু মৃদুপৱন দত্ত, খণ্ড সমল ব্যক্তি বসন্ত বৰা আৰু খণ্ড পৰ্যায়ৰ তথ্য প্ৰণালী বিভাগৰ সমন্বয়ক কল্পজ্যোতি শইকীয়াৰ উপস্থিতিয়ে সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সাংগঠনিক আৰু শৈক্ষিক দিশৰ উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ সভাত কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ সভাই আগন্তুক বৰ্ষৰ বাবে মণ্ডল সমন্বয়ক মাজুলী জিলা সমিতিৰ সকলো বিষয়-ববীয়াকে একে ৰাখি পুনৰ এটি কাৰ্যকালৰ বাবে একেখন সমিতিকে কাৰ্যনিৰ্বাহ কৰি যোৱাত সৰ্বসন্মত অনুমোদন জনায়। আজিৰ সভাতে সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ মণ্ডল সমণ্বয়ক মুকুল মুদৈকো জিলা সমিতিৰ তৰফৰ পৰা সশ্ৰদ্ধ সম্বৰ্ধনা জনোৱা হয়। সভাৰ শেষত উপস্থিত সকলোৰে প্ৰীতি ভৰা মধ্যাহ্ন ভোজনৰ ব্যৱস্থাৰে আজিৰ সভাৰ কাৰ্যসূচীৰ অন্ত পৰে। আজি এই সভা খনৰ সকলো ব্যৱস্থাপনাৰ দায়িত্ব গ্ৰহণ কৰি সভাখন সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰাৰ বাবে জিলা সমিতিৰ কোষাধ্যক্ষ দিনেশ দাসক সমিতিৰ তৰফৰ পৰা বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

জ্যোতি নেৱাৰক সভানেত্ৰী আৰু আশিষ ছেত্ৰীক সাধাৰণ সম্পাদকৰ দায়িত্ব

# সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ নাগ্ৰীজুলি চিনিয়ৰ চেকেণ্ডাৰী স্কুল গোট পুনৰ্গঠন

**অসম বাৰ্তা, গোৰেশ্বৰ, ৫ জুন ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগ ছুৰ নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ অন্তৰ্গত নাগ্ৰীজুলি চিনিয়ৰ চেকেণ্ডাৰী স্কুল গোট আজি পুনৰ্গঠন কৰা হয়। জানিব পৰা মতে, সন্থাৰ নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ সভাপতি ৰবিশংকৰ উপ্ৰেতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত নাগ্ৰীজুলি চিনিয়ৰ চেকেণ্ডাৰী স্কুল গোটৰ পুৰণি সমিতি আনুষ্ঠানিকভাৱে ভংগ কৰি আগন্তুক ২০২৬-২৭ বৰ্ষ কাৰ্যকালৰ বাবে জ্যোতি নেৱাৰক সভানেত্ৰী আৰু আশিষ ছেত্ৰীক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মুঠ ২১ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়। একেখন সভাত গোৰ্খা জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নেপালী বিষয়ক আধুনিক ভাৰতীয় ভাষা হিচাপে অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। উক্ত সভাত পৰ্যবেক্ষক হিচাপে তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰাজেন অধিকাৰী, সাংগঠনিক সম্পাদক জনক নেৱাৰ আৰু প্ৰচাৰ সম্পাদক কেশৰ খড়কা উপস্থিত থাকে। ইয়াৰোপৰি নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক ঈশ্বৰ লামছাল, আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু ছাত্ৰ প্ৰতিনিধিসকলৰ উপস্থিতি পৰিলক্ষিত হয়। ইপিনে, নৱগঠিত সমিতিখনক তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি টংক ভট্টৰাই, সাধাৰণ সম্পাদক বিপ-ৰ চিমৰীয়া আৰু নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ সভাপতি ৰবি শংকৰ উপ্ৰেতিয়ে সফল কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। লগতে নতুন নেতৃত্বই ছাত্ৰ সমাজৰ কল্যাণ, শৈক্ষিক বিকাশ আৰু শিক্ষানুষ্ঠানখনক বিভিন্ন ক্ষেত্ৰত শক্তিশালীভাৱে আগবঢ়াই নিব বুলি আশা প্ৰকাশ কৰে।

# নাজিৰা সমজিলা কাৰ্যালয়ৰ চৌহদত বিশ্ব পৰিৱেশ দিৱস উদযাপন

**অসম বাৰ্তা, নাজিৰা, ৫ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আজি নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণত এক গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্তদ্বয় পৰ্চিয়া খনিকৰ আৰু অৰুণাভ সোণোৱাল উক্ত অনুষ্ঠানত উপস্থিত থাকে আৰু কাৰ্যালয়ৰ চৌহদত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰে। তেওঁলোকে পৰিৱেশ সুৰক্ষা আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত এনে পদক্ষেপৰ গুৰুত্বৰ ওপৰত আলোক পাত কৰে। তদুপৰি নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে কাৰ্যালয় চৌহদত এক পৰিৱেশ নিকাকৰণ আৰু পৰিচ্ছন্নতা অভিযানত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ, পৰিচ্ছন্নতা বজাই ৰখা আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত সামূহিক দায়বদ্ধতা আৰু জনসচেতনতা বৃদ্ধিৰ বাৰ্তা প্ৰেৰণ কৰা হয়।

# বকোৰ ২নং ৰাণীভিঠাত ভয়ংকৰ পথ দুৰ্ঘটনা; তীব্ৰবেগী বিলাসী বাহনে প্ৰাণ ল'লে পথচাৰীৰ

**অসম বাৰ্তা, বকো, ৫ জুন ঃ** কামৰূপ জিলাৰ বকোৰ ২নং ৰাণীভিঠাত ভয়ংকৰ পথ দুৰ্ঘটনা। বামুণীগাওঁ পৰা জামবাৰীলৈ যোৱা পথত তীব্ৰবেগী বিলাসী বাহনে প্ৰাণ ল'লে পথাচাৰীৰ। নিহত লোকজন ২নং ৰাণীভিঠাৰ প্ৰদিপ দাস বয়স (৫৩) চুবুৰীয়াৰ ঘৰৰ পৰা নিজৰ ঘৰত খোজ কাঢ়ি আহি থকা অৱস্থাত পিছফালৰ পৰা খুন্দা মাৰে বাহন খনে। ততাতয়াকৈ স্থানীয় লোকে বামুণী গাওঁ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰাই যদিও চিকিৎসকে মৃত ঘোষণা কৰে। দুৰ্ঘটনাত সংঘটিত কৰা বাহনখনৰ নম্বৰ হৈছে AS 01 FH 8785। ঘটনাস্থলীত জামবাৰী আৰক্ষী উপস্থিত।

# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে শিৱসাগৰত গছপুলি ৰোপণ আৰু বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৫ জুন ঃ** সমগ্ৰ দেশ তথা ৰাজ্যত লগতে শিৱসাগৰ জিলাতো আজি বিভিন্ন কাৰ্যসূচীৰে "বিশ্ব পৰিৱেশ দিৱস" উদ্‌যাপন কৰা হয়। "বিশ্ব পৰিৱেশ দিৱস" উপলক্ষে আজি শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত এক গছপুলি বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল যাদৱে পৰিৱেশ সংৰক্ষণৰ বাবে সকলোকে সজাগ আৰু সচেতন হ'বলৈ কোৱাৰ লগতে এখন সেউজীয়া পৃথিৱী গঢ়াৰ দিশত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। লগতে উপস্থিত স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলক এই অভিযানত সক্ৰিয়ভাৱে আগভাগ লৈ ভৱিষ্যত প্ৰজন্মৰ বাবে এক সুন্দৰ আৰু শ্যামলী ধৰা প্ৰতিষ্ঠিত কৰি যোৱাত অংশীদাৰ হ'বলৈও তেওঁ আহ্বান জনায়। জিলাখনত থকা এছিয়াৰ প্ৰথমখন প্ৰাকৃতিক চিৰিয়াখানা পহুগড়ৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ জিলাখনত গছপুলি ৰোপণ আৰু প্ৰতিপালনেৰে এক সেউজ বিপ্লৱৰ সূচনা কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। অনুষ্ঠানৰ অংশস্বৰূপে জিলা আয়ুক্ত গৰাকীৰ লগতে জ্যেষ্ঠ প্ৰশাসনিক বিষয়াসকলে গছপুলি ৰোপণ কৰাৰ লগতে বিভিন্ন উন্নত মানৰ গছপুলি বিতৰণ কৰে। আজিৰ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে লুকুমণি বড়া, মীনাক্ষী পেৰ্মে, সোণতৃষ্ণা ঘৰফলীয়া আৰু গৌৰীপ্ৰিয়া দেউৰী প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আৰু ভালেসংখ্যক স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

জিলা পৰ্যায়ত তিনিদিনীয়া প্ৰশিক্ষণ

# লোক পিয়ল সম্পৰ্কত নলবাৰীত শুভংকৰ মুকলি

**অসম বাৰ্তা, নলবাৰী, ৫ জুন ঃ** লোকপিয়ল ২০২৭ সন্দৰ্ভত নলবাৰী জিলা প্ৰশাসনে ইতিমধ্যেই প্ৰস্তুতি আৰম্ভ কৰিছে। যোৱা ২৮ মে' তাৰিখে নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়ত লোক পিয়লৰ শুভংকৰ "বিকাশ" আৰু "প্ৰগতি" উন্মোচন কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। আনহাতে ২ জুন তাৰিখৰ পৰা সংহত নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা পৰ্য্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। উক্ত প্ৰশিক্ষণ আনুষ্ঠানিকভাৱে মুকলি কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। জিলা পৰ্যায়ত লোক পিয়লৰ দায়িত্বপ্ৰাপ্ত বিষয়া ৰাজহ চক্ৰ বিষয়া, নলবাৰী আৰু টিহু পৌৰসভাৰ কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়াসকল তথা ক্ষেত্ৰ পৰ্যায়ৰ প্ৰশিক্ষকৰ বাবে এই প্ৰশিক্ষণ দিয়া হৈছে। প্ৰশিক্ষণ দিছে লোক পিয়ল সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ড° নিজৰা শৰ্মা আৰু মাষ্টাৰ প্ৰশিক্ষক অৰ্পন দেৱনাথে। জিলাখনত লোক পিয়লৰ সকলো কাম যাতে সুকলমে আৰু নিৰ্ভুলভাৱে সম্পন্ন হয় তাৰ বাবে নলবাৰী জিলা প্ৰশাসনে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই প্ৰশিক্ষণ সামগ্ৰিকভাৱে পৰিচালনা কৰে সহকাৰী আয়ুক্ত জুৰি কলিতাই। উল্লেখযোগ্য যে ৪জুন, ২০২৬ তাৰিখত এই প্ৰশিক্ষণৰ অন্ত পৰে।

# নলবাৰীৰ বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেইবাটাও ব্যতিক্ৰমী পদক্ষেপেৰে বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, চামতা, ৫ জুন ঃ** আজি দেশৰ লগতে ৰাজ্যৰ ভিন্নস্থানত ৫৫৮ সংখ্যক বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। সেই উপলক্ষে নলবাৰীৰ নলবাৰী জিলাৰ বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়তো কেইবাটাও ব্যতিক্ৰমী পদক্ষেপেৰে বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। প্ৰথম কাৰ্যসূচী অনুসৰি, বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিৰ সভাপতি দিবাকৰ ডেকা আৰু অধ্যক্ষা অৰ্চনা ভট্টচাৰ্যই কেঁচুসাৰ প্ৰকল্প উন্মোচন কৰে। বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মা, শিক্ষয়িত্ৰী তথা ইক' ক্লাবৰ সঞ্চালিকা মিতালী চক্ৰৱৰ্তীৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে উক্ত প্ৰকল্পত কেঁচু দিয়ে। উপাধ্যক্ষ তপন শৰ্মা, শিক্ষক নিৰঞ্জন শৰ্মা, ব্ৰজেন শৰ্মা, নয়ন গোস্বামী আদিয়ে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। তাৰপিচত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ দ্বাৰা পৰিবেশিত সমবেত সংগীতেৰে এখন সভাৰ শুভাৰম্ভণি কৰা হয়। শিক্ষয়িত্ৰী তথা ইক' ক্লাবৰ সঞ্চালিকা মিতালী চক্ৰৱৰ্তীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে কেঁচুসাৰ প্ৰকল্পৰ প্ৰয়োজনীয়তাৰ লগতে উপকাৰিতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। পেলনীয়া সামগ্ৰীৰে প্ৰস্তুত কৰা আৰ্হি প্ৰদৰ্শনীৰ লগতে প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। বিচাৰক হিচাপে উপস্থিত থাকে বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ভেলেণ্টিনা আহমেদ আৰু মনোপ্ৰভা ডেকা। উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে অনুষ্ঠানটো উপস্থিত থাকে নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই চমু শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। শিক্ষয়িত্ৰী ৰঞ্জনা ভট্টাচাৰ্য আৰু দীপশিখা তালুকদাৰে পেলনীয়া কাগজ পুনৰ ব্যৱহাৰৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰে। বৰ্তমান সময়ত কাগজৰ অত্যধিক ব্যৱহাৰে পৰিবেশৰ ক্ষতি কৰা আৰু তাক কেনেকৈ ৰোধ কৰিব পাৰি, সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তাৰপিচত বিদ্যালয়ৰ শিক্ষক নয়ন বৰ্মন আৰু ৰুবী দেৱীয়ে ই-আৱৰ্জনা মেনেজমেণ্ট সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে আৰু তাৰ ভয়াৱহতাৰ বিষয়ে বৰ্ণনা দিয়ে। ই-আৱৰ্জনা কোনবোৰ আৰু তাৰ পৰা নিৰ্মাণ কৰা বিভিন্ন আৰ্হি দুই প্ৰাক্তন ছাত্ৰ ভাৰ্গৱ দত্ত আৰু সৌৰভ ডেকাই প্ৰদৰ্শন কৰে। সহায়ক হিচাপে উপস্থিত থাকে ছাত্ৰ জিতু ডেকা। আজি বিদ্যালয়ত ই-আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰ স্থাপন কৰাৰ লগতে কিছু পৰিমাণে ই-আৱৰ্জনা সংগ্ৰহ কৰা হয়। সামগ্ৰিকভাৱে সাফল্যমণ্ডিত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে বিদ্যালয়ৰ জেষ্ঠ কৰ্মচাৰী ভূবেনেশ্বৰ ডেকাই। সদৌ শেষত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়।

২০ হাজাৰৰ অধিক ফেনচিডাইল বটল জব্দ

# গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত আৰক্ষীৰ বৃহৎ অভিযান

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৫ জুন ঃ** কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰত আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত বৃহৎ পৰিমাণৰ নিষিদ্ধ কফ চিৰাপ (ফেনচিডাইল) জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত সামগ্ৰীৰ বজাৰ মূল্য প্ৰায় ৬০ লাখ টকা বুলি অনুমান কৰা হৈছে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, PB 10 HT 7786 নম্বৰৰ এখন আইচাৰ ট্ৰাকত তালাচী চলাই আৰক্ষীয়ে মুঠ ১৬৬টা কাৰ্টুনত সংৰক্ষিত ২০ হাজাৰৰ অধিক ফেনচিডাইলৰ বটল উদ্ধাৰ কৰে। জানিব পৰা মতে, ট্ৰাকখন হাৰিয়ানাৰ পৰা গুৱাহাটী অভিমুখে আহি আছিল। গোপন খবৰৰ ভিত্তিত চলোৱা এই অভিযানত আৰক্ষীয়ে ট্ৰাকখন আটক কৰাৰ লগতে ঘটনাৰ সৈতে জড়িত দুজন ব্যক্তিকো আটক কৰে।

### জব্দ বাহনসহ চাৰিটা চোৰাং গৰু; আটক উত্তম কৈৱৰ্ত্ত

# পলাশবাৰী আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, মিৰ্জা, ৫ জুন ঃ** পলাশবাৰী আৰক্ষীয়ে আজি আবেলি এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই চাৰিটা চোৰাং গৰুসহ এখন চাৰিচকীয়া বাহন জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, পলাশবাৰীৰ বাগানস্থিত জ্ঞানজ্যোতি বিদ্যালয়ৰ সন্মুখত আৰক্ষীয়ে অভিযান চলাই এ এছ ০১ আৰ চি ৯৬৭৫ নম্বৰৰ এখন বাহনৰ পৰা চাৰিটা চোৰাং গৰু উদ্ধাৰ কৰে। ঘটনাৰ সৈতে জড়িত অভিযোগত পলাশবাৰীৰ গড়গৰাৰ উত্তম কৈৱৰ্তক নামৰ এজন যুৱকক আটক কৰা হয়। আৰক্ষীৰ তথ্য অনুসৰি, চোৰাং গৰুকেইটা পলাশবাৰীৰ চিমিনা অঞ্চলৰ পৰা মেঘালয়লৈ সৰবৰাহ কৰাৰ উদ্দেশ্যে লৈ যোৱা হৈছিল। লগতে আজি পুৱাৰে পৰাই চিমিনাৰ পৰা মেঘালয়লৈ একাধিকবাৰ গৰু সৰবৰাহত জড়িত আছিল উত্তম কৈৱৰ্ত্ত। গোপন সূত্ৰৰ পম খেদি পলাশবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ডিম্পল গয়াৰীৰ নেতৃত্বত চলা অভিযানত আৰক্ষীয়ে বাহনসহ গৰুকেইটা জব্দ কৰাৰ লগতে অভিযুক্ত উত্তম কৈৱৰ্তক আটক কৰি পলাশবাৰী আৰক্ষী থানালৈ লৈ আহে। অধিক তথ্যৰ সন্ধানত আৰক্ষীয়ে অব্যাহত ৰাখিছে অভিযান।

# মাকুম উৰণীয়া সেতু নিৰ্মাণ কাৰ্য্যত ব্যৱহৃত সামগ্ৰী চুৰিকাৰ্যৰ লগত জড়িত চাৰিজনক আটক

**অসম বাৰ্তা, মাকুম, ৫ জুন ঃ** মাকুমত নিৰ্মীয়মান অৱস্থাত থকা উৰণীয়া সেতুৰ নিৰ্মাণ কাৰ্যত ব্যৱহৃত চুৰি সামগ্ৰী মাকুম আৰক্ষীয়ে জব্দ কৰে। প্ৰাপ্ত তথ্য অনুসৰি নিশা নম্বৰ প্লেটবিহীন এখন ছ'টা হাথীত সামগ্ৰীখিনি ডুমডুমা লংছোৱালৰ এটা ডেম্পলৈ বুলি কঢ়িয়াই নিয়া অৱস্থাত মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বৰগোহাঁইৰ নেতৃত্বত তহলদাৰী দল এটাই সামগ্ৰীসহ বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। বাহন খনৰ চালকসহ আন দুজনক আৰক্ষীয়ে আটক কৰে। তিনিওৰে স্বীকাৰোক্তিৰ ভিত্তিত লংছোৱাল স্থিত ডেম্পটোৰ গৰাকী জনক আৰক্ষীয়ে আটক কৰে। উক্ত চুৰিকাৰ্যৰ লগত জড়িত থকা ধৃত চাৰি গৰাকী ক্ৰমে মাকুম নতুন গাঁৱৰ অনিমেশ বৰুৱা (২৩), ডুমডুমা হাঁহচৰা মটক লাইনৰ সুশীল বাউৰী (১৯), ডুমডুমা বাদলাভেটা ১০ নং লাইনৰ আকাশ পানীকা (২৬), আৰু লংছোৱালৰ অমৃত প্ৰসাদ (৪৩)। উল্লেখযোগ্য যে উৰণীয়া সেতুখন মাকুম শুকানপুখুৰী স্থিত টি টি চি ইনফ্ৰা ইণ্ডিয়া চাৰি লেগু যুক্ত পথ নিৰ্মাণ প্ৰতিষ্ঠানটোৰ উদ্যোগত নিৰ্মাণ কাৰ্য চলি আছে। ধৃত চাৰিও জনকে প্ৰতিষ্ঠানটোৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ২৭/২০২৬ ৰ অধীনত ৩০৩ (২)/৩১৭ (২)/৩ (৫) বি এন এছ গোচৰ নং ৰুজু কৰি জেল সাজোঁতলৈ প্ৰেৰণ কৰে।

### বিধায়ক ড° মৃদুল কুমাৰ দত্তক বাপুজী মন্দিৰৰ উদ্যোগত ৰাজহুৱা সম্বৰ্ধনা

# দেৰগাঁৱত উৎসৱমুখৰ পৰিৱেশ

**অসম বাৰ্তা, দেৰগাঁও, ৫ জুন ঃ** দেৰগাঁও বাপুজী মন্দিৰৰ উদ্যোগত আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত আজি ১০৪ নং দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দেৰগাঁও সাহিত্য সভা, কমল দুৱৰা মহাবিদ্যালয়, বিভিন্ন সাংস্কৃতিক-সামাজিক অনুষ্ঠানকে ধৰি অৰ্ধ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত ১০৪ নং দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমষ্টিটোৰ শৈক্ষিক, স্বাস্থ্য আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নত আগবঢ়োৱা অৱদানৰ বাবে বিধায়কগৰাকীক ফুলাম গামোচা, চেলেং আৰু স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি ড° দত্তই কয়, "ৰাইজৰ মৰমেই মোৰ শক্তি। দেৰগাঁওক এখন আদৰ্শ সমষ্টি হিচাপে গঢ়াৰ সংকল্পৰে মই কাম কৰি যাম।" "এই সম্বৰ্ধনা মোৰ নহয়, দেৰগাঁৱৰ প্ৰতিজন নাগৰিকৰ। আপোনালোকৰ সহযোগত আমি শিক্ষা, স্বাস্থ্য, পথ-দলং সকলো ক্ষেত্ৰতে কাম কৰিছোঁ। আগন্তুক দিনতো এই ধাৰা অব্যাহত থাকিব" বুলি মন্তব্য আগবঢ়াই উপস্থিত ৰাইজৰ আগত।

# শংকৰদেৱ শিশু বিদ্যা নিকেতন কমলাবাৰীত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত আৰ্য্যভট বিজ্ঞান কেন্দ্ৰ মাজুলী জিলা, অসম বিজ্ঞান সমিতি মাজুলী শাখাৰ উদ্যোগত আৰ্য্যভট বিজ্ঞান কেন্দ্ৰ মাজুলী খণ্ড, মাজুলী নেচাৰ ৰাতচ আৰু ইক' ক্লাব শংকৰদেৱ শিশু বিদ্যা নিকেতন কমলাবাৰীৰ সহযোগত শংকৰদেৱ শিশু বিদ্যা নিকেতনত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। প্ৰথম কাৰ্যসূচী বৃক্ষৰোপণ সম্পূৰ্ণ কৰে পৰিবেশ বন্ধু আৰু কমলাবাৰী একাডেমীৰ অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকা আৰু নিকেতন পৰিচালনা সমিতিৰ কোষাধক্ষ্য দধী বৰুৱা। ছাত্ৰ ছাত্ৰী সকলৰ মাজত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া মুকলি সভাত সভাপতিত্ব কৰে মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু অসম বিজ্ঞান সমিতি মাজুলী শাখাৰ সভাপতি তিলক চন্দ্ৰ শৰ্মাই। সভা উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া। সমল ব্যক্তি হিচাপে উপস্থিত থাকে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ মাজুলী জিলা জিলা সমন্বয়ক আৰু মাজুলী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অনুপ কুমাৰ দলে সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মাজুলী নেচাৰ ৰাতচৰ সম্পাদক সমীৰণ গোস্বামী, অসম বিজ্ঞান সমিতি মাজুলী শাখাৰ সম্পাদক জীৱন বৰা, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ মাজুলী জিলাৰ জিলা সমন্বয়ক লোহিত শইকীয়া, শ্যামল শইকীয়া, অচিন্ত শইকীয়া, নিকেতনৰ প্ৰধান আচাৰ্য সত্যনাথ শইকীয়া সহিতে আচাৰ্য আচাৰ্যা, ছাত্ৰ-ছাত্ৰী সকল আৰু কৰ্মচাৰীবৃন্দ। শেষত আৰ্যভট বিজ্ঞান কেন্দ্ৰ মাজুলী ব্লকৰ সমন্বয়ক বিকাশ বৰাই শলাগৰ শৰাই আগবঢ়ায় আৰু প্ৰতিযোগিতাত স্থান লাভ কৰা সকলক পুৰস্কাৰ প্ৰদান কৰে।

### সকলোকে পৰিৱেশৰ প্ৰতি সজাগ-সচেতন হোৱাৰ আহ্বান

# তামোলপুৰত বিশ্ব পৰিৱেশ দিৱস পালন গোৰ্খা ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, গোৰেশ্বৰ, ৫ জুন ঃ** আজি বিশ্বজুৰি পালন কৰা হৈছে বিশ্ব পৰিৱেশ দিৱস। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ আজি তামোলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী গোৰেশ্বৰ অঞ্চলতো বিভিন্ন শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু বিভিন্ন দল-সংগঠনসমূহে বৃক্ষৰোপণ আৰু সচেতনতামূলক কাৰ্যসূচীৰ জৰিয়তে এই বিশেষ দিনটো পালন কৰে। এই উপলক্ষে আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগছুৰ পূৱ ডেফেলী আঞ্চলিক সমিতিৰ উদ্যোগত অঞ্চলটোৰ বাঙালীপাৰাত বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আঞ্চলিক সমিতিৰ সভাপতি বিশাল মৈনালীৰ নেতৃত্বত বাঙালীপাৰাত অৱস্থিত সংগঠনটোৰ মুখ্য কাৰ্যালয় প্ৰাংগণত আজি বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ আৰু সমাজত পৰিৱেশ সম্পৰ্কীয় সচেতনতা বৃদ্ধিৰ বাবে সংগঠনটোৱে সকলোকে আহ্বান জনায়। উক্ত কাৰ্যসূচীত সংগঠনটোৰ তামোলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক তথা পূৱ ডেফেলী আঞ্চলিক সমিতিৰ উপদেষ্টা বিপ্লৱ চিমৰীয়া, সাংগঠনিক সম্পাদক জনক নেৱাৰ, পূৱ ডেফেলী আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক দ্বিগ্বীজয় লুইটেল, বিশিষ্ট সমাজকৰ্মী টেক প্ৰসাদ সুবেদী, মিত্ৰলাল খৰেল, চিন্তামণি সুবেদী, কলম উপ্ৰেতি, প্ৰকাশ প্ৰধান, সঞ্জীৱ নেৱাৰ আৰু অজয় মণ্ডল প্ৰমুখ্যে সংগঠনটোৰ বহু ছাত্ৰ কৰ্মী উপস্থিত থাকে।

# নলবাৰীৰ নিজ পকোৱাতো বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, চামতা, ৫ জুন ঃ** আজি দেশ তথা ৰাজ্যত বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। বিশ্ব পৰিবেশ দিৱস উপলক্ষে মোৰ ভাৰত কেন্দ্ৰ, নলবাৰীৰ উদ্যোগত আৰু নিজ পকোৱা ত্ৰিনয়ন নাট্যগোষ্ঠীৰ সহযোগত নিজ পকোৱা নদীৰ সিপাৰ চুবুৰি আৰু পকোৱা চ'কত আজি এলানি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা ১১ বজাত আনুষ্ঠানিকভাৱে কাৰ্যসূচীৰ শুভ উদ্বোধন কৰি মোৰ ভাৰত কেন্দ্ৰ, নলবাৰীৰ উপ সঞ্চালক মোহিত ৰাভাই গছপুলি ৰোপণ আৰু সংৰক্ষণৰ ওপৰত বিশেষভাৱে ভাষণ প্ৰদান কৰি ৰাইজক সজাগ কৰি তোলা পৰিলক্ষিত হয়। ইয়াৰ পিচত পৰ্যায়ক্ৰমে বিশিষ্ট সমাজকৰ্মী ভুৱনেশ্বৰ দত্ত আৰু মঞ্জুৰাণী দত্তই গছপুলি ৰোপণ কৰে। ইয়াৰ পিচত অনুষ্ঠানটোত দ্বিতীয় কাৰ্যসূচী ৰূপায়ণ কৰা হয় পকোৱা চ'কত। পকোৱা চ'ক বজাৰ সমিতিৰ সম্পাদক সুনীল দত্ত আৰু নিজ পকোৱা আয়ুষ্মান আৰোগ্য মন্দিৰৰ সামূহিক স্বাস্থ্য বিষয়া প্ৰিয়ম ছাগ্ৰাৱলীয়ে গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কেন্দ্ৰ আৰু নাট্যগোষ্ঠীৰ এনে পদক্ষেপৰ বাবে নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই শলাগ লোৱাৰ লগতে অভিনন্দন জনায়। ত্ৰিনয়ন নাট্যগোষ্ঠীৰ সমন্বয়ক ৰমেন কুমাৰ দত্তই আঁত ধৰা আজিৰ উক্ত কাৰ্যসূচীত বিশিষ্ট নাট্যকৰ্মী যাদৱ শৰ্মা, নাট্যগোষ্ঠীটোৰ প্ৰাক্তন সম্পাদক দিগন্ত বৰকটকী, সভাপতি পবিত্ৰ দত্ত, সম্পাদক বিদ্যুৎ দত্তকে আদি কৰি প্ৰায় অৰ্ধশতাধিক প্ৰকৃতিপ্ৰেমী উপস্থিত থাকে।

# মাকুমৰ কেইবাটাও স্থানত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, মাকুম, ৫ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱস। সমগ্ৰ বিশ্বৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক আৰু শাখা সমিতিৰ উদ্যোগত মাকুম সমজিলা কাৰ্যালয়ৰ প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস পালন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্য অতিথি হিচাপে উপস্থিত থকা মাকুম সমজিলাৰ সহ আয়ুক্ত হিমাদ্ৰী মেছ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মায়াৰাণী গগৈ লাহনক একোখনকৈ ফুলাম গামোছাৰে সম্ভাষণ জনোৱা হয়। পৰৱৰ্তী পৰ্যায়ত সকলোৱে একত্ৰিত হৈ গছ পুলি সমূহ ৰোপণ কৰে। ইয়াৰ লগতে মাকুম আঞ্চলিক ছাত্ৰ সন্থা উদ্যোগত মাকুম মহাবিদ্যালয়ৰ প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। অসম চাহ জনজাতি ছাত্ৰ সন্থা মাকুম শাখা সমিতিৰ উদ্যোগত মাকুমৰ বিভিন্ন স্থানত গছ পুলি ৰোপণ কৰাৰ লগতে ১০০০ হাজাৰ গছ পুলি বিতৰণ কৰে। আজি বিশ্ব পৰিৱেশ দিৱস বুলিয়ে যে গছ পুলি ৰুলে নহ'ব প্ৰতি দিনাই লালন পালন কৰি একোটাকৈ গছ পুলি ৰুবলৈ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী মৃণালী নেওগ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সভাপতি ৰঞ্জিত ডেকা, মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাস, সম্পাদক মনোৰম চুতীয়া, আটছা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য কনক কুৰ্মী আৰু মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মী, সম্পাদক দীপক কুৰ্মীয়ে সংবাদ মাধ্যমৰ যোগেদি প্ৰকৃতি প্ৰেমী ৰাইজলৈ আহ্বান জনায়।

# ৰতনপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ফুলনি, ৫ জুন ঃ** মাজুলীৰ ৰতনপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত মাজুলী জিলা বন বিভাগ, আৰণ্যক আৰু E.E.P ৰ নোডেল এজেঞ্চী উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যৌথ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা ৯ বজাত এক সজাগতামূলক শোভাযাত্ৰা বন বিভাগৰ কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী আঞ্চলিক ৰাইজৰ সহযোগত উলিওৱা হয়। বন বিভাগৰ আঞ্চলিক বন বিষয়া অভিজিৎ দলে শোভাযাত্ৰাটি উদ্বোধন কৰে। ইয়াৰ পাছতেই সামাজিক বনানীকৰণৰ আঞ্চলিক বন বিষয়া অতুল দাস আৰু আঞ্চলিক বন বিষয়া বন্দন দুৱৰী আৰণ্যকৰ প্ৰাণজিৎ বৰা, আঞ্চলিক বন বিষয়া অভিজিৎ দলে, বিদ্যালয়ৰ বিজ্ঞান শিক্ষক সুনীল বৰা অমৰ জ্যোতি বৰা আৰু উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতাই গছপুলি ৰোৱাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ১১ বজাৰ পৰা ছাত্ৰ ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে চিত্ৰশিল্পী অশ্বিনী কলিতাই। দুপৰীয়া অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে বিদ্যালয় খনৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ দাসে। বিশেষ বক্তৃতা প্ৰদান কৰে আঞ্চলিক বন বিষয়া অভিজিৎ দলে। এই সভাতে আৰণ্যকৰ ফালৰ পৰা প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠন পৰিৱেশ বন্ধুৰ প্ৰভাত নাথক চেলেং চাদৰ আৰু প্ৰশস্তি পত্ৰৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ পৰা পৰিৱেশ সুৰক্ষাত বিশেষ ভূমিকা লোৱা নৱজ্যোতি উচ্চমাধ্যমিক বিদ্যালয়ৰ শিক্ষক অতুল কলিতা আৰু সমাজ কৰ্মী লক্ষ্যজিত বৰাক গামোছা আৰু প্ৰশস্তি পত্ৰৰ দ্বাৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়। আৰণ্যকৰ ইজাজ আহমেদে পি.পি.টিৰ জৰিয়তে ছাত্ৰ ছাত্ৰীক বিশেষ বক্তৃতা প্ৰদান কৰে। সভাত অংশগ্ৰহণ কৰে প্ৰাক্তন প্ৰধান শিক্ষক দুৰ্গেশ্বৰ শইকীয়াই। শলাগৰ শৰাই আগবঢ়াই শিক্ষক অমৰজ্যোতি বৰাই। সমগ্ৰ কাৰ্যসূচী আঁতধৰি আগুৱাই নিয়ে উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতাই।

### ছাত্ৰ সমাজ ধুমপানৰ বিৰুদ্ধে একত্ৰিত হ'লে আমি সুন্দৰ সমাজ এখন লাভ কৰিম ঃ যতীন ৰয়

# বাগানপাৰা হাইস্কুলত পথ সুৰক্ষা-ধুমপান বিৰোধী সজাগতা অনুষ্ঠান

**অসম বাৰ্তা, বাগানপাৰা, ৫ জুন ঃ** ধুমপানে মানুহৰ জীৱন ধ্বংস কৰে। ধুমপানৰ অপকাৰিতাৰ কথা জানিও ইয়াক সেৱন কৰাৰ ফলতেই বহু লোকে অকালতে নিজৰ জীৱন হেৰুৱাবলগীয়া হৈছে। বহু লোকে ধুমপান সেৱন কৰি নিজৰ পৰিয়াললৈ অশান্তি আৰু দুৰ্দশা মাতি আনিছে। ছাত্ৰ-ছাত্ৰীসকল আমাৰ ভৱিষ্যত সমাজখনৰ প্ৰতিনিধি। গতিকে আমাৰ ছাত্ৰ সমাজে এতিয়াৰ পৰাই ধুমপানৰ বিৰুদ্ধে সজাগ হ'ব লাগিব। ছাত্ৰ সমাজ ধুমপানৰ বিৰুদ্ধে একত্ৰিত হ'লেহে আমি সুন্দৰ সমাজ এখন লাভ কৰিম। ..... এই মন্তব্য বাগানপাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যতীন ৰয়ৰ। আজি বাগানপাৰা হাইস্কুলত আয়োজন কৰা পথ সুৰক্ষা আৰু ধুমপান বিৰোধী সজাগতা অনুষ্ঠান অংশগ্ৰহণ কৰি বাগানপাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যতীন ৰয়ে এইদৰে কয়। ভাষণত আৰক্ষী বিষয়া গৰাকীয়ে ছাত্ৰ-ছাত্ৰীক পথ সুৰক্ষা সম্পৰ্কে ব্যাখ্যা কৰি কয়- সম্প্ৰতি যান-বাহনৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু ইয়াৰ সমান্তৰালভাৱে দুৰ্ঘটনাও বৃদ্ধি পাইছে। গতিকে প্ৰত্যেকে পথেৰে চলাচল কৰাৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। সাৱধানতাই দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰে। বিদ্যালয়লৈ আহোঁতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পথ সুৰক্ষা নিয়মবোৰ মানি আহিব লাগে। ভাষণত আৰক্ষী বিষয়া গৰাকীয়ে যান-বাহন আইনৰ বিভিন্ন ধাৰা, জৰিমনা আৰু শাস্তি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বুজাই দিয়ে। বাগানপাৰা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক ধীৰেণ চন্দ্ৰ বড়ো, অনিল কুমাৰ দাস, উৎপল কলিতা, ফৈলাওচা ব্ৰহ্ম, মহিত বড়োসহ ভালেসংখ্যক শিক্ষক আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ৰঙাচাহী মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ** ৰঙাচাহী মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু NCC-NSS গোটৰ সহযোগত আজি বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। NCC-ৰ ANO কৃষ্ণকান্ত দলেইয়ে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ গামে সভাপতিত্ব কৰে। "প্ৰকৃতিৰ পৰা প্ৰেৰণা, জলবায়ুৰ বাবে আৰু আমাৰ ভৱিষ্যতৰ বাবে" শীৰ্ষক এই কাৰ্যসূচীত পৰিৱেশ সংৰক্ষণ, বৃক্ষৰোপণ আৰু পৰিৱেশ সচেতনতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই উপলক্ষে অধ্যক্ষ ড০ নৱকুমাৰ গামৰ নেতৃত্বত মহাবিদ্যালয় চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ড০ গামে কয় যে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত বৃক্ষৰোপণ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বৰ্ধিত প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ কু-প্ৰভাৱৰ পৰা পৃথিৱীক সুৰক্ষিত ৰাখিবলৈ অধিক সংখ্যক গছ-গছনি ৰোপণ আৰু সংৰক্ষণৰ প্ৰয়োজন। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ আহ্বান জনায়। অনুষ্ঠানত উপাধ্যক্ষ তৰুণ কুমাৰ নাথ, অধ্যাপক বদন চন্দ্ৰ নেওগ, অধ্যাপক মুকুন্দ নেওগ গায়ত্ৰী গগৈ আৰু ড০ নৱৰূপা চুতীয়াই পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত ব্যক্তিগত আৰু সামাজিক দায়বদ্ধতাৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অন্তত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সংৰক্ষণৰ বাবে এক প্ৰতিশ্ৰুতি গ্ৰহণ কৰে। শেষত NSS-ৰ তত্ত্বাৱধায়ক ৰাজীৱ হাজৰিকাই ধন্যবাদ জ্ঞাপন কৰে।

### নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীত বিশ্ব পৰিৱেশ দিৱস পালন

# বিদ্যাতকৈয়ো অক্সিজেন বেছি আৱশ্যকঃ ৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ৫ জুন ঃ** বিদ্যাতকৈয়ো অক্সিজেন বেছি আৱশ্যক। এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। আজি দেশৰ লগতে ৰাজ্যৰ ভিন্নস্থানত ৫৫৮ সংখ্যক বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই প্ৰাসংগ সংগতিৰে উল্লেখ কৰি কয় যে, গছপুলি ৰোপণৰ লগতে সংৰক্ষণ তথা লালন-পালন কৰিলেহে জীৱকুলক ৰক্ষা কৰিব পৰা যায়। এই চিন্তাৰে আজি প্ৰতিগৰাকী সচেতন লোকে একোটিকৈ গছপুলি ৰোৱাৰ সংকল্প গ্ৰহণেৰে নিজ গৃহৰ চৌহদকে ধৰি অন্য স্থান সমূহতো একোটিকৈ গছপুলি ৰোপণ কৰাৰ যি মানসিকতা গঢ় লৈ উঠিছে, সেয়া আদৰণীয়। নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ চিবিএছইৰ অধীনৰ ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰতিষ্ঠান কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীতো পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। সেই উপলক্ষে দৈনন্দিন প্ৰাতঃ সভাৰ ঠিক পিচতেই আজি পুৱা ৯.১৫ বজাত একাডেমীখনৰ চৌহদটো পৰিষ্কাৰ কৰি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক লগত লৈ অধ্যক্ষ ৰূপক বৈশ্য সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰী সকলে শ্ৰমদান কৰে। তাৰপিচত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্য, জ্যেষ্ঠ শিক্ষয়িত্ৰী লীলা বেজবৰুৱা প্ৰমুখ্যে বহুকেইগৰাকী শিক্ষক-কৰ্মচাৰীয়ে চৌহদটোত একোটিকৈ মেহগনি, দেৱদাৰু আৰু শিলিখা গছৰ পুলি ৰোপণ কৰে। গছপুলি ৰোপণৰ উপৰি সংৰক্ষণ আৰু লালন-পালন কৰা সন্দৰ্ভত আলোচনা কৰাৰ লগতে জৈৱ পচনশীল আৰু জৈৱ অপচনশীল সামগ্ৰীৰ পৃথক্কৰণৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলক সম্যক ধাৰণা দিয়া হয় আৰু নিৰ্দিষ্ট স্থানত আৱৰ্জনাসমূহ ৰখা হয়। তাৰপিচত তিনিটা শাখাত বিভক্ত কৰি সেউজীয়া পৰিবেশৰ ওপৰত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যৰ নিৰ্দেশমৰ্মে ছাত্ৰ-ছাত্ৰীসকলে আজি পুৱাৰ ভাগত নিজ নিজ গৃহৰ চৌহদত একোটিকৈ গছপুলি ৰোপণ কৰে।

# উদীয়মান কণ্ঠশিল্পী দিগন্ত মালাকৰৰ গীত মুকলি

**অসম বাৰ্তা, হাজো, ৫ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি হাজো প্ৰেছ ক্লাবত কণ্ঠশিল্পী দিগন্ত মালাকাৰৰ "ৰোপণৰ অংকুৰণৰ" শীৰ্ষক এটি আধুনিক গীত মুকলি কৰা হয়। গীতটিৰ বিষয়ে কণ্ঠশিল্পী দিগন্ত মালাকাৰে কয় প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্ক অতি গভীৰ। কিন্তু বৰ্ধিত জনসংখ্যা, নগৰীকৰণ আৰু আধুনিকীকৰণৰ ফলত প্ৰাকৃতিক পৰিৱেশে আজি এক ভয়ংকৰ সংকটৰ সন্মুখীন হৈছে। এই সংকটৰ পৰা পৃথিৱীখনক ৰক্ষা কৰাৰ বাবে আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ বাবে গীতৰ মাজেৰে মনৰ ভাবখিনি প্ৰকাশ কৰা হৈছে। গীতটিৰ শুভমুক্তি অনুষ্ঠানত অসমৰ অৱসৰী মুখ্য বন সংৰক্ষক মোহন চন্দ্ৰ মালাকাৰ, হাজোৰ কাছ বিশেষজ্ঞ হিচাপে খ্যাত প্ৰণৱ মালাকাৰ, হাজো প্ৰেছ ক্লাবৰ সভাপতি দিপক দাস, বিশিষ্ট সমাজকৰ্মী শৰৎ নায়ক, মৃণাল কুমাৰ দাস, মনোজ মেধি, ভৱানন্দ আঠপৰীয়া, বিশিষ্ট কণ্ঠশিল্পী ধ্ৰুৱজ্যোতিৰ লগতে অৰ্ধশতাধিক লোক উপস্থিত থাকে। গীতৰ দৃশ্য গ্ৰহণ আৰু ভিডিঅ' সম্পাদনা কৰিছে ত্ৰৈলোক্য মজুমদাৰে। আনহাতে গীতটিৰ সংগীত সৌৰভ কুমাৰ দাসৰ। অনুষ্ঠানৰ আৰম্ভণিতে কণ্ঠশিল্পী দিগন্ত মালাকাৰে অতিথিসকলক ফুলাম গামোচা আৰু এটি গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন জনায়। আশা কৰা হৈছে দিগন্ত মালাকাৰৰ এই গীতটো শ্ৰোতা দৰ্শকে আদৰি ল'ব।

### পৰিৱেশ সংৰক্ষণৰ বাৰ্তা লৈ CRPFৰ জোৱান-সমাজকৰ্মী-ব্যৱসায়ীৰ সক্ৰিয় অংশগ্ৰহণ

# বিশ্ব পৰিৱেশ দিৱসত ঢেকীয়াজুলিৰ CRPF কেম্পত ব্যাপক বৃক্ষৰোপণ কাৰ্যসূচী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৫ জুন ঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে আজি সমগ্ৰ দেশৰ লগতে শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিতো বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত বিভিন্ন সচেতনতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশ হিচাপে ঢেকীয়াজুলিস্থ CRPF কেম্পত এক বিশেষ বৃক্ষৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। পৰিবেশ সংৰক্ষণ আৰু সেউজীয়া পৃথিৱী গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীয়ে স্থানীয় লোকসকলৰ মাজতো বিশেষ সঁহাৰি লাভ কৰে। অনুষ্ঠানটোৰ শুভ উদ্বোধন কৰে ঢেকীয়াজুলি CRPF কেম্পৰ D কোম্পানীৰ ১৭১ বেটেলিয়নৰ ইনস্পে"ৰ জাটাই হালদাৰে। CRPF জোৱান পৱন বৰাৰ আতধৰাত অনুষ্ঠিত কাৰ্যসূচীটোত পৰিবেশ সুৰক্ষা, বনানীকৰণৰ গুৰুত্ব আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে জ্বলন্ত বিষয়সমূহৰ ওপৰত আলোকপাত কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচীত ঢেকীয়াজুলিৰ বিশিষ্ট ব্যৱসায়ী বলৰাম বাৰ্মা, বিজয় সিং, সুমিত কুমাৰ, সমাজকৰ্মী বিমল দাসৰ লগতে CRPFৰ বিষয়া আৰু জোৱানসকল উপস্থিত থাকে। উপস্থিত অতিথি আৰু অংশগ্ৰহণকাৰীসকলে কেম্প চৌহদত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰি পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বক্তাসকলে কয় যে বৰ্তমান সময়ত বিশ্বজুৰি বৃদ্ধি পোৱা প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ ৰোধ কৰিবলৈ অধিক সংখ্যক গছপুলি ৰোপণ আৰু সংৰক্ষণ অতি প্ৰয়োজনীয়। গছপুলি কেৱল পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰাই নহয়, মানৱ জীৱনক সুস্থ আৰু সুৰক্ষিত কৰি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাৰ্যসূচীৰ অন্তত উপস্থিত সকলোৱে পৰিবেশ সুৰক্ষাৰ স্বাৰ্থত প্ৰতিগৰাকী নাগৰিকক বছৰি অন্ততঃ এটাকৈ গছপুলি ৰোপণ আৰু ইয়াৰ যত্ন লোৱাৰ আহ্বান জনায়। বিশ্ব পৰিবেশ দিৱসৰ এই বিশেষ উদ্যোগে ঢেকীয়াজুলি অঞ্চলত পৰিবেশ সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে।

# বাটৰ নাটেৰে প্লাষ্টিকমুক্ত মাজুলীৰ আহ্বান 'সাহস'ৰ

**অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ** সাহস এন.জি.অৰ উদ্যোগত ৰঙাচাহী পঞ্চায়তৰ অন্তৰ্গত সোণাৰীআটি চাৰিআলিত "স্বচ্ছ মাজুলী মোৰ মাজুলী" শীৰ্ষক এখনি বাটৰ নাট সফলভাৱে অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীৰ জৰিয়তে পৰিৱেশ সজাগতা সৃষ্টি কৰাৰ লগতে বৰ্তমান সময়ত বৃদ্ধি পোৱা প্লাষ্টিক প্ৰদূষণে সমাজ জীৱনত পেলোৱা নেতিবাচক প্ৰভাৱৰ বিষয়ে ৰাইজক সচেতন কৰাৰ চেষ্টা চলাই। নাটখনত পৰিৱেশ সংৰক্ষণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু প্লাষ্টিক ব্যৱহাৰ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অভিনয় আৰু সজীৱ উপস্থাপনৰ মাধ্যমেৰে শিল্পীসকলে সমাজত প্লাষ্টিক প্ৰদূষণে সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিৰ এখন স্পষ্ট ছবি দাঙি ধৰে। সাহস এন.জি.অৰ কৰ্মকৰ্তাসকলে কয় যে, পথ নাটৰ দৰে জনমুখী মাধ্যমৰ যোগেদি ৰাইজৰ মাজত ইতিবাচক চিন্তা আৰু সচেতনতা বৃদ্ধি পাব বুলি তেওঁলোক আশাবাদী। লগতে সমাজৰ প্ৰতিজন লোকেই পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও আহ্বান জনোৱা হয়। সাহসৰ এই ব্যতিক্ৰমী প্ৰচেষ্টাক স্থানীয় ৰাইজে আদৰণি জনোৱাৰ লগতে এনে সজাগতামূলক কাৰ্যসূচীয়ে সমাজত ইতিবাচক প্ৰভাৱ পেলাব বুলি মত প্ৰকাশ কৰে।

## সম্পাদকীয়

# চেল ব্ৰডকাষ্ট ব্যৱস্থা; অসমৰ দুৰ্যোগ প্ৰস্তুতিৰ নতুন অধ্যায়

প্ৰকৃতিৰ প্ৰকোপ অসমৰ বাবে নতুন নহয়। প্ৰতিবছৰে বানপানী, ভূমিস্খলন, ধুমুহা আদিৰ ফলত ৰাজ্যখনৰ বহু প্ৰাণ আৰু সম্পদ ক্ষতিগ্ৰস্ত হয়। এনে পৰিপ্ৰেক্ষিতত অসম চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা দৃঢ়ীকৰণৰ বাবে গ্ৰহণ কৰা 'চেল ব্ৰডকাষ্ট চিষ্টেম' (চি বি এছ) কাৰ্যকৰী কৰাৰ সিদ্ধান্ত এক সময়োপযোগী আৰু অভিনৱ পদক্ষেপ। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ (এ এছ ডি এম এ)-ই আনুষ্ঠানিকভাৱে জানিবলৈ দিয়া মতে, এই অত্যাধুনিক প্ৰযুক্তিৰ জৰিয়তে কোনো নিৰ্দিষ্ট বিপদপীড়িত অঞ্চলৰ ভিতৰত থকা সকলো মোবাইল ফোনলৈ ভৌগোলিকভাৱে লক্ষ্যনিৰ্ধাৰিত জৰুৰীকালীন বাৰ্তা প্ৰেৰণ কৰিব পৰা যাব। কেন্দ্ৰীয় দূৰসংযোগ বিভাগ, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আৰু গৃহ মন্ত্ৰালয়ৰ যৌথ সহযোগত বিকশিত এই ব্যৱস্থাটোৰ পৰীক্ষণ যোৱা মে' মাহত অসমত সফলভাৱে সম্পন্ন হৈছে। ইতিমধ্যে দেশৰ কেইবাখনো ৰাজ্যত ই প্ৰমাণিত হোৱাৰ বাবে এএছডিএমএই সম্পূৰ্ণ প্ৰয়োগৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

চেল ব্ৰডকাষ্ট ব্যৱস্থাটো সাধাৰণ এছ এম এছ সেৱাতকৈ সম্পূৰ্ণ পৃথক। জৰুৰীকালীন সময়ত নেটৱৰ্ক অতি ব্যস্ত হৈ পৰিলেও এই ব্যৱস্থাত বাৰ্তা প্ৰেৰণ সম্ভৱ। ইয়াত গ্ৰাহকৰ ফোন নম্বৰ জনাৰ প্ৰয়োজন নহয়; নিৰ্দিষ্ট ভূখণ্ডৰ ভিতৰত থকা সকলো মোবাইল (স্মাৰ্টফোন হওক বা ফিচাৰ ফোন) স্বয়ংক্ৰিয়ভাৱে সতৰ্কবাণী গ্ৰহণ কৰে। এই ব্যৱস্থাৰ সবাতোকৈ ডাঙৰ সুবিধা হ'ল- ই সমাজৰ আটাইতকৈ স্পৰ্শকাতৰ শ্ৰেণী, যেনে বয়স্ক নাগৰিক, প্ৰবল দৰিদ্ৰ, আৰু দুৰ্গম অঞ্চলৰ লোকসকললৈ খুব সোনকালে বাৰ্তা পঠাব পাৰে। বানপানীৰ সময়ত এনে পূৰ্ব সতৰ্কবাণীয়ে মানুহক নিৰাপদ আশ্ৰয়লৈ যোৱাৰ যথেষ্ট সময় দিয়ে, যাৰ ফলত প্ৰাণহানি বহুখিনি হ্ৰাস পোৱাৰ সম্ভাৱনা আছে।

তথাপি, এই ব্যৱস্থা সম্পূৰ্ণ সফল কৰিবলৈ কিছুমান বাস্তৱিক প্ৰত্যাহ্বান অতিক্ৰম কৰিবলগীয়া আছে। প্ৰথমে, অসমৰ একাংশ পাহাৰীয়া আৰু চাপৰি অঞ্চলত মোবাইল নেটৱৰ্কৰ সুবিধা এতিয়াও সীমিত। নেটৱৰ্ক অবিহনে চেল ব্ৰডকাষ্ট বাৰ্তা গ্ৰহণ কৰাটো অসম্ভৱ। দ্বিতীয়তে, বহু নাগৰিকৰ হাতত এতিয়াও মৌলিক ফোন আছে যিবোৰে এই প্ৰযুক্তি সমৰ্থন নকৰিবও পাৰে। তৃতীয়তে, কেৱল সতৰ্কবাণী দিলেই নহয়; সেই বাৰ্তা ব্যৱহাৰিক পৰামৰ্শসহ স্পষ্ট আৰু জনসাধাৰণে বুজিব পৰাকৈ হ'ব লাগে। সেইবাবে ভাষাৰ সৰলীকৰণ আৰু স্থানীয় প্ৰেক্ষাপটৰ লগত সংগতি ৰাখি বাৰ্তা প্ৰণয়ন কৰাটো অত্যন্ত জৰুৰী।

আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল- অতিৰিক্ত সতৰ্কবাণীৰ পৰা সৃষ্টি হ'ব পৰা বিভ্ৰান্তি। যদি প্ৰয়োজনতকৈ বেছি বাৰ্তা পঠোৱা হয়, তেন্তে ৰাইজে তাৰ গুৰুত্ব ক্ষীণ কৰিব পাৰে। গতিকে এএছডিএমএই নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিতহে সতৰ্কবাণী জাৰি কৰা উচিত। লগতে, এই ব্যৱস্থাৰ কাৰ্যকাৰিতা নিয়মীয়াভাৱে পৰীক্ষা কৰি ৰাখিব লাগিব।

চৰকাৰে চেল ব্ৰডকাষ্টৰ লগতে আন দুটা সমান্তৰাল পদক্ষেপ গ্ৰহণ কৰা উচিত। প্ৰথম- নেটৱৰ্ক অবিহীন অঞ্চলত চেটেলাইট আধাৰিত অন্য যোগাযোগ ব্যৱস্থা গঢ়ি তোলা। দ্বিতীয়- স্থানীয় পৰ্যায়ত স্বেচ্ছাসেৱী সংস্থা, স্কুল-কলেজ, গাঁও পঞ্চায়তৰ জৰিয়তে গণসচেতনতা অভিযান চলোৱা, যাতে ৰাইজে এই বাৰ্তা পাই কেনে প্ৰতিকাৰ কৰিব লাগে সেয়া জানে।

চেল ব্ৰডকাষ্ট ব্যৱস্থা অসমৰ দুৰ্যোগ পূৰ্ব সতৰ্কীকৰণ ব্যৱস্থাত এক যুগান্তকাৰী সংযোজন। কিন্তু ই কোনো যাদুকৰী সমাধান নহয়। সঠিক পৰিকল্পনা, সুসংহত প্ৰয়োগ, নিয়মিত মূল্যায়ন আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণহে ইয়াক সফল কৰি তুলিব। আশা কৰোঁ, এএছডিএমএ আৰু চৰকাৰে এই দিশবোৰলৈ গুৰুত্ব দি অসমক দুৰ্যোগ-সহিষ্ণু ৰাজ্য হিচাপে গঢ় দিয়াত অগ্ৰণী ভূমিকা ল'ব। অসমবাসী হিচাপে আমিও সজাগ হৈ চৰকাৰক সহযোগিতা আগবঢ়োৱাই কৰ্তব্য।

# মধ্যপ্ৰাচ্যৰ সংঘাত আৰু বিশ্ব অৰ্থনীতি



হিমাংশু ৰঞ্জন ভূঞা

*সংঘাতৰ ফলশ্ৰুতিত সৃষ্টি হোৱা শক্তি সংকটৰ পৰৱৰ্তী আৰু আটাইতকৈ ভয়াৱহ পৰ্যায়টো হৈছে মুদ্ৰাস্ফীতি বা বস্তুৰ অস্বাভাৱিক মূল্যবৃদ্ধি। যেতিয়া ইন্ধন আৰু পৰিবহণৰ ব্যয় বৃদ্ধি পায়, তেতিয়া বজাৰত উপলব্ধ প্ৰতিটো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য স্বাভাৱিকতেই আকাশলংঘী হৈ পৰে। খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি ঔষধ-পাতি, বস্ত্ৰ আৰু অন্যান্য সকলো দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ দাম বৃদ্ধি হোৱাৰ ফলত সাধাৰণ জনসাধাৰণৰ ক্ৰয় ক্ষমতা দ্ৰুতগতিত হ্ৰাস পায়। এই মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিবলৈ বিশ্বৰ বিভিন্ন দেশৰ কেন্দ্ৰীয় বেংকসমূহে এক কঠোৰ বিত্তীয় নীতি গ্ৰহণ কৰিবলৈ বাধ্য হয়। সাধাৰণতে এনে পৰিস্থিতিত বেংকসমূহে সুতৰ হাৰ বৃদ্ধি কৰে যাতে বজাৰত ধনৰ প্ৰচলন হ্ৰাস পায় আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণলৈ আহে।*

ভৌগোলিক অৱস্থান আৰু প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যৰ বাবে মধ্যপ্ৰাচ্য আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অৰ্থনীতিৰএক অতি গুৰুত্বপূৰ্ণ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত। এই অঞ্চলটোত দেখা দিয়া যিকোনো ধৰণৰ ৰাজনৈতিক বা সামৰিক সংঘাতে কেৱল সেই নিৰ্দিষ্ট দেশকেইখনৰ ভৌগোলিক পৰিসীমাৰ ভিতৰতে আৱদ্ধ নাথাকে, বৰঞ্চ ইয়াৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ সমগ্ৰ বিশ্বৰ অৰ্থনৈতিক গাঁথনিৰ ওপৰত পৰে। সাধাৰণতে মধ্যপ্ৰাচ্যৰ কথা ক'লেই শক্তি খণ্ড বা তেলৰ বজাৰৰ কথা মনলৈ আহে যদিও ইয়াৰ প্ৰভাৱ কেৱল ইয়াতেই সীমিত নহয়। এই সংঘাতবোৰে বিশ্বৰ লজিষ্টিকছ বা যাতায়াত ব্যৱস্থা, মুদ্ৰাৰ মূল্য, বিনিয়োগকাৰীৰ মনস্তত্ত্ব আৰু সামগ্ৰিকভাৱে গোলকীয় মুদ্ৰাস্ফীতিৰ ওপৰতো গভীৰ প্ৰভাৱ পেলায়। যেতিয়া ৰাষ্ট্ৰসমূহৰ মাজত ভূ-ৰাজনৈতিক উত্তেজনা বৃদ্ধি পায়, তেতিয়া স্বাভাৱিকতেই বাণিজ্যৰ পথসমূহ বাধাগ্ৰস্ত হয় আৰু ইয়াৰ ফলশ্ৰুতিত সমগ্ৰ বিশ্বৰ উৎপাদন ব্যৱস্থাটোৱেই এক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। এই পৰিস্থিতিত আৱেগিক বা ৰাজনৈতিক দৃষ্টিকোণৰ পৰিৱৰ্তে এক নিৰপেক্ষ আৰু গাণিতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে মধ্যপ্ৰাচ্যৰ অস্থিৰতা প্ৰকৃততে এক গোলকীয় অৰ্থনৈতিক বোজা, যিটো পৃথিৱীৰ প্ৰতিখন দেশে নিজৰ সামৰ্থ্য অনুসৰি বহন কৰিবলৈ বাধ্য হয়। যিকোনো দেশৰ অৰ্থনৈতিক বিকাশ নিৰ্ভৰ কৰে এক সুস্থিৰ আৰু নীৰৱচ্ছিন্ন যোগান ব্যৱস্থাৰ ওপৰত। কিন্তু যেতিয়া মধ্যপ্ৰাচ্যৰ দৰে এক কৌশলগতভাৱে গুৰুত্বপূৰ্ণ অঞ্চলত যুদ্ধ বা সংঘাতৰ সৃষ্টি হয়, তেতিয়া এই যোগান ব্যৱস্থাত সম্পূৰ্ণৰূপে আউল লাগে। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু বাণিজ্যৰ এই নিবিড় বান্ধোনৰ বাবেই আজিৰ দিনত প্ৰতিখন দেশৰ নীতি নিৰ্ধাৰকসকলে মধ্যপ্ৰাচ্যৰ পৰিস্থিতিৰ ওপৰত অহৰহ তীক্ষ্ণ নজৰ ৰাখিবলগীয়া হয়। তাত ঘটা একোটা সৰু ঘটনাইও বিশ্বৰ শ্বেয়াৰ বজাৰৰ পৰা আৰম্ভ কৰি সাধাৰণ গ্ৰাহকৰ পাকঘৰলৈকে প্ৰভাৱ পেলাব পাৰে। সেয়েহে এই অঞ্চলৰ সংঘাতক কেৱল এক আঞ্চলিক সমস্যা বুলি গণ্য কৰাটো এক বৃহৎ অৰ্থনৈতিক ভুল হিচাপে পৰিগণিত হয়। বিশ্বৰ প্ৰতিখন দেশৰ অৰ্থনৈতিক সমৃদ্ধি আৰু বজাৰৰ সুস্থিৰতা এই নিৰ্দিষ্ট অঞ্চলটোৰ শান্তিৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল হৈ পৰিছে।

বিশ্ব অৰ্থনীতিৰ প্ৰধান চালিকা শক্তি হৈছে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, আৰু এই ক্ষেত্ৰত মধ্যপ্ৰাচ্যৰ আধিপত্য সম্পূৰ্ণৰূপে অবিতৰ্কিত। চৌদি আৰব, ইৰান, ইৰাক, সংযুক্ত আৰব আমিৰশ্বাহী আদি দেশসমূহ গোলকীয় শক্তি যোগানৰ মূল মেৰুদণ্ড। যেতিয়াই এই অঞ্চলত কোনো ধৰণৰ সামৰিক উত্তেজনা বা যুদ্ধৰ সূত্ৰপাত হয়, তেতিয়াই আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰে। তেলৰ মূল্যৰ এই বৃদ্ধিয়ে সমগ্ৰ বিশ্বৰ উৎপাদন আৰু পৰিবহণ খণ্ডত লগে লগে এক বৃহৎ সংকটৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, হৰমুজৰ দৰে এক অতি গুৰুত্বপূৰ্ণ আৰু সংকীৰ্ণ জলপথৰ মাজেৰে বিশ্বৰ মুঠ তেল সৰবৰাহৰ এক বৃহৎ অংশ পাৰ হৈ যায়। যদি কোনো কাৰণত সংঘাতৰ বাবে এই জলপথটো বন্ধ হৈ পৰে বা তাত যাতায়াত বাধাগ্ৰস্ত হয়, তেন্তে সমগ্ৰ বিশ্বতে শক্তিৰ এক অভাৱনীয় নাটনিয়ে দেখা দিব। এই পৰিস্থিতিত উৎপাদনকাৰী প্ৰতিষ্ঠানসমূহে নিজৰ যন্ত্ৰ-পাতি চলাবলৈ অধিক মূল্য ভৰিবলগীয়া হয়, আৰু পৰিবহণ খণ্ডই সামগ্ৰীসমূহ এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিবলৈ অধিক ইন্ধনৰ খৰচ বহন কৰিবলগীয়া হয়। ইয়াৰ ফলত প্ৰতিটো সামগ্ৰীৰ উৎপাদন ব্যয় বৃদ্ধি পায়। কৃষি খণ্ডৰ পৰা আৰম্ভ কৰি বৃহৎ উদ্যোগলৈকে সকলোতে ইন্ধনৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। ট্ৰেক্টৰ চলোৱাৰ পৰা আৰম্ভ কৰি সাৰ উৎপাদনলৈকে সকলোতে পেট্ৰ'লিয়াম জাত সামগ্ৰীৰ প্ৰভাৱ থাকে। সেয়েহে তেলৰ মূল্যবৃদ্ধিয়ে কেৱল গাড়ী-মটৰ চলোৱাৰ খৰচেই বৃদ্ধি নকৰে, বৰঞ্চ ই মানুহৰ দৈনন্দিন জীৱন ধাৰণৰ প্ৰক্ৰিয়াটোকো প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। এখন সাধাৰণ দেশৰ বাবে যিখন দেশে নিজৰ প্ৰয়োজনীয় শক্তিৰ সৰহভাগ আমদানি কৰিবলগীয়া হয়, এনে মূল্যবৃদ্ধিয়ে দেশখনৰ অৰ্থনৈতিক ভাৰসাম্য সম্পূৰ্ণৰূপে বিনষ্ট কৰিব পাৰে। চৰকাৰে উন্নয়নমূলক কাম-কাজৰ পৰা ধন কৰ্তন কৰি ইন্ধনৰ ক্ৰয়ত ব্যয় কৰিবলৈ বাধ্য হয়, যাৰ ফলত দেশৰ সামগ্ৰিক আন্তঃগাঁথনিমূলক বিকাশ স্থবিৰ হৈ পৰে। এই সমগ্ৰ প্ৰক্ৰিয়াটো কোনো আৱেগিক বিষয় নহয়, বৰঞ্চ ই এক কঠোৰ অৰ্থনৈতিক বাস্তৱ যিটো মধ্যপ্ৰাচ্যৰ প্ৰতিটো সংঘাতৰ লগে লগে পুনৰাবৃত্তি হৈ থাকে। অৰ্থনৈতিক পৰিসংখ্যাসমূহে স্পষ্টভাৱে দেখুৱায় যে শক্তিৰ বজাৰত হোৱা এক শতাংশ বৃদ্ধিয়েও বিশ্বৰ জিডিপিত কেনেদৰে ঋণাত্মক প্ৰভাৱ পেলাব পাৰে।

সংঘাতৰ ফলশ্ৰুতিত সৃষ্টি হোৱা শক্তি সংকটৰ পৰৱৰ্তী আৰু আটাইতকৈ ভয়াৱহ পৰ্যায়টো হৈছে মুদ্ৰাস্ফীতি বা বস্তুৰ অস্বাভাৱিক মূল্যবৃদ্ধি। যেতিয়া ইন্ধন আৰু পৰিবহণৰ ব্যয় বৃদ্ধি পায়, তেতিয়া বজাৰত উপলব্ধ প্ৰতিটো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য স্বাভাৱিকতেই আকাশলংঘী হৈ পৰে। খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি ঔষধ-পাতি, বস্ত্ৰ আৰু অন্যান্য সকলো দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ দাম বৃদ্ধি হোৱাৰ ফলত সাধাৰণ জনসাধাৰণৰ ক্ৰয় ক্ষমতা দ্ৰুতগতিত হ্ৰাস পায়। এই মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিবলৈ বিশ্বৰ বিভিন্ন দেশৰ কেন্দ্ৰীয় বেংকসমূহে এক কঠোৰ বিত্তীয় নীতি গ্ৰহণ কৰিবলৈ বাধ্য হয়। সাধাৰণতে এনে পৰিস্থিতিত বেংকসমূহে সুতৰ হাৰ বৃদ্ধি কৰে যাতে বজাৰত ধনৰ প্ৰচলন হ্ৰাস পায় আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণলৈ আহে। কিন্তু সুতৰ হাৰ বৃদ্ধিৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ বাবে ঋণ লোৱাটো অত্যন্ত ব্যয়বহুল হৈ পৰে। নতুন উদ্যোগ স্থাপন কৰা বা পুৰণি ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰাৰ পৰিৱৰ্তে উদ্যোগপতিসকলে নিজৰ ব্যয় সংকোচন কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰে নিয়োগ বজাৰৰ ওপৰত। নতুন নিযুক্তি সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে আৰু বহু ক্ষেত্ৰত চলি থকা কৰ্মচাৰীসকলকো চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। অৰ্থাৎ, মধ্যপ্ৰাচ্যৰ এক ৰাজনৈতিক সংঘাতে হাজাৰ হাজাৰ মাইল দূৰৈত থকা এখন দেশৰ এজন সাধাৰণ নাগৰিকৰ চাকৰি বা উপাৰ্জনৰ পথটো মুহূৰ্তৰ ভিতৰতে কাঢ়ি নিব পাৰে। এই সমগ্ৰ পৰিঘটনাটোৱে প্ৰমাণ কৰে যে বৰ্তমানৰ গোলকীয় অৰ্থনীতিত কোনো দেশেই সম্পূৰ্ণৰূপে স্বাৱলম্বী নহয় আৰু বাহ্যিক কাৰকসমূহৰ পৰা মুক্ত নহয়। মুদ্ৰাস্ফীতি কেৱল এটা গাণিতিক পৰিসংখ্যা নহয়, ই হৈছে অৰ্থনৈতিক অস্থিৰতাৰ এক স্পষ্ট প্ৰতিফলন যিয়ে এখন সমাজৰ আৰ্থ-সামাজিক গাঁথনিটোক ভিতৰৰ পৰা দুৰ্বল কৰি পেলায়। যেতিয়া মানুহে নিজৰ প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ অহৰহ সংগ্ৰাম কৰিবলগীয়া হয়, তেতিয়া শিক্ষা, স্বাস্থ্য আৰু আন আন গঠনমূলক দিশবোৰৰ প্ৰতি তেওঁলোকৰ মনোযোগ আৰু সামৰ্থ্য একেবাৰেই হ্ৰাস পায়। ইয়াৰ ফলশ্ৰুতিত দীৰ্ঘম্যাদীভাৱে মানৱ সম্পদৰ বিকাশত এক বৃহৎ প্ৰাচীৰৰ সৃষ্টি হয়, যিটো অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা অপূৰণীয় ক্ষতি।

বিশ্ব বাণিজ্যৰ এক বুজন অংশ জলপথেৰে সম্পন্ন হয় আৰু এই ক্ষেত্ৰত লোহিত সাগৰ আৰু ছুৱেজ খালৰ ভূমিকা অপৰিসীম। ইউৰোপ আৰু এছিয়াৰ মাজত বাণিজ্যৰ বাবে এইটোৱেই আটাইতকৈ চমু আৰু সুবিধাজনক পথ। কিন্তু মধ্যপ্ৰাচ্যত সংঘাত আৰম্ভ হ'লেই এই জলপথসমূহ লগে লগে নিৰাপত্তাহীন হৈ পৰে। বাণিজ্যিক জাহাজসমূহৰ ওপৰত সামৰিক আক্ৰমণৰ আশংকাত বেছিভাগ আগশাৰীৰ জাহাজ কোম্পানীয়ে এই পথটো পৰিহাৰ কৰিবলৈ বাধ্য হয় আৰু তাৰ পৰিৱৰ্তে আফ্ৰিকা মহাদেশৰ দক্ষিণে থকা উত্তমাশা অন্তৰীপৰ মাজেৰে এক দীঘলীয়া পথেৰে যাতায়াত কৰিবলৈ সিদ্ধান্ত লয়। এই অতিৰিক্ত দূৰত্ব অতিক্ৰম কৰিবলৈ জাহাজবোৰক বহু দিন অতিৰিক্তভাৱে প্ৰয়োজন হয় আৰু লগতে ইন্ধনৰ খৰচো বহুগুণে বৃদ্ধি পায়। ইয়াৰ উপৰিও সংঘাতপূৰ্ণ অঞ্চলৰ কাষেৰে পাৰ হৈ যোৱা জাহাজসমূহৰ বীমাৰ মাচুল আকাশলংঘী হৈ পৰে। এই সকলোবোৰ অতিৰিক্ত ব্যয় অৱশেষত গৈ সামগ্ৰীটোৰ চূড়ান্ত মূল্যৰ সৈতে যোগ হয়, যাৰ সম্পূৰ্ণ বোজা সাধাৰণ গ্ৰাহকে নিজৰ মূৰত বহন কৰিবলগীয়া হয়। আনহাতে, যাতায়াতৰ সময় বৃদ্ধি পোৱাৰ ফলত সমগ্ৰ উৎপাদন ব্যৱস্থাতো তীব্ৰ ব্যাঘাত জন্মে। বৰ্তমানৰ বহুতো উদ্যোগে সঠিক সময়ত সামগ্ৰী যোগান ধৰা নীতিৰ ওপৰত ভিত্তি কৰি কাম কৰে, য'ত গুদাম ঘৰত বেছি সামগ্ৰী জমা কৰি ৰখা নহয়। এনে পৰিস্থিতিত জাহাজ আহি পোৱাত পলম হ'লে কাৰখানাৰ কাম-কাজ সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। এটা সাধাৰণ ইলেক্ট্ৰনিক সামগ্ৰী বা গাড়ীৰ এটা সৰু অংশৰ অভাৱত সমগ্ৰ উৎপাদন প্ৰক্ৰিয়াটোৱেই নিমিষতে থমকি ৰ'ব পাৰে। এই যোগান শৃংখলৰ বাধাগ্ৰস্ততাই বিশ্বজুৰি এক গভীৰ অৰ্থনৈতিক অনিশ্চয়তাৰ সৃষ্টি কৰে, য'ত কোনো ব্যৱসায়ীয়েই নিজৰ ভৱিষ্যতৰ পৰিকল্পনাসমূহ সঠিকভাৱে নিৰ্ধাৰণ কৰিব নোৱাৰে। এই বাধাগ্ৰস্ততাৰ ফলত সৃষ্টি হোৱা ক্ষতি কেৱল আৰ্থিক নহয়, ই গোলকীয় বাণিজ্যৰ বিশ্বাসযোগ্যতা আৰু কাৰ্যক্ষমতাৰ ওপৰতো এক ডাঙৰ প্ৰশ্নবোধক চিহ্নৰ সৃষ্টি কৰে। উৎপাদন আৰু বিতৰণৰ মাজত থকা এই নিখুঁত সমলয়টো যেতিয়া ভংগ হয়, তেতিয়া বজাৰত এক কৃত্ৰিম নাটনিয়ে দেখা দিয়ে আৰু ই অৰ্থনৈতিক গাঁথনিটোক আৰু অধিক জটিল কৰি তোলে।

মধ্যপ্ৰাচ্যৰ সংঘাতৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে উন্নয়নশীল আৰু উদীয়মান অৰ্থনীতিৰ দেশসমূহ। ভাৰতৰ দৰে দেশবোৰে নিজৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ প্ৰায় আশী শতাংশতকৈয়ো অধিক বিদেশৰ পৰা আমদানি কৰে। যেতিয়া আন্তঃৰাষ্ট্ৰীয় বজাৰত তেলৰ মূল্য বৃদ্ধি পায়, তেতিয়া এই দেশসমূহে তেল কিনিবলৈ অধিক পৰিমাণৰ ডলাৰ খৰচ কৰিবলগীয়া হয়। ইয়াৰ ফলত দেশৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰে আৰু আমেৰিকান ডলাৰৰ তুলনাত স্থানীয় মুদ্ৰাৰ মূল্য অস্বাভাৱিকভাৱে অৱনমিত হয়। মুদ্ৰাৰ এই পতন বা অৱনমনে দেশখনৰ সমগ্ৰ আমদানি ব্যৱস্থাটোক অধিক ব্যয়বহুল কৰি তোলে, অৰ্থাৎ কেৱল তেলৰ মূল্যবৃদ্ধিয়েই নহয়, বিদেশৰ পৰা অহা প্ৰতিটো যন্ত্ৰাংশ, প্ৰযুক্তি বা কেঁচামালৰ বাবেও অধিক ধন ভৰিবলগীয়া হয়। চৰকাৰৰ বাবে এই পৰিস্থিতি এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰে। জনসাধাৰণক মূল্যবৃদ্ধিৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে ইন্ধনৰ ওপৰত ৰাজসাহায্য প্ৰদান কৰিবলৈ বাধ্য হয়, যাৰ ফলত চৰকাৰী ৰাজকোষৰ ওপৰত তীব্ৰ হেঁচা পৰে আৰু দেশৰ বিত্তীয় ঘাটি বৃদ্ধি পায়। বিত্তীয় ঘাটি বৃদ্ধি পালে চৰকাৰে বাধ্য হৈ বজাৰৰ পৰা অধিক ঋণ ল'বলগীয়া হয়, যিয়ে পৰৱৰ্তী সময়ত সমগ্ৰ দেশৰ অৰ্থনৈতিক স্থিৰতাৰ প্ৰতি এক ভয়ংকৰ ভাবুকি কঢ়িয়াই আনে। আনহাতে, শিক্ষা, স্বাস্থ্য, কৃষি বা আন্তঃগাঁথনিমূলক উন্নয়নৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহৰ পৰা ধন কৰ্তন কৰি চৰকাৰে এই বিত্তীয় ঘাটি পূৰণ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ ফলত দেশখনৰ দীৰ্ঘম্যাদী উন্নয়নৰ হাৰ সম্পূৰ্ণৰূপে বাধাগ্ৰস্ত হয়। এখন দেশৰ দৰিদ্ৰ জনসাধাৰণৰ জীৱন আৰু জীৱিকাৰ ওপৰত ইয়াৰ প্ৰভাৱ আটাইতকৈ বেছি পৰে, কাৰণ তেওঁলোকৰ উপাৰ্জন বৃদ্ধি নাপায় কিন্তু জীয়াই থকাৰ খৰচ অস্বাভাৱিকভাৱে বাঢ়ি যায়। সেয়েহে, মধ্যপ্ৰাচ্যৰ অস্থিৰতাই উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক প্ৰগতিত এক বৃহৎ হেঙাৰ হিচাপে থিয় দিয়ে, যাক অতিক্ৰম কৰাটো অত্যন্ত কঠিন হৈ পৰে আৰু এই পৰিস্থিতিয়ে দেশবোৰক ঋণৰ এক দুৰ্লংঘ্য মেৰপেঁচত আৱদ্ধ কৰি পেলায়।

মধ্যপ্ৰাচ্যৰ যিকোনো সংঘাতেই বিশ্বৰ শ্বেয়াৰ বজাৰত লগে লগে তীব্ৰ অনিশ্চয়তাৰ বীজ সিঁচি দিয়ে। যুদ্ধৰ খবৰ বিয়পি পৰাৰ লগে লগেই বিনিয়োগকাৰীসকলৰ মাজত এক স্বাভাৱিক আতংকৰ সৃষ্টি হয় আৰু তেওঁলোকে বিপদসংকুল বিনিয়োগৰ পৰা আঁতৰি আহি নিৰাপদ স্থানত ধন বিনিয়োগ কৰিবলৈ আৰম্ভ কৰে। শ্বেয়াৰ বজাৰৰ পৰা বৃহৎ পৰিমাণৰ মূলধন উলাই যোৱাৰ ফলত বজাৰৰ সূচকাংক দ্ৰুতগতিত পতন হয় আৰু বহুতো লাভজনক কোম্পানীৰো বজাৰ মূল্য হ্ৰাস পায়। এনে পৰিস্থিতিত বিনিয়োগকাৰীসকলে সাধাৰণতে সোণ, আমেৰিকান ডলাৰ বা উন্নত দেশৰ চৰকাৰী বণ্ডৰ দৰে নিৰাপদ সম্পত্তিত ধন বিনিয়োগ কৰিবলৈ শ্ৰেয় বুলি ভাৱে। ইয়াৰ ফলত উন্নয়নশীল দেশসমূহৰ শ্বেয়াৰ বজাৰৰ পৰা বিদেশী বিনিয়োগকাৰীসকলে নিজৰ মূলধন একেৰাতিয়ে ঘূৰাই লৈ যায়, যাক মূলধনৰ পলায়ন বুলি কোৱা হয়। মূলধনৰ এই পলায়নে দেশখনৰ অৰ্থনীতিক এক গভীৰ সংকটত পেলায়, কাৰণ ব্যৱসায়িক সম্প্ৰসাৰণ আৰু নতুন কৰ্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় বৈদেশিক বিনিয়োগৰ অভাৱ ঘটিবলৈ ধৰে। তদুপৰি, সংঘাতপূৰ্ণ অঞ্চলসমূহত থকা আন্তঃৰাষ্ট্ৰীয় প্ৰকল্প আৰু বিনিয়োগসমূহো সম্পূৰ্ণ অনিশ্চয়তাৰ গৰ্ভত সোমাই পৰে। বহুতো বৃহৎ বহুজাতিক কোম্পানীয়ে নিজৰ কৰ্মচাৰী আৰু সম্পত্তিৰ নিৰাপত্তাৰ খাতিৰত সেই অঞ্চলসমূহৰ পৰা নিজৰ কাৰ্যালয় আৰু উৎপাদন কেন্দ্ৰসমূহ বন্ধ কৰি দিবলৈ বাধ্য হয়। ইয়াৰ ফলত কেৱল সেই নিৰ্দিষ্ট অঞ্চলটোৱেই নহয়, সমগ্ৰ বিশ্বৰ লজিষ্টিক আৰু যোগান ব্যৱস্থাটোতেই এক বিৰূপ প্ৰভাৱ পৰে। বিনিয়োগৰ এই খৰাং অৱস্থাই গোলকীয় অৰ্থনৈতিক প্ৰবৃদ্ধিক দীৰ্ঘ সময়ৰ বাবে স্থবিৰ কৰি তোলে। ব্যৱসায়ীসকলে নতুন উদ্যোগ স্থাপনৰ পৰিৱৰ্তে বৰ্তমানৰ মূলধন সুৰক্ষিত কৰাতহে অধিক গুৰুত্ব দিয়ে। এনে এক শ্বাসৰুদ্ধকৰ অৰ্থনৈতিক পৰিৱেশত উদ্ভাৱন আৰু প্ৰযুক্তিগত বিকাশৰ হাৰো মন্থৰ হৈ পৰে, যিয়ে পৰৱৰ্তী সময়ত মানৱ সমাজৰ সামগ্ৰিক প্ৰগতিত এক অত্যন্ত ঋণাত্মক প্ৰভাৱ পেলায়।

মধ্যপ্ৰাচ্যৰ অহৰহ সংঘাতে কেৱল সেই অঞ্চললৈ নহয়, সমগ্ৰ বিশ্বৰ প্ৰতিৰক্ষা ব্যয়ৰ হাৰ অস্বাভাৱিকভাৱে বৃদ্ধি কৰিছে, যিটো বিশ্ব অৰ্থনীতিৰ বাবে এক অত্যন্ত উদ্বেগজনক বিষয়। সুৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ অজুহাতত প্ৰতিখন দেশেই এতিয়া অস্ত্ৰ-শস্ত্ৰ ক্ৰয় আৰু সামৰিক প্ৰস্তুতিত নিজৰ ৰাষ্ট্ৰীয় আয়ৰ এক বুজন অংশ ব্যয় কৰিবলৈ বাধ্য হৈছে। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা তীক্ষ্ণভাৱে চালে, প্ৰতিৰক্ষা খণ্ডত কৰা এনে বৃহৎ বিনিয়োগ সাধাৰণতে অনুৎপাদনশীল বুলি গণ্য কৰা হয়, কাৰণ ইয়াৰ পৰা সমাজলৈ কোনো ধৰণৰ প্ৰত্যক্ষ আৰ্থিক লাভালাভ ঘূৰি নাহে। এখন দেশে যিমান ধন এখন যুঁজাৰু বিমান বা এক আধুনিক ক্ষেপণাস্ত্ৰ ক্ৰয় কৰিবলৈ ব্যয় কৰে, ঠিক সিমান ধনেৰে দেশখনত কেইবাখনো অত্যাধুনিক চিকিৎসালয়, গৱেষণা কেন্দ্ৰ, বিশ্ববিদ্যালয় বা বৃহৎ ঔদ্যোগিক প্ৰকল্প গঢ়ি তুলিব পৰা গ'লহেঁতেন। এইটোৱেই হৈছে প্ৰকৃত অৰ্থনৈতিক সুযোগ ব্যয় বা ধনৰ অপচয়ৰ এক জ্বলন্ত নিদৰ্শন। যি সময়ত বিশ্বৰ বহুতো দেশে দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু পৰিৱেশ জনিত ভয়াৱহ সমস্যাক মুখামুখি কৰিছে, সেই সময়ত নিৰৰ্থক অস্ত্ৰ প্ৰতিযোগিতাত বিলিয়ন বিলিয়ন ডলাৰ ব্যয় হোৱাটো সামগ্ৰিক অৰ্থনীতিৰ বাবে এক অপূৰণীয় ক্ষতি। মধ্যপ্ৰাচ্যৰ অস্থিৰতাই বৃহৎ অস্ত্ৰ নিৰ্মাতা কোম্পানীসমূহক লাভান্বিত কৰিলেও, গোলকীয় অৰ্থনীতিৰ মূল মানৱীয় ভেটিটোক ই ক্ৰমশঃ দুৰ্বল আৰু ফোঁপোলা কৰি পেলায়। যুদ্ধত বিধ্বস্ত হোৱা আন্তঃগাঁথনিসমূহ পুনৰ নিৰ্মাণ কৰিবলৈয়ো যুদ্ধৰ পাছত এক বৃহৎ পৰিমাণৰ ধনৰ আৱশ্যক হয়, যিটো আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সংস্থাসমূহৰ বাবে এক অতিৰিক্ত বোজা হৈ পৰে। লগতে সংঘাতৰ ফলত সৃষ্টি হোৱা শৰণাৰ্থী সমস্যায়ো চুবুৰীয়া দেশসমূহৰ লগতে অন্যান্য ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিত গভীৰ চাপ প্ৰয়োগ কৰে। এই লাখ লাখ মানুহক আশ্ৰয়, খাদ্য আৰু চিকিৎসা প্ৰদান কৰাটো যিকোনো দেশৰ অৰ্থনীতিৰ বাবেই এক বৃহৎ প্ৰত্যাহ্বান, যিয়ে পৰৱৰ্তী সময়ত সেই দেশৰ স্থানীয় সম্পদ, বজাৰ আৰু নিয়োগ ব্যৱস্থাতো তীব্ৰ অস্থিৰতাৰ সৃষ্টি কৰে।

অৱশ্যে মধ্যপ্ৰাচ্যৰ এই অবিৰত সংঘাতে বিশ্ব অৰ্থনীতিলৈ আন এক সুদূৰপ্ৰসাৰী গাঁথনিগত পৰিৱৰ্তনো কঢ়িয়াই আনিছে, আৰু সেয়া হৈছে শক্তিৰ উৎসৰ পৰিৱৰ্তন প্ৰক্ৰিয়া। বাৰে বাৰে সৃষ্টি হোৱা শক্তি সংকট আৰু তেলৰ নিৰ্ভৰযোগ্যতাৰ অভাৱে বিশ্বৰ উন্নত দেশসমূহক নৱীকৰণযোগ্য শক্তিৰ উৎসসমূহৰ সন্ধানত দ্ৰুতগতিত আগবাঢ়ি যাবলৈ বাধ্য কৰাইছে। সৌৰ শক্তি, বতাহ শক্তি আৰু অন্যান্য সেউজ শক্তিৰ প্ৰতি বিনিয়োগ আৰু গৱেষণা অভূতপূৰ্ব হাৰত বৃদ্ধি পাইছে। ইয়াৰ মূল কাৰণ কেৱল পৰিৱেশ ৰক্ষাই নহয়, বৰঞ্চ ৰাষ্ট্ৰীয় শক্তি সুৰক্ষা নিশ্চিত কৰাটোৱেই হৈছে ইয়াৰ প্ৰধান আৰু কঠোৰ অৰ্থনৈতিক লক্ষ্য। যিবোৰ দেশে প্ৰযুক্তি আৰু উদ্ভাৱনত আগবাঢ়ি আছে, তেওঁলোকে এতিয়া বৈদ্যুতিক বাহন আৰু উন্নত বেটাৰী নিৰ্মাণৰ দৰে খণ্ডত বৃহৎ পৰিমাণৰ মূলধন বিনিয়োগ কৰিছে। এই নিৰন্তৰ পৰিৱৰ্তনে ভৱিষ্যতৰ গোলকীয় অৰ্থনীতিৰ মানচিত্ৰখন সম্পূৰ্ণৰূপে সলনি কৰি পেলোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। যিবোৰ দেশ কেৱল পেট্ৰ'লিয়াম ৰপ্তানিৰ ওপৰতেই নিৰ্ভৰশীল, তেওঁলোকৰ বাবে এই পৰিৱৰ্তন এক বৃহৎ অৰ্থনৈতিক ভাবুকি স্বৰূপ। যদি আগন্তুক দশকবোৰত বিশ্বৰ শক্তি ব্যৱস্থাটো নৱীকৰণযোগ্য শক্তিৰ ওপৰত প্ৰতিষ্ঠিত হয়, তেন্তে মধ্যপ্ৰাচ্যৰ বৰ্তমানৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা বহুলাংশে হ্ৰাস পাব। কিন্তু এই পৰিৱৰ্তন প্ৰক্ৰিয়াটো একেবাৰে সহজ বা বিনামূলীয়া নহয়। ইয়াৰ বাবে প্ৰয়োজন হ'ব ট্ৰিলিয়ন ডলাৰৰ নতুন বিনিয়োগ আৰু বৰ্তমানৰ আন্তঃগাঁথনিৰ সম্পূৰ্ণ আমূল পৰিৱৰ্তন। সামগ্ৰিকভাৱে এই শক্তি পৰিৱৰ্তনে সাময়িকভাৱে এক বৃহৎ অৰ্থনৈতিক বোজাৰ সৃষ্টি কৰিলেও, দীৰ্ঘম্যাদীভাৱে ই বিশ্ব অৰ্থনীতিক তেলৰ মূল্যৰ আকস্মিক উঠা-নমাৰ পৰা ৰক্ষা কৰিব বুলি নিশ্চিতভাৱে আশা কৰিব পাৰি। এই ক্ষেত্ৰতো পৰিসংখ্যাই প্ৰমাণ কৰে যে মধ্যপ্ৰাচ্যৰ সংঘাত কেৱল ধ্বংসৰ কাৰণেই নহয়, ই আওপকীয়াকৈ বিশ্বৰ অৰ্থনৈতিক ব্যৱস্থাটোৰ এক গাঁথনিগত সংস্কাৰৰ বাবেও এক শক্তিশালী অনুঘটক হিচাপে কাম কৰি আছে, যিটোৱে ভৱিষ্যতৰ বাণিজ্যিক সমীকৰণ সলনি কৰিব।

সামৰণিত ক'ব পাৰি যে যেতিয়ালৈকে বিশ্বৰ প্ৰধান শক্তি ব্যৱস্থাটো জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ জলপথসমূহ এই অঞ্চলৰ মাজেৰে পাৰ হৈ যাব, তেতিয়ালৈকে মধ্যপ্ৰাচ্যৰ সামান্যতম অস্থিৰতায়ো সমগ্ৰ পৃথিৱীৰ অৰ্থনীতিক ধাৰাবাহিকভাৱে কঁপাই থাকিব। এখন দেশৰ সাধাৰণ শ্ৰমিকৰ পৰা আৰম্ভ কৰি বৃহৎ বহুজাতিক নিগমৰ উচ্চপদস্থ বিষয়ালৈকে, কোনেই এই প্ৰভাৱৰ পৰা মুক্ত নহয়। সেয়েহে, এক সুস্থিৰ বিশ্ব অৰ্থনীতিৰ স্বাৰ্থত কেৱল সামৰিক বা কূটনৈতিক সমাধানেই কেতিয়াও যথেষ্ট নহয়, বৰঞ্চ এক সুদৃঢ় আৰু বৈচিত্ৰ্যময় গোলকীয় অৰ্থনৈতিক গাঁথনি নিৰ্মাণ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা। যোগান শৃংখলৰ বৈচিত্ৰ্যকৰণ, নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি আৰু কৌশলগত অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিলেহে ভৱিষ্যতে এনে বাহ্যিক সংঘাতৰ প্ৰভাৱৰ পৰা বিশ্বৰ বজাৰ ব্যৱস্থাক কিছু পৰিমাণে সুৰক্ষিত কৰিব পৰা যাব। বৰ্তমানৰ গোলকীয় ব্যৱস্থাত অৰ্থনীতি আৰু ভূ-ৰাজনীতি দুটা সুকীয়া বিষয় নহয়, বৰঞ্চ ইটো সিটোৰ প্ৰত্যক্ষ পৰিপূৰক আৰু চালিকা শক্তি। মধ্যপ্ৰাচ্যৰ ঘটনাক্ৰমবোৰে সকলো ৰাষ্ট্ৰকে বাৰে বাৰে সোঁৱৰাই দিয়ে যে নীৰৱচ্ছিন্ন অৰ্থনৈতিক নিৰাপত্তা অবিহনে কোনো ৰাষ্ট্ৰৰেই প্ৰকৃত স্বাধীনতা বা বাণিজ্যিক প্ৰগতি কেতিয়াও সম্ভৱ নহয়। গোলকীয় বাণিজ্যৰ প্ৰতিটো চুক্তি আৰু বজাৰৰ প্ৰতিটো উত্থান-পতনৰ আঁৰত এই আঞ্চলিক সংঘাতৰ নীৰৱ উপস্থিতি বিদ্যমান, যিয়ে নিৰন্তৰভাৱে বিশ্ব অৰ্থনীতিৰ সামগ্ৰিক গতিপথ আৰু ভৱিষ্যত নিৰ্ধাৰণ কৰি আছে।

# সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ মাধ্যম হ'ব পাৰে নে?

শিল্পা প্ৰিয়ম কুণ্ডিণ্য

মানৱ সভ্যতাৰ বিকাশৰ ইতিহাসত সাহিত্যই এক বিশেষ স্থান দখল কৰি আহিছে। সাহিত্য হৈছে সমাজৰ দাপোণ; ই মানুহৰ অনুভূতি, চিন্তা-চেতনা, আশা-আকাংক্ষা, সংস্কৃতি আৰু জীৱনদৰ্শনক প্ৰতিফলিত কৰে। যুগে যুগে সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিভিন্ন মাধ্যমৰ অৱদান আছে। এসময়ত সাহিত্যৰ প্ৰচাৰ মুখে মুখে হৈছিল, পিছলৈ পুথি, কাকত-আলোচনী, গ্ৰন্থ আৰু অন্যান্য ধৰণৰ মাধ্যমৰ জৰিয়তে সাহিত্যৰ বিস্তাৰ ঘটিছিল। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব উন্নয়নৰ ফলত বিশ্ব এখন সৰু গাঁৱৰ দৰে হৈ পৰিছে। এই পৰিৱৰ্তিত যুগত সামাজিক মাধ্যমসমূহে যোগাযোগৰ ক্ষেত্ৰত এক নতুন দিগন্ত উন্মোচন কৰিছে। ফেচবুক, ইউটিউব, ইনষ্টাগ্ৰাম, এক্স (টুইটাৰ), ব্লগ আদি সামাজিক মাধ্যমসমূহে কেৱল যোগাযোগৰ মাধ্যম হিচাপেই নহয়, সাহিত্য-চৰ্চা আৰু সাহিত্যৰ প্ৰসাৰৰ এক শক্তিশালী মঞ্চ হিচাপেও আত্মপ্ৰকাশ কৰিছে। সেয়েহে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ মাধ্যম হ'ব পাৰে নে নাই, এই বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে।

**সামাজিক মাধ্যম আৰু সাহিত্য ঃ**

সামাজিক মাধ্যম হৈছে এনে এক ডিজিটেল মঞ্চ, য'ত মানুহে নিজৰ মতামত, অভিজ্ঞতা, সৃষ্টিশীলতা আৰু জ্ঞান সহজে আনৰ লগত ভাগ-বতৰা কৰিব পাৰে। সাহিত্য মূলতঃ মানুহৰ মনৰ সৃষ্টিশীল প্ৰকাশ। যেতিয়া এই সৃষ্টিশীল প্ৰকাশ সামাজিক মাধ্যমৰ জৰিয়তে বহু লোকৰ ওচৰ পায়, তেতিয়া সাহিত্যৰ বিস্তাৰৰ নতুন পথ মুকলি হয়। সামাজিক মাধ্যমৰ সহায়ত এতিয়া এজন লেখকে নিজৰ কবিতা, গল্প, প্ৰবন্ধ, উপন্যাস বা সমালোচনা মুহূৰ্তৰ ভিতৰতে বিশ্বৰ যিকোনো প্ৰান্তৰ পাঠকৰ ওচৰলৈ পঠিয়াব পাৰে।

সামাজিক মাধ্যমৰ আটাইতকৈ ডাঙৰ সুবিধা হৈছে ইয়াৰ ব্যাপক প্ৰসাৰ ক্ষমতা। অতীতত কোনো লেখকৰ ৰচনা প্ৰকাশ কৰিবলৈ আলোচনী বা প্ৰকাশন সংস্থাৰ অনুমতিৰ প্ৰয়োজন হৈছিল। বহু প্ৰতিভাৱান লেখকেও সুযোগৰ অভাৱত নিজৰ সৃষ্টিশীলতাক প্ৰকাশ কৰিব নোৱাৰিছিল। কিন্তু সামাজিক মাধ্যমৰ যুগত সেই বাধা বহু পৰিমাণে দূৰ হৈছে। এতিয়া যিকোনো ব্যক্তিয়ে নিজৰ সাহিত্যিক সৃষ্টি অনলাইনত প্ৰকাশ কৰি পাঠকৰ সঁহাৰি লাভ কৰিব পাৰে।

ইয়াৰ উপৰিও সামাজিক মাধ্যমত বিভিন্ন সাহিত্যিক গোট, পৃষ্ঠা আৰু অনলাইন মঞ্চ গঢ় লৈ উঠিছে। এই গোটসমূহত সাহিত্য পাঠ, আলোচনা, সমালোচনা আৰু সাহিত্য-সম্পৰ্কীয় বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়। ফলত সাহিত্যৰ প্ৰতি আগ্ৰহী লোকসকল এক উমৈহতীয়া পৰিৱেশত একত্ৰিত হোৱাৰ সুযোগ লাভ কৰে।

সামাজিক মাধ্যম নতুন লেখক সৃষ্টিৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। বহু নবীন লেখকে নিজৰ প্ৰতিভা প্ৰথমে সামাজিক মাধ্যমৰ জৰিয়তেই প্ৰকাশ কৰিছে। পাঠকৰ ইতিবাচক সঁহাৰিয়ে তেওঁলোকক অধিক উৎসাহিত কৰে। বহু ক্ষেত্ৰত সামাজিক মাধ্যমত জনপ্ৰিয় হোৱা লেখকৰ গ্ৰন্থ পৰৱৰ্তী সময়ত প্ৰকাশিত হৈ ব্যাপক সমাদৰ লাভ কৰিছে। সেয়েহে সামাজিক মাধ্যমক নতুন সাহিত্যিক প্ৰতিভা বিকাশৰ এক উৰ্বৰ ভূমি বুলি কোৱা যায়।

সাহিত্যৰ বিকাশৰ বাবে গঠনমূলক আলোচনা আৰু সমালোচনা অতি প্ৰয়োজনীয়। সামাজিক মাধ্যমত পাঠক আৰু লেখকৰ মাজত প্ৰত্যক্ষ যোগাযোগ স্থাপন হয়। পাঠকে কোনো ৰচনা পঢ়ি নিজৰ মতামত প্ৰকাশ কৰিব পাৰে আৰু লেখকেও সেই মতামত গ্ৰহণ কৰি নিজৰ লিখনিশৈলী উন্নত কৰাৰ সুযোগ পায়। বিভিন্ন সাহিত্যিক আলোচনাচক্ৰ, লাইভ অনুষ্ঠান আৰু অনলাইন সভাই সাহিত্য-চৰ্চাক অধিক জীৱন্ত আৰু গতিশীল কৰি তুলিছে।

সামাজিক মাধ্যমৰ আন এক উল্লেখযোগ্য অৱদান হৈছে ভাষা আৰু সংস্কৃতিৰ সংৰক্ষণ। আঞ্চলিক ভাষাসমূহৰ সাহিত্য এতিয়া আগতকৈ অধিক মানুহৰ ওচৰ পোৱা সম্ভৱ হৈছে। অসমীয়া ভাষাৰ কবিতা, গল্প, লোকসাহিত্য, গীত আৰু সংস্কৃতি-সম্পৰ্কীয় বিষয়বস্তু সামাজিক মাধ্যমৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা অসমীয়াসকলৰ ওচৰলৈ সহজে পঠিয়াব পৰা যায়। ইয়াৰ ফলত মাতৃভাষাৰ প্ৰতি অনুৰাগ বৃদ্ধি পায় আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত সহায় হয়।

যদিও সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম, তথাপিও ইয়াৰ কিছুমান সীমাবদ্ধতা আৰু নেতিবাচক দিশ আছে। বহু সময়ত গুণগত মানতকৈ জনপ্ৰিয়তাক অধিক গুৰুত্ব দিয়া হয়। ফলত নিম্নমানৰ লিখনিও অধিক প্ৰচাৰ লাভ কৰে। তদুপৰি, সামাজিক মাধ্যমত কপি-পেষ্ট সংস্কৃতি, সাহিত্য চুৰি, অপপ্ৰচাৰ আৰু অশালীন মন্তব্যৰ দৰে সমস্যাও দেখা যায়। আনহাতে, অধিকাংশ পাঠকে দীঘলীয়া আৰু গভীৰ সাহিত্য পঢ়াতকৈ চুটি আৰু তাৎক্ষণিক বিষয়বস্তুৰ প্ৰতি অধিক আকৰ্ষিত হয়, যাৰ ফলত গম্ভীৰ সাহিত্য-চৰ্চা কেতিয়াবা ক্ষতিগ্ৰস্ত হ'ব পাৰে।

**সামাজিক মাধ্যম আৰু পৰম্পৰাগত সাহিত্যৰ সমন্বয় ঃ**

সামাজিক মাধ্যমক পৰম্পৰাগত সাহিত্যৰ প্ৰতিদ্বন্দ্বী হিচাপে নহয়, বৰঞ্চ সহযোগী হিচাপে চাব লাগে। মুদ্ৰিত গ্ৰন্থৰ নিজস্ব মৰ্যাদা আৰু গভীৰতা আছে। সামাজিক মাধ্যমে সেই সাহিত্য অধিক পাঠকৰ ওচৰলৈ নিবলৈ সহায় কৰে। সেয়েহে সাহিত্যৰ সুস্থ বিকাশৰ বাবে দুয়োটা মাধ্যমৰ মাজত সমন্বয় অতি প্ৰয়োজনীয়।

সামৰণিত ক'ব পাৰি যে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক শক্তিশালী, সুযোগী আৰু সম্ভাৱনাময় মাধ্যম। ই সাহিত্যক অধিক গণমুখী কৰি তুলিছে, নতুন লেখকৰ জন্ম দিছে, পাঠক-লেখকৰ দূৰত্ব কমাইছে আৰু ভাষা-সংস্কৃতি সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যদিও ইয়াৰ কিছুমান সীমাবদ্ধতা আছে, তথাপিও সচেতন আৰু সৃষ্টিশীল ব্যৱহাৰৰ জৰিয়তে এই সমস্যাসমূহ অতিক্ৰম কৰিব পাৰি। আধুনিক যুগত সাহিত্যৰ বিকাশ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা অনস্বীকাৰ্য। সেয়েহে নিঃসন্দেহে ক'ব পাৰি যে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক ফলপ্ৰসূ, শক্তিশালী আৰু যুগধৰ্মী মাধ্যম।

# অসম কৃষি বিশ্ববিদ্যালয়ৰ লখিমপুৰ কৃষি কেন্দ্ৰৰ খেত বাচাও কাৰ্যসূচী আৰু পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগত পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, বান্দৰদেৱা, ৫ জুন ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ লখিমপুৰ কৃষি কেন্দ্ৰৰ উদ্যোগত আৰু খেৰাজখাত মহাবিদ্যালয়ৰ সহযোগত বিশ্ব পৰিৱেশ দিৱসৰ উপলক্ষে এখনি সজাগতা সভা আৰু খেত বাচাও খেৰাজখাত মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অধ্যক্ষ ড° মৃদুল বুঢ়াগোহাইৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনত অসম কৃষি বিশ্ববিদ্যালয়ৰ লখিমপুৰ কৃষি কেন্দ্ৰৰ জেষ্ঠ বিজ্ঞানী ড° প্ৰদীপ সন্দিকৈ, গবেষক ড° লক্ষ্মীকান্ত নাথ, লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ ড° যামিনী কুমাৰ দত্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত বিশিষ্ট কৃষি বিজ্ঞানী সকলে ৰাসায়নিক সাৰ প্ৰয়োগৰ বিপৰীতে কেনেকৈ কৃষি কাৰ্য উৎপাদন কৰি আমি সুৰক্ষিতহৈ থাকিব পাৰো তাক এক বিষদ ব্যাখ্যা দাঙি ধৰে। আনহাতে পিছলা বিজ্ঞান সমিতিৰ উদ্যোগত আৰু গোহাঁইকমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিবেশ দিৱসৰ উপলক্ষে এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। প্ৰাক্তন অধ্যক্ষ যোগেশ্বৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনিত জ্যেষ্ঠ বিজ্ঞানী ড° লক্ষ্মী ভূঞা, গৱেষক বেণুকান্ত হাজৰিকা, যতীন ভূঞা, ধীৰেন হাজৰিকা, ৰাজেন বৰা, অধ্যক্ষ মনোজ বৰা, শোভন চন্দ্ৰ কাকতিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত বক্তা সকলে পৰিবেশ সুৰক্ষিত কৰি মানুহে কেনেকৈ প্ৰকৃতিৰ লগত জীয়াই থাকিব পাৰিব তাৰ এক সুন্দৰ বিস্তৃত ব্যাখ্যা ডাঙি ধৰে।

## "চান গৰলৈ বহুমচাৰ" আৰু আচাম ৰাইল্ডনেছ ইকোচিষ্টেম ছোছাইটিৰ উদ্যোগত গছপুলি ৰোপণ আৰু বিতৰণ

# বকোতো বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, বকো, ৫ জুন ঃ** আজি ৫ জুন; বিশ্ব পৰিৱেশ দিৱস। সমগ্ৰ বিশ্বই পালন কৰা পৰিবেশ দিৱস অসম মুলুকৰ কামৰূপ জিলাৰ বকোতো ভিন্ন প্ৰান্তত অনুষ্ঠান প্ৰতিষ্ঠানে পালন কৰে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্য্যসূচী। বকোৰ স্বেচ্ছাসেৱী সংগঠন "চান গৰলৈ বহুমচাৰ"আৰু আচাম ৰাইল্ডনেছ ইকোচিষ্টেম ছোছাইটিৰ উদ্যোগত বকোৰ ৰায়পাৰাস্থিত বয়ণ সম্প্ৰসাৰণ কেন্দ্ৰত আৰু তাৰাবাৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত গছ পুলি ৰোপণ কৰি পালন কৰে বিশ্ব পৰিৱেশ দিৱস। ইফালে চান গৰলৈ বহুমচা সংস্থাৰ সভাপতি সনাতন বড়ো আৰু সম্পাদক বিশ্বজিৎ দৈমাৰীয়ে জনোৱা অনুসৰি বকোৰ বয়ণ সম্প্ৰসাৰণ কেন্দ্ৰৰ সঞ্চালক ড: গজেন্দ্ৰ নাথ দাসৰ তৎপৰতাত কাৰ্য্যালয়টোৰ চৌহদত কেৱা জোপা অতি মূল্যৱান গছৰ পুলি ৰোপণ কৰি পালন কৰা হয় পৰিৱেশ দিৱসৰ কাৰ্য্যসূচী। গছ পুলি ৰোপণ কৰি কেন্দ্ৰটোৰ সঞ্চালক ড: গজেন্দ্ৰ নাথ দাসে কয় যে- প্ৰকৃতিৰ জলবায়ুৰ সমতা ৰক্ষা কৰিবলৈ আৰু জীৱ কুলৰ জীৱন জীৱিকাৰ সুষ্ঠ বাতাবৰণ গঢ়ি তুলিবলৈ সমগ্ৰ বিশ্বই পালন কৰে এই পৰিবেশ দিৱসৰ কাৰ্য্যসূচী। ইফালে আচাম ৰাইল্ডনেছ ইকোচিষ্টেম ছোছাইটিৰ সভাপতি অজয় বড়ো আৰু সম্পাদক বিশ্বজিৎ দৈমাৰীয়ে জনোৱা অনুসৰি ছোছাইটিৰ কৰ্মকৰ্তাৰ সকলোৰ সহযোগত তাৰাবাৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত বহু মূল্যবান বহু কেইজোপা গছপুলি ৰোপণ কৰা হয়। ইয়াৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাৱক অভিভাৱিকাক গছ পুলি বিতৰণ কৰে। অতি মূল্যৱান গছৰ পুলি ৰোপণ আৰু বিতৰণ কৰি উদ্যোক্তা ছোছাইটিৰ সভাপতি অজয় বড়োই কয় যে- প্ৰকৃতিৰ জলবায়ুৰ সমতা ৰক্ষা আৰু জীৱ কুলৰ জীৱন সুষ্ঠ আৰু নিৰোগী কৰি ৰাখিবলৈ এই প্ৰয়াস কৰিবলৈ এই গছ পুলি ৰোপণ কৰা বুলি জানিব দিয়ে উদ্যোক্তা সকলে। আনহাতে বকোৰ কালিয়াবড়ীত নতুনকৈ স্থাপন কৰা লয়োলা গ্ল'ৰেল স্কুলত স্কুল কৰ্তৃপক্ষ আৰু ছাত্ৰ ছাত্ৰী সকলৰ মাজত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্য্যসূচী। ইয়াৰ উপৰিও বকোৰ দীক্ষিতা চুইটচ্ এণ্ড বেকাৰীৰ স্বত্বাধিকাৰী জনাৰ্দ্দন বড়োই পৰিয়ালৰ সহযোগত নিজ গৃহৰ চৌহদত মূল্যৱান গছৰ পুলি ৰোপণ কৰি পালন কৰে বিশ্ব পৰিৱেশ দিৱস। তেনেকৈ বকোৰ ভিন্ন প্ৰান্তত বহু অনুষ্ঠান প্ৰতিষ্ঠানে পালন কৰে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্য্যসূচী।

## এজন শিক্ষকেৰে চলিছে ১৩৮জন শিক্ষাৰ্থীৰ পাঠদান

# ১ নং মাটিয়াপাৰা দক্ষিণ খণ্ড প্ৰাথমিক বিদ্যালয়ৰ দুৰ্দশাৰ ছবি

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৫ জুন ঃ** কচুগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত ১ নং মাটিয়াপাৰা দক্ষিণ খণ্ড প্ৰাথমিক বিদ্যালয়খনত শিক্ষাৰ ক্ষেত্ৰত এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনত মুঠ ১৩৮জন শিক্ষাৰ্থী অধ্যয়ন কৰি থাকিলেও পাঠদানৰ মূল দায়িত্ব প্ৰায় সম্পূৰ্ণৰূপে এজন শিক্ষকৰ ওপৰতে নিৰ্ভৰ কৰি চলিছে। জানিব পৰা মতে, বিদ্যালয়খনৰ প্ৰধান শিক্ষক আনোৱাৰ হুছেইনে একেলগে ১৩৮জন শিক্ষাৰ্থীক পাঠদান কৰি আহিছে। বিদ্যালয়খনত আন এজন সহযোগী শিক্ষক থাকিলেও তেওঁ প্ৰায়ে চি আৰ চি (CRC)ৰ বিভিন্ন কাৰ্যত ব্যস্ত থাকিবলগীয়া হোৱাত নিয়মীয়া পাঠদান ব্যৱস্থাত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি, বিদ্যালয়খনত পৰ্যাপ্ত শ্ৰেণীকক্ষৰ অভাৱেও শিক্ষাৰ্থীসকলৰ অধ্যয়নত বিৰূপ প্ৰভাৱ পেলাইছে। ফলস্বৰূপে একাধিক শ্ৰেণীৰ শিক্ষাৰ্থীক একেলগে বহুৱাই পাঠদান কৰিবলগীয়া হোৱা বুলি জানিব পৰা গৈছে। আনহাতে, বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে প্ৰায় এ বছৰ পূৰ্বে বিদ্যালয়ৰ ইউনিফৰ্ম লাভ কৰিছিল যদিও চলিত শিক্ষাবৰ্ষত এতিয়ালৈকে নতুন ইউনিফৰ্ম লাভ কৰা নাই। বিশেষকৈ ক শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে এতিয়াও ইউনিফৰ্ম যোগান ধৰা হোৱা নাই বুলি অভিভাৱকসকলে অভিযোগ উত্থাপন কৰিছে। বিদ্যালয় খনৰ প্ৰধান শিক্ষক আৰু স্থানীয় ৰাইজসকলে বিদ্যালয়খনত অতি শীঘ্ৰে প্ৰয়োজনীয় শিক্ষক নিযুক্তি, পৰ্যাপ্ত শ্ৰেণীকক্ষৰ ব্যৱস্থা আৰু শিক্ষাৰ্থীসকলৰ বাবে ইউনিফৰ্ম যোগান নিশ্চিত কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ৫ জুন ঃ** পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। কাকপথাৰ বন বিভাগৰ সৌজন্যত, ডুমডুমা বন সংমণ্ডলৰ সহযোগত আৰু পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়ৰ চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। ডুমডুমা বন সংমণ্ডলৰ বন বিষয়া পৰশমণি চুতীয়াই বৃক্ষৰোপণ কৰি বৃক্ষৰোপণৰ প্ৰয়োজনীয়তা আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক লক্ষ্মিপ্ৰসাদ দিহিঙ্গীয়াই আঁত ধৰা এই বৃক্ষৰোপণ কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ডুমডুমা বন সংমণ্ডলৰ বন কৰ্মীসকলেও অংশগ্ৰহণ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টিৰ উদ্দেশ্যে পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বক্তৃতা প্ৰতিযোগিতা আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° অনুৰাগ বৰপাত্ৰ গোহাঁইয়ে বিচাৰকৰ দায়িত্ব পালন কৰা বক্তৃতা প্ৰতিযোগিতাত ক্ৰমে ক্ৰিষ্টিনা চেইহৰিয়ামে প্ৰথম, মেঘা গগৈয়ে দ্বিতীয় আৰু ইবেনেজিৰ লালচুম্মায়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা জোষ্মি গগৈৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

# কচুগাঁও বন সংমণ্ডলৰ উদ্যোগত শ্ৰীৰামপুৰত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৫ জুন ঃ** সমগ্ৰ বিশ্বৰ সৈতে সংগতি ৰাখি আজি গোসাইগাঁও মহকুমাতো বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। কচুগাঁও বন সংমণ্ডলৰ উদ্যোগত শ্ৰীৰামপুৰস্থিত ফৰেষ্ট আই.বি. প্ৰাংগণত এই উপলক্ষে এক কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত স্থানীয় বিধায়ক শোভাৰাম বসুমতাৰী, বিটিচিৰ কাৰ্য্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰী, পাৰিষদ উইলিয়াম নাৰ্জাৰী, মহকুমাধিপতি এন. মাংগাংছা, কচুগাঁও বন সংমণ্ডলৰ বিষয়া মোস্তাফা আহমেদ আলী, মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাৰ লগতে বন বিভাগ আৰু বিভিন্ন বিভাগৰ কেবাগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। বিশ্ব পৰিবেশ দিৱসৰ তাৎপৰ্য উপলব্ধি কৰি আয়োজিত অনুষ্ঠানত পৰিবেশ সংৰক্ষণ আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে শ্ৰীৰামপুৰত দুই শতাধিক গছপুলি ৰোপণ কৰি পৰিবেশ সংৰক্ষণৰ প্ৰতি দায়বদ্ধতাৰ বাৰ্তা প্ৰেৰণ কৰা হয়। উল্লেখ্য যে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কচুগাঁও বন সংমণ্ডলে গ্ৰহণ কৰা এই কাৰ্যসূচীয়ে স্থানীয় লোকসকলৰ মাজত পৰিবেশ সজাগতা বৃদ্ধিত কৰাৰ বাবে বিচিডিচি সমূহত গছৰ পুলি বিতৰণ কৰে।

# ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ জুন ঃ** বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে আজি ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। এই উপলক্ষে পুৰা বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে পৰিৱেশ অনুকূল কাম কৰিবলৈ সংকল্প গ্ৰহণ কৰে। বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলুয়ে শিক্ষাৰ্থীসকলক এই সংকল্প পাঠ কৰোৱায়। ইয়াৰ পাছতেই বিদ্যালয়খনৰ অধ্যক্ষা, শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকল, স্কাউট এণ্ড গাইডৰ সদস্যসকল আৰু বিদ্যালয়ৰ ইক' ক্লাবৰ সদস্যসকলে বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰে আৰু চৌহদ পৰিষ্কাৰ কৰে। এই উপলক্ষে প্ৰাক প্ৰাথমিকৰ পৰা তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে পেলনীয়া সামগ্ৰীৰ পৰা উপযোগী বস্তু তৈয়াৰ কৰা আৰু সপ্তম আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত প্লেকাৰ্ড তৈয়াৰ কৰা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে চাফাই অভিযানত অংশগ্ৰহণ কৰে।

# নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, নকছাৰি, ৬ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱস। সমগ্ৰ অসমৰ লগতে নকছাৰিত নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নকছাৰি মহাবিদ্যালয়, নকছাৰি জেষ্ঠ মাধ্যমিক বিদ্যালয়, তিৰুৱাল বাগিছা প্ৰাথমিক বিদ্যালয়, নকছাৰি জাতীয় বিদ্যালয়, দেৰেৰাপাৰ আৰক্ষী চকীৰ লগতে নকছাৰি অঞ্চলৰ বিভিন্ন স্থানত ছাত্ৰ সন্থাই গছপুলি ৰূপণ কৰে। সাম্প্ৰতিক সময়ত পৰিৱেশৰ প্ৰতি যি ভাবুকি সৃষ্টি হৈছে সকলোৱে নিজৰ দায়িত্ব বুজি পৰিৱেশৰ ওপৰত সজাগ হব লাগিব। গছ থাকিলেহে মানুহ থাকিব। সকলোকে বৃক্ষ ৰূপনেৰে ধৰিত্ৰীক সেউজীয়া কৰি এক সুস্থ পৰিৱেশৰ মাজেৰে আগবাঢ়ি গলেহে প্ৰকৃতি চিৰসেউজ হৈ থাকিব। এজোপা গছৰ মূল্য কিমান সেয়া সকলোৱে অনুমেয়। সকলোকে পৰিৱেশৰ প্ৰতি সজাগ হবলৈ নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই আহ্বান জনায়। ইয়াৰ পূৰ্বেও নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই পৰিৱেশ সজাগতা সন্দৰ্ভত বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰি আহিছে। অঞ্চলটোৰ সচেতন ৰাইজে ছাত্ৰ সন্থাৰ এই পদক্ষেপক শলাগ লৈছে। আজিৰ এই কাৰ্য্যসূচীত নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য্য গগৈ সম্পাদক তুৰাজ গগৈ উপ সভাপতি তুৰাজ গগৈ, কাব্যজ্যোতি গগৈ, সন্তোষ দে সহকাৰী সাধাৰণ সম্পাদক মুকুণ্ড মাধৱ বৰুৱা, সাংস্কৃতিক সম্পাদক প্ৰাণজিৎ ঘোষ উপস্থিত থাকে।

# দৰং জিলাত পৌৰসভাসমূহৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস ২০২৬ উদ্‌যাপন

**অসম বাৰ্তা, দেওমৰনৈ, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস-২০২৬ উদযাপনৰ সৈতে সংগতি ৰাখি সমগ্ৰ বিশ্ব, দেশ কিম্বা ৰজ্যাৰ্ভানী প্ৰান্তৰ লগতে আজি দৰং জিলাটো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস- ২০২৬ উদযাপন কৰা হয়। দৰং জিলাৰ পৌৰসভাসমূহৰ তৰফৰ পৰা আজিৰ দিনটোত নিৰ্বাচিত জনপ্ৰতিনিধি, পৌৰ কৰ্মচাৰী, ছাফাই মিত্ৰ, স্ব-সহায়ক গোট (SHGs), বেচৰকাৰী সংস্থা, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, আৰক্ষী বিষয়া আৰু স্থানীয় ৰাইজৰ সক্ৰিয় অংশগ্ৰহণৰ মাজেৰে পৰিৱেশ সংৰক্ষণ, পৰিচ্ছন্নতা, গছপুলি ৰোপণ, বৰ্জ্য ব্যৱস্থাপনা আৰু জনসচেতনতা বৃদ্ধি ইত্যাদি বিভিন্ন বিষয়ক কাৰ্যসূচীৰ সফল ৰূপায়ণৰ দ্বাৰা বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। মঙলদৈ পৌৰসভাৰ তৰফৰ পৰা আজিৰ দিনটোত আয়োজিত বিভিন্ন সজাগতামূলক আৰু অংশগ্ৰহণমূলক কাৰ্যসূচীৰ ভিতৰত মঙলদৈ টাউন বালক নিম্ন বুনিয়াদী বিদ্যালয় আৰু মঙলদৈ টাউন বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় ৬০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও জিলা আয়ুক্ত কাৰ্যালয় চৌহদত এক সফাই অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসূচীউ অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্ত আয়ুষী জৈন নিজে উপস্থিত থাকি কাৰ্যসূচীত অংশ লয় আৰু এই ক্ষেত্ৰত তেখেতক লগ দিয়ে অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু অন্যান্য বিষয়াসকলে। ইয়াৰ উপৰিও মঙলদৈ মহাবিদ্যালয়ত পৌৰসভাৰ নিৰ্বাচিতজন প্ৰতিনিধিসকলে জাৱৰ ব্যৱস্থাপনা বিষয়ক কৰা বাটৰ নাটকে ৫০০ৰো অধিক দৰ্শকক আকৰ্ষণ কৰিবলৈ সক্ষম হয়। একে স্থানতে অনুষ্ঠিত বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ কাৰ্যসূচীত ৬০০ৰো অধিক গছপুলি বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত পৰিৱেশ বিশেষজ্ঞ বিনু নাৰায়ণ দেৱৰ সঞ্চালনাত জাৱৰ পৃথক্কৰণ, পুনঃব্যৱহাৰ আৰু প্লাষ্টিক বৰ্জিত ব্যৱস্থাপনা বিষয়ক কৰ্মশালা অনুষ্ঠিত হয়, য'ত প্ৰায় ৫০০ গৰাকী অংশগ্ৰহণকাৰী উপস্থিত থাকে। খাৰুপেটীয়া পৌৰসভাই মহাবীৰ ৰোড আৰু জি.এন.বি. ৰোডত পৰিচ্ছন্নতা অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসূচী আয়োজন কৰে। পৌৰ বিষয়ববীয়া, ৱাৰ্ড আয়ুক্ত, ছাফাই মিত্ৰ, স্ব-সহায়ক গোট, বেচৰকাৰী সংস্থাৰ সদস্য আৰু স্থানীয় ৰাইজে ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰাৰ লগতে গছপুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰচাৰ কৰে। ইয়াৰ পিছত পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত পৰিৱেশ সজাগতা আৰু পৰামৰ্শমূলক অনুষ্ঠানত উৎসস্থলতে আৱৰ্জনা পৃথক্কৰণ, বৈজ্ঞানিক বৰ্জ্য ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষাত ব্যক্তিগত দায়িত্বৰ ওপৰত আলোকপাত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক পৌৰসভাৰ মেটেৰিয়েল ৰিকভাৰী ফেচিলিটি (MRF) আৰু ফিকেল স্লাজ ট্ৰিটমেণ্ট প্লাণ্ট (FSTP) পৰিদৰ্শন কৰোৱা হয়, য'ত তেওঁলোকে বৰ্জ্য পৃথক্কৰণ, পুনঃব্যৱহাৰ আৰু পৰিচ্ছন্নতা ব্যৱস্থাপনা সম্পৰ্কে ব্যৱহাৰিক জ্ঞান লাভ কৰে। ঠিক সেইদৰে ছিপাঝাৰ পৌৰসভাই বিশ্ব পৰিৱেশ দিৱস ২০২৬-ৰ মূল বাণী "প্ৰকৃতিৰ পৰা প্ৰেৰণা, জলবায়ুৰ বাবে, আমাৰ ভৱিষ্যতৰ বাবে" অনুসৰি ১ জুনৰ পৰা ৫ জুনলৈ পাঁচদিনীয়া পৰিচ্ছন্নতা আৰু সজাগতা অভিযান পালন কৰে। মূল কাৰ্যসূচীৰ অংশ হিচাপে ছিপাঝাৰ মহাবিদ্যালয়, ছিপাঝাৰ আৰক্ষী থানাৰ চৌহদ, পৌৰসভাৰ নতুন কাৰ্যালয় আৰু নায়কপাৰাস্থিত অস্থায়ী কাৰ্যালয় প্ৰাঙ্গণত চাফাই অভিযান, গছপুলি বিতৰণ আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৌৰ বিষয়ববীয়া, অসম আৰক্ষীৰ জোৱান, শিক্ষক, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু স্থানীয় ৰাইজে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। লগতে People's Organisation for Social Development (POSD)-ৰ সহযোগত সমগ্ৰ নগৰাঞ্চলত গছপুলি বিতৰণ কৰা হয়। বিশ্ব পৰিৱেশ দিৱস ২০২৬ উপলক্ষে দৰং জিলাৰ পৌৰসভাসমূহে গ্ৰহণ কৰা এই কাৰ্যসূচীসমূহে পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু এক সেউজীয়া নগৰ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসন, শিক্ষানুষ্ঠান, সামাজিক সংগঠন আৰু সাধাৰণ ৰাইজৰ সমূহীয়া দায়বদ্ধতাৰ কথা উনুকিয়াই দিছে। এই পদক্ষেপসমূহে নিশ্চিতভাৱে পৰিৱেশ সংৰক্ষণ, জলবায়ু আৰু সেউজ প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# ২৫ বছৰীয়া যুৱক সন্ধানহীন

**অসম বাৰ্তা, মঙলদৈ, ৬ জুন ঃ** মঙলদৈ ৰঙামাটিৰ ২নং ধৰিয়া খাইতিৰ ধনবৰ আলি নামৰ বিবাহিত ২৬ বছৰীয়া যুৱক এজন সন্ধানহীন হৈ আছে। ধনবৰ জিঞ্চ পেণ্ট আৰু বগা হাফ ছাৰ্ট পিন্ধি ঈদৰ বজাৰ কৰাৰ বাবে ঈদৰ দুই দিন আগতে ২৩মে'ত মঙলদৈ চহৰলৈ আহিছিল। বজাৰলৈ অহাৰে পৰা সন্ধানহীন হৈ আছে যুৱকজন। পৰিয়ালৰ লোকে ধনবৰক বিচাৰি বন্ধু, আলহী অতিথিক খবৰ কৰিছে যদিও বৰ্তমানলৈকে কোনেও জনাব পৰা নাই ধনবৰৰ খবৰ। ধনবৰৰ লগত থকা মোবাইল ফোনটো বন্ধ হৈ আছে। সেয়েহে পৰিয়ালৰ লোকে যুৱকজন সন্ধানহীন হৈ থকাৰ বাবে অত্যন্ত চিন্তিত আৰু ব্যাকুল হৈ পৰিছে। ইতিমধ্যে ধনবৰ আলীৰ পৰিয়ালে ধনবৰ সন্ধানহীন হৈ থকা সন্দৰ্ভত মঙলদৈ সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ অনুৰোধ যদি কোনোবাই তেওঁৰ কিবা সম্ভেদ পায়, তেন্তে অনুগ্ৰহ কৰি লগে লগে ৯৩৮৭৮-৩৯৯৪২ নম্বৰত যোগাযোগ কৰিব।

# লাহৰীঘাটত পুনৰ আৰক্ষীৰ জালত ড্ৰাগছসহ স্বামী-স্ত্ৰী

**অসম বাৰ্তা, লাহৰীঘাট, ৬ জুন ঃ** লাহৰীঘাট আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত। আজি মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যৌথ অভিযানত ড্ৰাগছসহ গ্ৰেপ্তাৰ হয় স্বামী-স্ত্ৰী। ধৃত ড্ৰাগছ সৰবৰাহকাৰী স্বামী-স্ত্ৰীৰ পৰা আৰক্ষীয়ে ড্ৰাগছ ভৰ্তি ২৫টা কণ্টেইনাৰৰ লগতে ২টা মবাইল ফোন জব্দ কৰে। আৰক্ষীৰ জালত পৰা ড্ৰাগছ সৰবৰাহকাৰী স্বামী মায়ঙৰ ১ নং খলাভূঞা গাঁৱৰ ৰশ্বিদুল ইছলাম আৰু স্ত্ৰীগৰাকী লাহৰীঘাটৰ ৰজাগাধোৱা গাঁৱৰ মৰ্জিনা বেগম বুলি জানিব পৰা গৈছে। স্বামী-স্ত্ৰীয়ে মিলি ড্ৰাগছৰ ব্যৱসায়ত নামিছিল কম দিনত ধনী হোৱাৰ আশাত। উল্লেখ্য যে, ধৃত মৰ্জিনা বেগমে স্বামী ৰশ্বিদুল ইছলামক লৈ স্বামী গৃহ মায়ঙৰ ১নং খলাভূঞাৰ পৰা তাইৰ পিতৃ গৃহ ৰজাগাধোৱাত আহি ইয়াৰ পৰা ড্ৰাগছ ক্ৰয় কৰি মায়ং অঞ্চলত অধিক দামত বিক্ৰী কৰাৰ মানসেৰে ড্ৰাগছখিনি লৈ পিতৃ গৃহৰ পৰা স্বামী গৃহলৈ ৰাওনা হোৱা মাত্ৰকে আৰক্ষীয়ে ড্ৰাগছসহ ধৰিবলৈ সক্ষম হয়। বৰ্তমান সময়ত ধৃত ড্ৰাগছ সৰবৰাহকাৰী স্বামী-স্ত্ৰীক অধিক তথ্যৰ বাবে সোধপোচ অব্যাহত ৰাখিছে।

# ভাৰতীয় জনতা পাৰ্টী নগাঁও কৃষক মৰ্চাৰ উদ্যোগত ডুমডুমীয়া মণ্ডল কৃষক মৰ্চাৰ সহযোগত বৃক্ষ ৰোপণ কাৰ্যসূচী



**অসম বাৰ্তা, বটদ্ৰৱা, ৬ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱস সমগ্ৰ বিশ্বৰ সমান্তৰাকৈ ভাতৰবৰ্ষৰ লগতে অসমতো বিভিন্ন দল-সংগঠনৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানত ৰূপায়ণ কৰিছে বৃক্ষৰূপন কাৰ্যসূচী। আজি নগাঁও জিলাৰ নগাঁও জিলা ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ উদ্যোগত ডুমডুমীয়া মণ্ডল কৃষক মৰ্চাৰ সহযোগত ডুমডুমীয়া আৰক্ষী পহৰা চকী, শলগুৰি আৰক্ষী পহৰা চকীকে আধি কৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত বৃক্ষৰূপন কাৰ্যসূচী ৰূপায়ণ কৰে। আজিৰ এই বৃক্ষৰূপন কাৰ্যসূচীত নগাঁও জিলা ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ কৰ্মকৰ্তা সকলৰ লগতে ডুমডুমীয়া মণ্ডল কৃষক মৰ্চাৰ কৰ্মকৰ্তা সকলো উপস্থিত থাকে। উক্ত কাৰ্যসূচীত ডুমডুমীয়া আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু উপৰডুমডুমীয়া গাঁওপঞ্চায়তৰ আঞ্চলিক সদস্য উপস্থিত থাকি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰধান কৰে।

# দৰং ছাত্ৰ সন্থাৰ পোহৰ প্ৰকল্প, ৰক্ত বন্ধু-আইনী পৰামৰ্শ কোষ গঠন

**অসম বাৰ্তা, মঙলদৈ, ৬ জুন ঃ** দৰং জিলাৰ শিক্ষাৰ্থীৰ বাবে এটি ভাল খবৰ, লোকসেৱা আয়োগৰ পৰীক্ষাৰ প্ৰস্তুতি বাবে গুৱাহাটীত সম্পূৰ্ণ বিনামূলীয়াকৈ কোচিং কৰিব পাৰিব শিক্ষাৰ্থীয়ে। এই কোচিং কৰিবৰ বাবে শিক্ষাৰ্থীসকলে জিলা ভিত্তিক এটি শিবিৰত অংশগ্ৰহণ কৰি বাছনি পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। বৃহস্পতিবাৰে সদৌ দৰং জিলা ছাত্ৰ সন্থাই মঙলদৈ প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। সদৌ দৰং জিলা ছাত্ৰ সন্থাই সংবাদ মাধ্যমত আগত প্ৰকাশ কৰে যে দৰং জিলাত তিনিটা প্ৰকল্প ক্ৰমে পোহৰ প্ৰকল্প, ৰক্ত বন্ধু আৰু আইনী পৰামৰ্শ কোষ গঠন কৰে। এই পোহৰ প্ৰকল্পৰ জৰিয়তে জিলা খনৰ দহ গৰাকী মেধা দুখীয়া ছাত্ৰ-ছাত্ৰীক লোক সেৱা আয়োগৰ পৰীক্ষাৰ প্ৰস্তুতি বাবে গুৱাহাটীত সম্পূৰ্ণ বিনামূলীয়া কোচিং ব্যৱস্থা কৰিব। এই কোচিঙৰ বাবে শিক্ষাৰ্থীসকলে অহা ১০-১৭জুনলৈ ছিপাঝাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিব বিচৰা বাছনি শিবিৰত অংশগ্ৰহণ কৰিব লাগিব। ইয়াৰ উপৰিও জিলা ছাত্ৰ সন্থাই দুৰ্গত, দুৰ্ঘটনা পতিত আৰু আৰ্ত জন জৰুৰীকালীন সময়ত যাতে ৰক্তৰ অভাৱত মৃত্যু হ'ব নোৱাৰে তাৰ সহায়ত হোৱাকৈ ৰক্ত বন্ধু নামৰ এটি প্ৰকল্প হাতত লৈছে। জৰুৰীকালীন সময়ত ৰক্তৰ প্ৰয়োজনত এতিয়াৰে পৰা সদৌ দৰং জিলা ছাত্ৰ সন্থাই ৰক্ত দান কৰি দুৰ্গত লোকক সহায় কৰিব। ইয়াৰ উপৰিও শিক্ষাৰ্থী আৰু দুখীয়া সৰ্বসাধাৰণ লোকক বিনামূলীয়াকৈ আইনী সাহায্য প্ৰদান কৰাৰ লক্ষ্যৰে জিলা পৰ্যায়ত এটি আইনী পৰামৰ্শ কোষ গঠন কৰিছে সদৌ দৰং জিলা ছাত্ৰ সন্থাই। আজিৰ সংবাদমেলত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পৰাগ চহৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হৃদয় বৰুৱা, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কৰবী ডেকাই এই তিনিটা প্ৰকল্পৰ কথা ঘোষণা কৰিছে। এই প্ৰকল্প তিনিটাৰ বিষয়ে জানিব বিচাৰিলে ক্ৰমে ৬৯০০৩-৭৮০৮৯ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# ওদালগুৰি জিলা বিজেপিৰ বিশ্ব পৰিৱেশ দিৱস পালন

## মাতৃৰ স্মৃতিত প্ৰতিগৰাকী কাৰ্যকৰ্তাই ৰোপণ কৰিলে একোটাকৈ গছপুলি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৫ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টিৰ ওদালগুৰি জিলা সমিতিৰ অন্তৰ্গত কিষাণ মৰ্চাৰ উদ্যোগত প্ৰতিটো বুথ কমিটিয়ে পাঁচ ডাল কৈ ফলধাৰী গছপুলি ৰোপণ কৰে। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি এইবাৰ অসমতো ভাৰতীয় জনতা পাৰ্টিয়ে এক কোটি গছ পুলি ৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰে অংশ হিচাপে আজিৰে পৰা প্ৰতিগৰাকী কৰ্যকৰ্তাই তেখেতসকলৰ মাতৃৰ স্মৃতিত একোডালকৈ গছ পুলি ৰোপণ কৰিছে। ওদালগুৰি জিলা বিজেপিৰ হৈ সভাপতি অজয় কুমাৰ হাজৰিকাই নোনাই চেৰফাং মণ্ডলৰ উদ্যোগত গছ পুলি ৰোপণ কৰে। সেইদৰে ওদালগুৰি জিলা বিজেপিৰ অন্যতম সাধাৰণ সম্পাদক সুজিত সৰকাৰে গছ পুলি ৰোপণ কৰি দলীয় কৰ্মীসকলক পৰিৱেশ সংৰক্ষণৰ বাবে গছ পুলি ৰোপণৰ আহ্বান জনায়। প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ নিজৰ মাতৃৰ স্মৃতিত একোডালকৈ গছপুলি ৰোপণ কৰি ধৰিত্ৰীৰ সুৰক্ষাৰে ভৱিষ্যত নিৰ্মাণ কৰিবলৈ আহ্বান জনায়।

# আন্তঃৰাষ্ট্ৰীয় গৱেষণাত জুবিন গাৰ্গৰ 'হামিং'ৰ

শ্ৰোতাৰ বাবে ইমান প্ৰিয় ? এই প্ৰশ্নৰ উত্তৰ এতিয়া লাভ কৰিছে এক বৈজ্ঞানিক ব্যাখ্যা। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'জাৰ্নেল অৱ ভইচ' (Journal of Voice) নামৰ এক বিশেষ গৱেষণা পত্ৰিকাত প্ৰকাশ পাইছে জুবিন গাৰ্গৰ এই অনন্য কণ্ঠশৈলীক লৈ কৰা এক গুৰুত্বপূৰ্ণ গৱেষণা। শনিবাৰে শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে ফেচবুকৰ এক পোষ্টৰ জৰিয়তে এই গৱেষণাৰ সবিশেষ শ্বেয়াৰ কৰে। গৱেষণা পত্ৰিকাখন লেৰিংগ'লজি (Laryngology) আৰু কণ্ঠবিজ্ঞানৰ ক্ষেত্ৰখনৰ অন্যতম প্ৰামাণিক আন্তঃৰাষ্ট্ৰীয় আলোচনী হিচাপে পৰিগণিত। প্ৰাপ্ত তথ্য অনুসৰি, এই বিশেষ অধ্যয়নটো সম্পূৰ্ণ স্বতন্ত্ৰভাৱে চলোৱা হৈছিল অসমৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত। গৱেষকসকলে লেৰিংগ'লজি আৰু কণ্ঠবিজ্ঞানৰ গৱেষণাত ব্যৱহৃত আধুনিক ধ্বনি বিশ্লেষণ পদ্ধতি আৰু উন্নত সঁজুলিৰ সহায়ত জুবিন গাৰ্গৰ গুণগুণনিৰ এক পৰিমাণগত ধ্বনিগত বিশ্লেষণ (Quantitative Acoustic Analysis) সম্পন্ন কৰে। গৱেষণাত কণ্ঠস্বৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ মাপকাঠী যেনে — জিতাৰ (Jitter), শ্বিমাৰ (Shimmer), হাৰমনিক-টু-নয়েজ ৰেডিঅ' (Harmonic-to-Noise Ratio, HNR), টিম্ব্ৰেল (Timbral) বৈশিষ্ট্য্যসমূহ সূক্ষ্মভাৱে পৰীক্ষা কৰা হয়। এই প্ৰক্ৰিয়াই শিল্পীগৰাকীৰ হামিঙৰ কণ্ঠৰ অন্তৰ্নিহিত গাণিতিক আৰু ভৌতিক বৈশিষ্ট্যবোৰ উন্মোচন কৰাত সহায় কৰে। গৱেষণাৰ ফলাফল অনুসৰি, জুবিন গাৰ্গৰ 'হামিং' এক অত্যন্ত সুস্থিৰ কণ্ঠস্বৰৰ আৰ্হি (Stable Vocal Pattern) হিচাপে চিহ্নিত হৈছে। লগতে এই কণ্ঠশৈলী নিম্ন ফাণ্ডামেণ্টেল ফ্ৰিকুৱেন্সী (Lower Fundamental Frequency) দ্বাৰা সমৃদ্ধ, যাৰ বাবে ই শ্ৰোতাৰ কাণত এক প্ৰশান্ত আৰু শান্তিদায়ক অনুভৱৰ সৃষ্টি কৰে। তেওঁৰ স্বকীয় টিম্ব্ৰেল গুণাগুণৰ বাবেই এই হামিঙে শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিব পাৰে আৰু এক মৰ্মস্পৰ্শী তথা আবেগিকভাৱে প্ৰভাৱশালী পৰিৱেশৰ সৃষ্টি কৰে। গৱেষকসকলে লাভ কৰা পৰিসংখ্যাগত পাৰ্থক্যই প্ৰমাণ কৰিছে যে জুবিন গাৰ্গৰ হামিঙৰ কৌশল পৰম্পৰাগত গায়নশৈলী (Conventional Singing)তকৈ বহুখিনি পৃথক। আমেৰিকাৰ 'দা ভইচ ফাউণ্ডেশ্যন' আৰু 'ইণ্টাৰনেশ্যনেল এছ'চিয়েশ্যন অৱ ফোন'ছাৰ্জাৰী'ৰ আধিকাৰিক পত্ৰিকাত প্ৰকাশ পোৱা এই অধ্যয়নটোক জুবিন গাৰ্গৰ হামিং কৌশলৰ প্ৰথমটো প্ৰণালীবদ্ধ বৈজ্ঞানিক পৰীক্ষা (Systematic Scientific Examination) বুলি অভিহিত কৰা হৈছে। অৰ্থাৎ, বিশ্বৰ বুৰঞ্জীত প্ৰথমবাৰৰ বাবে এগৰাকী ভাৰতীয় আধুনিক সংগীত শিল্পীৰ স্বকীয় গুণগুণনি শৈলীৰ বৈজ্ঞানিক বিশ্লেষণ কৰা হৈছে। গৱেষকসকলৰ মতে, এই কাৰ্যই কলাত্মক প্ৰকাশভংগী আৰু কণ্ঠবিজ্ঞানৰ মাজৰ ব্যৱধান দূৰ কৰাত এক ডাঙৰ ভূমিকা গ্ৰহণ কৰিব। এই ফলাফলে ভৱিষ্যতে কণ্ঠবিজ্ঞান, সংগীতবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰ গৱেষণাত এক নতুন মাত্ৰা যোগান ধৰাৰ লগতে এক আন্তঃৰাষ্ট্ৰীয় বৈজ্ঞানিক মঞ্চত অসমৰ সমসাময়িক সংগীত ঐতিহ্যক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিব। জুবিন গাৰ্গৰ কণ্ঠৰ বৈজ্ঞানিক স্বীকৃতিয়ে অসমকে ধৰি সমগ্ৰ ভাৰতীয় সংগীত জগতখনত এক গৌৰৱৰ সম্ভেদ সৃষ্টি কৰিছে।

# তেজপুৰত আৰম্ভ হ'ল 'লিচু উৎসৱ-২০২৬', ডুবাই-

কৃষকক উৎসাহিত কৰা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে সংযোগ স্থাপনৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে। প্ৰথম দিনাই উৎসৱস্থলীত ব্যাপক জনসমাগম পৰিলক্ষিত হয়। শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে জানিবলৈ দিয়া মতে, দেওবাৰে তেজপুৰৰ লিচু বিদেশলৈ ৰপ্তানি কৰাৰ লগতে দেশৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ ১০০ পেকেট প্ৰেৰণ কৰা হ'ব। লগতে ভৌগোলিক সূচক (জিআই) টেগ লাভ কৰা এই লিচু ডুবাই আৰু ছিংগাপুৰলৈ ৰপ্তানি কৰা হ'ব। ডুবাইলৈ এক টন আৰু ছিংগাপুৰলৈ ৫০০ কিলোগ্ৰাম লিচু প্ৰেৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি জিলা প্ৰশাসনে নিশ্চিত কৰে। সাহিত্যে কাণ্ডাৰী পদ্মনাথ গোহাঞিঃ বৰুৱাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি তেজপুৰ লিচু উৎসৱ-২০২৬ৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, কৃষি বিজ্ঞানী, কৃষক, উদ্যোগী আৰু দেশ-বিদেশৰ ক্ৰেতাই অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক অমৰেন্দ্ৰ কুমাৰ দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি। ভাষণ প্ৰসংগত সাংসদ ৰঞ্জিত দত্তই লিচু খেতিয়কৰ বিভিন্ন সমস্যাৰ বিষয়ে প্ৰত্যক্ষভাৱে মত বিনিময় কৰি সংশ্লিষ্ট বিভাগক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। তেওঁ কয় যে তেজপুৰৰ লিচুৰ সোৱাদ আৰু গুণগত মানে ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সুনাম অৰ্জন কৰিছে। বিধায়ক পৃথ্বীৰাজ ৰাভাই 'ঘৰে ঘৰে লিচু' নামৰ এক বিশেষ অভিযানৰ ঘোষণা কৰে। তেওঁ কয় যে শীঘ্ৰেই ২০ হাজাৰ পৰিয়ালক দুটাকৈ উন্নত মানৰ লিচু পুলি বিতৰণ কৰা হ'ব। এই আঁচনিৰ বাবে প্ৰায় ৫২ লাখ টকা ব্যয় ধাৰ্য কৰা হৈছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক অমৰেন্দ্ৰ কুমাৰ দাসে লিচু চাষত বৈজ্ঞানিক পদ্ধতি, আধুনিক ব্যৱস্থাপনা আৰু মূল্য সংযোজনৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৃষকসকলক বাণিজ্যিকভাৱে অধিক সফল হোৱাৰ আহ্বান জনায়। উৎসৱৰ প্ৰথম দিনাই কলকাতাৰ এটা ৰপ্তানীকাৰী প্ৰতিষ্ঠানৰ জৰিয়তে ডুবাইলৈ এক টন লিচু প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰিও ছিংগাপুৰলৈ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানিৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সংশ্লিষ্ট মহলৰ মতে, জিআই টেগপ্ৰাপ্ত তেজপুৰৰ লিচুক অধিক জনপ্ৰিয় কৰি তোলা, কৃষকক নতুন বজাৰ সংযোগ দিয়া আৰু কৃষি-উদ্যোগৰ নতুন সম্ভাৱনা সৃষ্টি কৰাৰ ক্ষেত্ৰত 'তেজপুৰ লিচু উৎসৱ ২০২৬' এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

# চতুৰ্থ ত্ৰৈমাসিকত বিকাশৰ

বৃদ্ধি পাইছে। বহু দেশ অৰ্থনৈতিক অনিশ্চয়তাৰ সন্মুখীন হৈ থকা এই পৰিস্থিতিত ভাৰতে বিশ্বৰ দ্ৰুততম বিকাশশীল প্ৰধান অৰ্থনীতি হিচাপে নিজৰ স্থান সুদৃঢ় কৰিছে বুলিও তেওঁ মন্তব্য কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এ'ত এক পোষ্টযোগে এই সফলতাৰ কথা উল্লেখ কৰে। তেওঁ লিখে, "এনে সময়ত যেতিয়া বহু দেশ অৰ্থনৈতিক অনিশ্চয়তাৰ সন্মুখীন, ভাৰত বিশ্বৰ দ্ৰুততম বিকাশশীল প্ৰধান অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থনীতি ৭.৭ শতাংশ বৃদ্ধি পাইছে আৰু চতুৰ্থ ত্ৰৈমাসিকত এই হাৰ ৭.৮লৈ বৃদ্ধি পাইছে। এইটোৱে বিগত ১২ বছৰত 'সংস্কাৰ, প্ৰদৰ্শন, পৰিৱৰ্তন'ৰ মন্ত্ৰৰে গঢ়ি উঠা ভাৰতৰ স্থিতিস্থাপকতা আৰু অন্তৰ্নিহিত শক্তি প্ৰতিফলিত কৰে।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বক উচ্চ প্ৰশংসা কৰি ৰাজনাথ সিঙে কয় যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰতে স্থিৰতা, আস্থা, বহনক্ষমতা আৰু বিশ্বাসযোগ্যতাৰ সৈতে অৰ্থনৈতিক বিকাশৰ এক অনন্য সংমিশ্ৰণ ঘটাইছে। ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি মোদীৰ অটল প্ৰতিশ্ৰুতি, উদ্ভাৱন, আন্তঃগাঁথনি আৰু উদ্যোগিতাৰ প্ৰসাৰ, লগতে বৈশ্বিক প্ৰত্যাহ্বানৰ মাজতো দেশক পৰিচালনা কৰাৰ দক্ষতাই ভাৰতক এক আত্মবিশ্বাসী, স্থিতিস্থাপক আৰু বিশ্বব্যাপী সন্মানীয় অৰ্থনৈতিক শক্তিলৈ ৰূপান্তৰিত কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এই অসাধাৰণ বিকাশৰ কাহিনীয়ে নতুন সুযোগৰ সৃষ্টি কৰি আছে আৰু ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাক অধিক শক্তিশালী কৰি তুলিছে। ভাৰতে 'বিকশিত ভাৰত'ৰ সপোনৰ দিশে অগ্ৰসৰ হোৱাৰ লগে লগে এই বিকাশৰ কাহিনীয়ে দেশবাসীৰ মনোবল আৰু উন্নীত কৰিছে। ইফালে, পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ সচিব সৌৰভ গাৰ্গে কয় যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ জিডিপি বিকাশৰ হাৰ ৭.৭ শতাংশ হৈছে দ্বিতীয় অগ্ৰীম অনুমান (Second Advance Estimate)ত অনুমান কৰাতকৈ অধিক। এই বৃদ্ধিয়ে বৈশ্বিক প্ৰতিকূলতা সত্ত্বেও ভাৰতীয় অৰ্থনীতিৰ স্থিতিস্থাপকতা আৰু দৃঢ়তা স্পষ্টভাৱে প্ৰতিফলিত কৰে।

# ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে দুই শতাংশ অতিৰিক্ত

সদৰি কৰে। নতুন মন্ত্ৰীসকলৰ দপ্তৰ বিতৰণৰ প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ অলপ সময় লৈ সাতদিনৰ ভিতৰত দপ্তৰসমূহ বিতৰণ কৰিব। আগৰ মন্ত্ৰীসকলৰ কাম-কাজ আৰু নতুন মন্ত্ৰীসকলৰ দক্ষতা বিবেচনা কৰিয়েই তেওঁ এই বিতৰণ সম্পন্ন কৰিব। অৱশ্যে কাইলৈকে অভিভাৱক মন্ত্ৰীৰ দায়িত্ব আৱণ্টন কৰি দিয়া হ'ব, যাতে মন্ত্ৰীসকলে বিভিন্ন জিলালৈ গৈ বান পৰিস্থিতিৰ বুজ ল'ব পাৰে। কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ ভিতৰত মুখ্য সিদ্ধান্তটো হৈছে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক দুই শতাংশ অতিৰিক্ত মৰগীয়া বানচ (ডিআৰ) প্ৰদান কৰা। মুখ্যমন্ত্ৰীৰ মতে, ইমানদিনে কৰ্মচাৰীসকলে ৫৮ শতাংশ ডিআৰনেচ এলাউঞ্চ পাই আছিল। এই সিদ্ধান্তৰ জৰিয়তে সেয়া বৃদ্ধি পাই ৬০ শতাংশলৈ উন্নীত কৰা হৈছে। এই সুবিধা তৎকালে কাৰ্যকৰী হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিগত কাৰ্যকালত ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী ঘোষণা কৰা হৈছিল। আজিৰ কেবিনেট বৈঠকে ডিব্ৰুগড়ৰ ৰাজধানী পৰিসৰ নিৰ্ধাৰণ কৰাৰ লগতে 'ছেকেণ্ড ষ্টেট কেপিটেল ৰিজন ডেভেলপমেণ্ট অথৰিটি' নামৰ এটা নতুন কৰ্তৃপক্ষ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই কৰ্তৃপক্ষৰ পৰিসৰ ডিব্ৰুগড় জিলাৰ ভিতৰত থাকিব আৰু ইয়াৰ ব্যাসাৰ্ধ ২০ কিলোমিটাৰ হ'ব। কৰ্তৃপক্ষৰ অধ্যক্ষ হ'ব ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, আৰু তেখেতৰ পদমৰ্যাদা কেবিনেট পৰ্যায়ৰ হ'ব। লগতে এজন মুখ্য কাৰ্যবাহী বিষয়া নিযুক্তি দিয়া হ'ব। এই কৰ্তৃপক্ষ নিৰ্মাণৰ বাবে অসম চৰকাৰে মুঠ ৫০০ কোটি টকা ব্যয় কৰিব। আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি বৃদ্ধি। মুখ্যমন্ত্ৰীৰ মতে, বিগত পাঁচ বছৰত এই পুঁজি এক কোটি টকাতে সীমাবদ্ধ আছিল। এইবছৰৰ বাবে সেই পুঁজি ডেৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। কাৰণ বছৰৰ আধা সময় পাৰ হৈ যোৱাৰ বাবে এইবাৰ ডেৰ কোটি টকা ৰখা হৈছে। অহা ১ এপ্ৰিলৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি পাব। দুই কোটি টকাৰ ভিতৰত দহ শতাংশ (২০ লাখ টকা) ৰখা হৈছে সৰু সৰু কামৰ বাবে — যেনে স্কুলৰ ফেন, নামঘৰৰ তাল, দিব্যাংগৰ হুইল চেয়াৰ, ছাত্ৰ-ছাত্ৰীৰ লেপটপ আদি। বাকী ১ কোটি ৮০ লাখ টকা আন্তঃগাঁথনি নিৰ্মাণত ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ৬ জুলাইত অসম বিধানসভাৰ বাজেট অধিৱেশন আহ্বান কৰা হৈছে। এই অধিৱেশন ২১ দিনীয়া হ'ব। অধিৱেশন শেষ হোৱাৰ পিছত ১ আগষ্টৰ পৰা প্ৰতিটো চৰকাৰী আঁচনিৰ সুবিধা নিয়মীয়াভাৱে ৰাইজে পাব পাৰিব। তেওঁ স্পষ্টকৈ কয় যে কোনো আঁচনি বন্ধ কৰা হোৱা নাই। কেবিনেটে শিক্ষা বিভাগৰ সন্দৰ্ভত এটা সিদ্ধান্ত গ্ৰহণ কৰে। বিদ্যালয়সমূহৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে তৃতীয় শ্ৰেণীলৈ পদোন্নতিৰ সুবিধা পাব লাগে, কিন্তু ৰোলখন নোহোৱা বাবে তেওঁলোকে সেই সুবিধা পোৱা নাছিল। আজিৰ কেবিনেটে সেই ৰোলখন তৈয়াৰ কৰি দিয়াৰ সিদ্ধান্ত লয়। সেয়ে এতিয়া তেওঁলোকে পদোন্নতিৰ সুবিধা লাভ কৰিব। উল্লেখযোগ্য যে এই সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে ১৭ জনীয়া কেবিনেটৰ আটাইকেইগৰাকী মন্ত্ৰী উপস্থিত আছিল।

# ডিমৰীয়াত প্ৰেমিকাক চোকা অস্ত্ৰৰে হানি-খুঁচি

গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। জানিব পৰা মতে, যুৱতীগৰাকীক মুঠ ১৭বাৰকৈ ডেগাৰেৰে আঘাত কৰি হত্যা কৰা হৈছিল। নিজ ডিমৰীয়াৰ বাসিন্দা বিপুল মল্লিক নামৰ প্ৰেমিকজনে আৰক্ষীৰ আগত যুৱতীগৰাকীক হত্যা কৰাৰ কথা সম্পূৰ্ণৰূপে স্বীকাৰ কৰে। ইফালে, যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ পাছত স্থানীয় আৰক্ষীয়ে সাংবাদিকক জানিবলৈ দিয়া মতে, ৪ জুনত গধূলি ৭ বজাত ঔজাৰি গাঁৱৰ গাঁওবুঢ়াজনে ডিমৰীয়াৰ পথাৰত এগৰাকী যুৱতীৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। প্ৰাৰম্ভিক অৱস্থাত যুৱতীগৰাকীক চিনাক্ত কৰিব পৰা নাছিল। পিছত মৃত যুৱতীগৰাকীক পৰিয়ালৰ লোকসকলে আহি চিনাক্ত কৰে। আৰক্ষীয়ে প্ৰাৰম্ভিক তদন্তত লাভ কৰা তথ্য অনুসৰি, বিপুল মল্লিক ইতিমধ্যে POCSO গোচৰত কাৰাবাস খাটি আহিছিল। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত তেওঁ কাৰাগাৰৰ পৰা মুক্তি পাই আকাশৰ তললৈ আহে। আৰক্ষীয়ে লগতে সদৰি কৰে যে এই আছেজতে বিপুল মল্লিকে যুৱতীগৰাকীক ডিমৰীয়ালৈ মাতি আনি চোকা অস্ত্ৰেৰে আঘাত কৰি হত্যা কৰে আৰু ঘটনাস্থলীৰ পৰা পলায়ন কৰে। হত্যাকাণ্ডৰ পাছত যুৱতীগৰাকীৰ পৰিয়ালে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। দীৰ্ঘ অনুসন্ধান আৰু অভিযানৰ অন্তত আৰক্ষীয়ে গুৱাহাটীৰ পৰা বিপুল মল্লিকক কৰায়ত্ত কৰে। এই ঘটনাই ডিমৰীয়া অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে POCSO গোচৰত জড়িত হৈ থকা মল্লিকৰ কঠোৰ কাৰ্যপন্থাৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ মাজত প্ৰচণ্ড ক্ষোভৰ সৃষ্টি হৈছে। আৰক্ষীয়ে দোষীক আইনৰ জালত সোনকালে সুমুৱাবলৈ সক্ষম হোৱাত স্বস্তি প্ৰকাশ কৰিছে জনসাধাৰণে। ঘটনা সম্পৰ্কে আৰক্ষীয়ে বিস্তৃত তদন্ত অব্যাহত ৰাখিছে।

# লাহৰীঘাটত কলেজীয়া ছাত্ৰীক ধৰ্ষণৰ অপচেষ্টা ! বিফল হৈ

আৰু অপকৰ্মত বিফল হৈ যুৱতীগৰাকীক চুৰিৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। এনে লজ্জাজনক ঘটনাটো সংঘটিত হয় লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ছেনিমাৰি গাঁৱত। আজি পুৱা ৯ মান বজাত সংঘটিত হয় এই জঘন্য ঘটনাটো। ওৱাহিদুল ইছলাম নামৰ লম্পট যুৱকৰ চুৰিকাঘাতত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হ'বলগীয়া হয় কলেজীয়া ছাত্ৰীগৰাকী। আঘাতপ্ৰাপ্ত যুৱতী গৰাকীক সংকটজনক অৱস্থাত লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে মৰিগাঁৱলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, ছাত্ৰীগৰাকী পুৱাৰ ভাগত কলেজত যোৱাৰ বাবে ঘৰৰ পৰা ওলাই যোৱাৰ সময়তে যুৱকজনে ছাত্ৰীগৰাকীক অসৎ কৰ্মৰ উদ্দেশ্যেৰে জোৰ জবৰদস্তি কৰাত ছাত্ৰী গৰাকী চিঞৰি দিয়াত চুৰিৰে আক্ৰমণ কৰে ছাত্ৰীগৰাকীক। চুৰিৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ শৰীৰত ১৪টা ছিলাই দিবলগীয়া হয়। লম্পট যুৱকজনৰ কু-কাণ্ডত যুৱতীগৰাকীয়ে চিঞৰ বাখৰ কৰাৰ ঘৰৰ মানুহ ওলাই অহাত যুৱকজনৰ পৰিয়াললোকৰ মাজত প্ৰচণ্ড মাৰপিটত যুৱতীগৰাকীৰ মাতৃৰ লগতে আন কেবাজনো আঘাতপ্ৰাপ্ত হয়। ইতিমধ্যে ঘটনা সন্দৰ্ভত লাহৰীঘাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যুৱতীৰ পৰিয়ালে। ঘটনা সন্দৰ্ভত লাহৰীঘাট আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয়।

# পৰিবহণ বিভাগৰ পৰিদৰ্শকৰ বাসগৃহত দুৰ্নীতি নিবাৰকৰ

গুৱাহাটীৰ পৰা অহা এটা বিশেষ দলে কাজলগাঁৱৰ হাইনানৌগৌ অঞ্চলত অভিযান আৰম্ভ কৰে। তদন্তকাৰী সংস্থাটোৱে ইন্সপেক্টৰগৰাকীৰ বাসগৃহখন বিস্তৃতভাৱে তল্লাশী কৰি বিভিন্ন নথি-পত্ৰ জব্দ কৰে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে সোমেশ্বৰ ব্ৰহ্ম দুবছৰ পূৰ্বেও দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিছিল। সেই সময়ত তেওঁক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল। বৰ্তমানৰ অভিযানৰ ফলাফল আৰু তদন্তৰ অগ্ৰগতি সম্পৰ্কে অধিক তথ্য অভিযান সম্পূৰ্ণ হোৱাৰ পিছতহে স্পষ্ট হ'ব বুলি আশা কৰা হৈছে। এই ঘটনাই চিৰাং জিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। তদন্তকাৰী সংস্থাটোৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত স্থানীয় ৰাইজৰ লগতে আটাইৰে দৃষ্টি নিবদ্ধ হৈ আছে। কেইবাবাৰো দুৰ্নীতিৰ অভিযোগত জড়িত হোৱা বিষয়াগৰাকীৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি সংশ্লিষ্ট সূত্ৰই জানিবলৈ দিছে।

# অস্তিত্বৰ সংকটত মাজুলীৰ প্ৰাচীন বিল আৰু জলাশয়

কেতিয়াবা হ্ৰাস আৰু কেতিয়াবা বৃদ্ধি হবলৈ ধৰিছে। বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ আৰু মানৱ সৃষ্ট দুৰ্যোগৰ বাবে বায়ু প্ৰদুষণ, ভূমি প্ৰদূষণ সংঘটিত হৈছে। জনসাধাৰণে জলাশয় সমূহ পুতি বৃহৎ বৃহৎ অট্ৰালিকা নিৰ্মাণ কৰিছে। বৰ্তমান সময়ত নগৰ, চহৰ, মহানগৰৰ আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে কৃত্ৰিম বানপানীৰ সমস্যা। সামান্য এজাক বৰষুণতেই বাট-পথ সমূহত আঁঠুৱনীয়া, একঁকাল পৰ্যন্ত পানী হবলৈ ধৰিছে। এইদৰে আপদীয়া পানী হোৱাৰ অন্যতম কাৰণ হৈছে মানুহে জলাশয় সমূহ পুটি সাধাৰণ ঘৰ আৰু বৃহৎ বৃহৎ অট্ৰালিকা নিৰ্মাণ কৰা কাৰ্য। এয়া নগৰ, মহানগৰৰ সমস্যা। কিন্তু বৰ্তমান সময়ত দ্বীপ জিলা মাজুলীৰ প্ৰায় সংখ্যক ব্যৱসায়িক স্থানতো বৰষুণ দিলেই আঁঠুনীয়া পানী হ'বলৈ আৰম্ভ কৰিছে। ইয়াৰ অন্যতম কাৰণ হৈছে দীৰ্ঘ বছৰে মাজুলীৰ অন্ত: ভাগৰ বিল আৰু জলাশয় সমূহত আবদ্ধ মেটেকা আৰু পিটনিসমূহ পৰিষ্কাৰ নকৰাৰ বাবে জলাশয় সমূহ বাম হৈ পৰাৰ লগতে মাজুলীৰ মানুহেও জলাশয় সমূহ পুটিবলৈ আৰম্ভ কৰিছে। ইফালে এই মৃতপ্ৰায় জলাশয় সমূহ সংশ্লিষ্ট বিভাগে উদ্ধাৰৰ বাবে কোনো আঁচনি গ্ৰহণ নকৰাৰ ফলতেই এই সমূহ সমস্যাৰ সৃষ্টি হৈছে। এটা সময়ত মাজুলীৰ ৰাজপথ সমূহৰ কাষে কাষে আছিল জলাশয় অথবা দীঘলীয়া জান-জুৰি। বৰ্তমান এই জান-জুৰি সমূহ পুটি মানুহে বাসগৃহ আৰু ব্যৱসায়ীসকলে ব্যৱসায়িক কেন্দ্ৰ, দোকান আদি খুলিবলৈ লোৱাত ব্যৱসায়িক কেন্দ্ৰ সমূহত কৃত্ৰিম বানপানী হবলৈ ধৰা বুলি সচেতন মহলে জানিবলৈ দিছে। আনহাতে মাজুলীবাসীৰ আন এক সমস্যা হল অধিক বৰষুণ দিলেই কৃত্ৰিম বানপানীৰ বাবে কৃষিভূমিত বাঁও আৰু শালি ধানৰ খেতি কৰিব নোৱাৰাটো বা খেতি কৰিলেও পথাৰত পানী ওফণ্ডি উঠাৰ বাবে ধান খেতি নষ্ট হোৱাটো। ইয়াৰো প্ৰধান আৰু অন্যতম কাৰণ হৈছে পথাৰৰ মাজত অথবা কাষত থকা নৈ বিলবোৰ বিভিন্ন কাৰণত পোট খাই যোৱাটো। বহু সময়ত জান সমূহৰ কাষত কৃষি ভূমি থকা লোকসকলে এই জান সমূহ দখল কৰি মাটিৰে বন্ধাই লোঁৱাৰ ফলতো কৃষি পথাৰত কৃত্ৰিম বানপানী হবলৈ ধৰিছে। মেটেকা, পিটনি আৰু কৃষি পথাৰৰ পৰা মাটি উটি গৈ পোট যাবলৈ উপক্ৰম হোৱা জান সমূহৰ ভিতৰত অন্যতম হল নাওজান বিল, শুকানসুতি, মেখেলি বিল, শিঙৰা বিল, চাকুলি, ধেৰাপৰা, ডাউকপৰা, বৰডুবি, দীঘলি, ভেৰেকী, সৰু কাকৰিকটা, বৰকাকৰিকটা, চৰলা, গটঙা বিল আদি। ক্ৰমান্বয়ে শুকানসুতি বিলখনো বাম হৈ পৰাত বাৰিষা পানী ওফণ্ডি উঠাৰ বাবে কাষৰ কৃষি পথাৰ সমূহত কৃষি কৰ্ম বেয়া হবলৈ ধৰিছে। মেখেলি আৰু শিঙৰি বিলদুখন মেটেকা পিটনিৰ বাবে মৃতপ্ৰায় অৱস্থা। এসময়ত মাছ-কাছৰে উভৈনদী বিল দুখনত এতিয়া ৰাইজে খেতিপথাৰ কৰে। এক কথাত মাজুলীৰ প্ৰায় সমূহ জলাশয় ক্ৰমান্বয়ে এতিয়া বাম হৈ অহাৰ লগতে বহু জলাশয় পুটি মানুহে ঘৰ আৰু ব্যৱসায়, বাণিজ্য কৰিবলৈ লোৱাত বৃদ্ধি পাইছে কৃটিম বানপানীৰ সমস্যা। ইয়াৰোপৰি টুনী নদীখন ২০০২ চনত মাজুলী ৰোডৰ পতিয়া অংশ বন্ধাই ব্ৰহ্মপুত্ৰৰ লগত যোগসূত্ৰ বিচ্ছিন্ন কৰি দিয়াৰ বাবে বন্ধ হৈ পৰা টুনীখনো মেটেকা পিটনিৰে বামহৈ পৰে আৰু অলপ বৰষুণ আহিলেই নদীখনত পানী ওফণ্ডি উঠি কাষৰ পথাৰ ঘৰ বোৰ বুৰাই পেলাই। শেহতীয়াকৈ টুনীবান্ধত শ্ব-ইচ গেট নিৰ্মাণ কৰাৰ বাবে সেই সমস্যাৰ আংশিক লাঘব হৈছে আৰু জলসম্পদ বিভাগে নদীখনৰ মেটেকা নিষ্কাসনৰ ব্যৱস্থা কৰাত নদীখনে পুনৰ প্ৰান পাই উঠিছে। মুঠৰ ওপৰত সময় থাকোঁতেই চৰকাৰে মাজুলীৰ পুৰনি জলাশয় সমূহ খণ্ডা আৰু মেটেকা-পিটনি নিষ্কাসনৰ এক আঁচনি যুগুত কৰি জলাশয় সৰক্ষণৰ ব্যৱস্থা লবলৈ মাজুলীৰ সচেতন মহলে আহ্বান জনাইছে। দ্বীপ জিলাখনৰ ভিতৰ ভাগত অধিক পানী হলে ব্ৰহ্মপুত্ৰলৈ অন্তৰভাগৰ অত্যধিক পানী সমূহ নিষ্কাষনৰ সুব্যৱস্থা কৰিব লাগে বুলি বিজ্ঞসকলে মন্তব্য কৰিছে। ইতিমধ্যে টুনী নৈখনৰ কিছু পিটনি চাফ চিকুণ কৰাৰ পিছত মাজুলীৰ মৎস্য উৎপাদন ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে যদিও ইয়াৰ সংলগ্ন জলাশয়সমূহ পৰিষ্কাৰ কৰাৰ পৰিকল্পনাৰ বাবে অধিক আচনি অনুমোদন জনোৱাৰ আৱশ্যকতা আহি পৰিছে। উল্লেখযোগ্য যে এটা সময়ত বিৰল প্ৰজাতিৰ কাছৰ বসতিস্থান বৰ্তমান পিটনিত পোট যোৱা দেখা গৈছে।

# মৰাণ-মটকৰ বন্ধত দ্বিতীয়

পালন কৰা হয়। কালিৰ দৰেই আজিও পুৱা ৫ বজাৰ পৰাই ৰাজপথলৈ ওলাই অহা প্ৰতিবাদকাৰীয়ে তিনিচুকীয়া, মাকুম, ডুমডুমা, ডিগবৈ, কাকপথাৰ, পেঙেৰী আদি অঞ্চলত টায়াৰ জ্বলাই, পথ অৱৰোধ কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। বন্ধৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি সকলো পথত যান-বাহনৰ চলাচল বন্ধ হৈ পৰে, দোকান-পোহাৰ, বেংক, কাৰ্যালয় সম্পূৰ্ণৰূপে বন্ধ থাকে আৰু দুয়োখন জিলাৰ জনজীৱন দ্বিতীয় দিনাও স্তব্ধ হৈ পৰে। দুয়োটা জনগোষ্ঠীৰ শীৰ্ষ নেতৃত্বই স্পষ্টকৈ কয় যে মৰাণ আৰু মটক জনগোষ্ঠীয়ে আশা কৰিছিল এইবাৰ এজন হ'লেও বিধায়কক মন্ত্ৰিত্ব প্ৰদান কৰি ৰাজনৈতিকভাৱে আগস্থান দিব। কেৱল মৰাণ-মটককেই নহয়, সমগ্ৰ তিনিচুকীয়া জিলাৰ ভোটাৰ, শদিয়া সমষ্টিৰ ৰাইজে বহু আশা কৰিছিল অসম-অৰুণাচল সীমান্তৰ জ্যেষ্ঠ বিধায়ক বলীন চেতিয়াক এইবাৰ মন্ত্ৰিত্ব দিব বুলি। কিন্তু সকলোৰে আশাত চেঁচাপানী ঢালি মুখ্যমন্ত্ৰীয়ে নিজে দিয়া প্ৰতিশ্ৰুতি নিজেই পূৰণ নকৰিলে। তথাপি আমি এতিয়াও আশাবাদী যে জনগোষ্ঠী দুটাৰ ৰাজনৈতিক সুৰক্ষাৰ কথা চিন্তা কৰি, নতুন প্ৰজন্মক আগুৱাই নিবলৈ অসম কেবিনেটত আমাৰ বিধায়কক মন্ত্ৰিত্ব প্ৰদান কৰিব। নেতৃবৃন্দই লগতে কয় যে আমি বন্ধৰ পৰিপন্থী নহয়। অনিচ্ছা সত্ত্বেও আমাক চৰকাৰে এই বন্ধ দিবলৈ বাধ্য কৰাইছে। চৰকাৰে দিয়া মিছা প্ৰতিশ্ৰুতি, মিছা আশ্বাসৰ বাবেই আমি ৰাজপথলৈ ওলাবলগীয়া হৈছে। আমি সদায় অসমখন আগুৱাই যোৱাৰ ক্ষেত্ৰত কাম কৰি আহিছোঁ, প্ৰতিটো জাতি-জনগোষ্ঠীৰ সৈতে সমন্বয়ৰ বাৰ্তাৰে একেলগে আগবাঢ়ি যোৱাত পূৰ্ণ সহযোগিতা কৰিছোঁ। কিন্তু আমাৰ জনগোষ্ঠীকেইটা আগুৱাই যোৱাৰ ক্ষেত্ৰত, ৰাজনৈতিকভাৱে আগুৱাই যোৱাৰ ক্ষেত্ৰত যি সহযোগিতা পাব লাগিছিল, সেই ভূমিকা চৰকাৰে গ্ৰহণ নকৰিলে। শদিয়াৰ ৰাইজ, তিনিচুকীয়া জিলাৰ প্ৰতিগৰাকী লোকে আশা কৰাৰ বাবেই এই ৪৮ ঘণ্টীয়া বন্ধ সফল হৈছে, সকলোৰে সহযোগিতা আগবঢ়াইছে। আনহাতে তেওঁলোকে সকীয়াই দিয়ে যে সুদূৰ ভৱিষ্যতে আমাৰ যিকোনো সমস্যা কেৱল আন্দোলন কৰিলেহে সমাধান কৰিম বুলি যদি চৰকাৰে ভাবে, তেন্তে নতুন প্ৰজন্মলৈ ভুল বাৰ্তা যাব। চৰকাৰে আলোচনাৰ বাবে যোগাযোগ কৰিছে যদিও জনজাতিকৰণৰ পৰা ভূমি অধিকাৰলৈকে বহু আলোচনা হ'ল, বহু প্ৰতিশ্ৰুতি দিলে, কিন্তু কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত কোনো পদক্ষেপ নল'লে। আলোচনাৰ নামত কেৱল প্ৰতাৰণাহে কৰি আহিছে। এই প্ৰখৰ ৰ'দত ঘৰ-বাৰী, কাম-কাজ এৰি ৰাজপথত আন্দোলন কৰি থকাটো আমিও নিবিচাৰোঁ। আমি কৰ্মমুখী যাত্ৰাৰে, অৰ্থনৈতিক সুৰক্ষাৰে অসমখন আগুৱাই নিব বিচাৰোঁ। তাৰ বাবে আমাক সুবিধা দিব লাগিব। কেৱল আলোচনাৰ নামত আলোচনা কৰিলে নহ'ব, আলোচনাত হোৱা সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ পদক্ষেপ ল'ব লাগিব বুলি দুয়োটা জনগোষ্ঠীৰ নেতৃত্বই দৃঢ়তাৰে কয়।

# দেৰগাঁৱৰ ৰঙামাটি টোলগেটত

ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি, গুৱাহাটীৰ পৰা দুলীয়াজান অভিমুখে গৈ থকা এখন নৈশ বাছে ৰঙামাটি টোলগেট পাৰ হ'বলৈ লওঁতেই এজন টোল গেটৰ কৰ্মচাৰীক মহতীয়াই নিয়াৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰি টোলগেটৰ কৰ্মচাৰীয়ে কাষতে থকা শিল বাছখনৰ ফালে নিক্ষেপ কৰে। ফলত বাছখনৰ এখন গ্লাছ ভাঙি যায়। এই ঘটনাক কেন্দ্ৰ কৰি প্ৰথমে দুয়োপক্ষৰ মাজত তীব্ৰ বাকবিতণ্ডাৰ অন্তত মাৰপিটৰ ঘটনা সংঘটিত হয়। ঘটনাক কেন্দ্ৰ কৰি পৰৱৰ্তী সময়ত পৰিস্থিতি অধিক উত্তপ্ত হৈ উঠে। হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হোৱাত কিছু সময়ৰ বাবে সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে যাতায়াত ব্যৱস্থা। ঘটনাৰ খবৰ পোৱাৰ লগে লগে দেৰগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। আৰক্ষীয়ে দুয়োপক্ষক দেৰগাঁও থানালৈ লৈ যায় আৰু ঘটনাটোৰ তদন্ত আৰম্ভ কৰে।

# এছিয়ান গেমছৰ বাবে ভাৰতীয় পুৰুষ টি-২০ দল

শক্তিশালী দল ঘোষণা কৰিছে। এই গুৰুত্বপূৰ্ণ মহাদেশীয় প্ৰতিযোগিতাত দলটোক নেতৃত্ব দিব নতুনকৈ নিযুক্ত টি-২০ অধিনায়ক শ্ৰেয়াছ আয়াৰে। আনহাতে যুৱ বেটাৰ তিলক বৰ্মাক সহ-অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। দলটোৰ আটাইতকৈ চাঞ্চল্যকৰ দিশটো হৈছে অভিজ্ঞ পেচাৰ যশপ্ৰীত বুমৰাহৰ পুনৰাগমন। পূৰ্বে বাছনিকৰ্তাসকলে ২০২৭ চনৰ এদিনীয়া বিশ্বকাপৰ প্ৰস্তুতিৰ কথা চিন্তা কৰি বুমৰাহৰ কৰ্মভাৰ পৰিচালনা কৰাৰ উদ্দেশ্যে জুন-জুলাই মাহৰ আয়াৰলেণ্ড আৰু ইংলেণ্ড ভ্ৰমণৰ পৰা তেওঁক জিৰণি দিছিল। কিন্তু এছিয়ান গেমছৰ দৰে ডাঙৰ মঞ্চত স্বৰ্ণ পদক জয়ৰ লক্ষ্যৰ সৈতে তেওঁক এই পূৰ্ণাংগ দলটোত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতৰ বেটিং লাইন-আপত যুৱ আৰু অভিজ্ঞ খেলুৱৈৰ এক সুন্দৰ সংমিশ্ৰণ ঘটিছে। সৰু বয়সতে ক্ৰিকেট জগতত চমক সৃষ্টি কৰা বৈভৱ সূৰ্যবংশীকো দলত স্থান দিয়া হৈছে। তেওঁ অভিজ্ঞ বেটাৰ সঞ্জু ছেমছন, অভিষেক শৰ্মা আৰু ইশান কিষাণৰ সৈতে বেটিং ক্ৰমৰ শীৰ্ষস্থানৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। দলৰ মধ্যম ক্ৰমক শক্তিশালী কৰিবলৈ নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ আৰু বিধ্বংসী হাৰ্ড-হিটাৰ শিৱম ডুবেকক বাছনি কৰা হৈছে। বলিং বিভাগৰ ফালে চালে স্পিন আক্ৰমণৰ বাবে ৱাশ্বিংটন সুন্দৰৰ উপৰিও অক্ষৰ পেটেল, বৰুণ চক্ৰৱৰ্তী আৰু ৰবি বিষ্ণৈক দলত ঠাই দিয়া হৈছে। আনহাতে পেচ ইউনিটৰ দায়িত্বত থাকিব যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং আৰু হৰ্ষিত ৰাণা। উইকেটকীপিংৰ বাবে দলত সঞ্জু ছেমছন আৰু ইশান কিষাণ দুয়োজনেই উপলব্ধ থাকিব। জাপানত অনুষ্ঠিত হ'বলগীয়া এই পুৰুষ ক্ৰিকেট প্ৰতিযোগিতাখন সম্পূৰ্ণৰূপে টি-২০ ফৰ্মেটত খেলা হ'ব। প্ৰতিযোগিতাৰ সময়সূচী ২৪ ছেপ্টেম্বৰৰ পৰা ৩ অক্টোবৰলৈ ধাৰ্য কৰা হৈছে। খিতাপ অৰ্জনৰ বাবে মুঠ ১০টা শক্তিশালী দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলসমূহ হৈছে: ভাৰত, পাকিস্তান, বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তান, নেপাল, মালয়েছিয়া, হংকং, ওমান আৰু আয়োজক দেশ জাপান। প্ৰতিযোগিতাৰ আৰম্ভণি ২৪ৰ পৰা ২৬ ছেপ্টেম্বৰলৈ প্ৰাথমিক অৰ্হতা পৰ্যায়ৰ মেচৰে হ'ব। ইয়াৰ পিছত ২৮ আৰু ২৯ ছেপ্টেম্বৰত কোৱাৰ্টাৰ ফাইনেল মেচ অনুষ্ঠিত হ'ব। ছেমি ফাইনেল খেলা হ'ব ১ অক্টোবৰত আৰু শেষৰ দিনা অৰ্থাৎ ৩ অক্টোবৰত ব্ৰঞ্জৰ পদকৰ খেলৰ লগতে বহু প্ৰত্যাশিত স্বৰ্ণ পদকৰ ফাইনেল যুঁজখন অনুষ্ঠিত হ'ব। শ্ৰেয়াছ আয়াৰৰ নেতৃত্বত এই তাৰকাখচিত ভাৰতীয় দলটোৱে দেশলৈ স্বৰ্ণ পদক কঢ়িয়াই আনিবলৈ সম্পূৰ্ণ সাজু হৈ উঠিছে। এছিয়ান গেমছৰ বাবে ভাৰতৰ পুৰুষ টি-২০ দলটোত আছে শ্ৰেয়াছ আয়াৰ (অধিনায়ক), তিলক বৰ্মা (সহ-অধিনায়ক), সঞ্জু ছেমছন, অভিষেক শৰ্মা, ইশান কিষাণ, শিৱম ডুবে, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, নীতিশ কুমাৰ ৰেড্ডী, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণৈ, হৰ্ষিত ৰাণা, অৰ্শদীপ সিং, বৈভৱ সূৰ্যবংশী, যশপ্ৰীত বুমৰাহ।

# নিউ জলপাই-গুৰিত ব্ৰজপাতত প্ৰাণ হেৰুৱালে

পৰি তিনিচুকীয়াৰ যুৱক, সীমা সুৰক্ষা বাহিনীৰ জোৱান মহম্মদ টায়াৰ হুছেইনৰ অকাল মৃত্যু ঘটিছে। এই শোকাৱহ ঘটনাই সমগ্ৰ তিনিচুকীয়া জিলাত গভীৰ শোকৰ ছাঁ পেলাইছে। ১৯৯৯ চনৰ ১২ নৱেম্বৰত তিনিচুকীয়া চহৰৰ হিজুগুৰিত জন্মগ্ৰহণ কৰা মহম্মদ টায়াৰ হুছেইনে প্ৰায় তিনি বছৰ পূৰ্বে ভাৰতীয় সীমা সুৰক্ষা বাহিনীত জোৱান হিচাপে যোগদান কৰিছিল। তেওঁ বিএছএফৰ ১৩০ নং বেটেলিয়ানত কৰ্মৰত আছিল। পৰিয়াল আৰু বিএছএফৰ বিষয়াসকলে জনোৱা মতে, যোৱা ৪ জুনত নিউ জলপাইগুৰিত নিজৰ কৰ্তব্য পালন কৰি থকা অৱস্থাতে হঠাৎ ব্ৰজপাত পৰাৰ ফলত তেওঁ গুৰুতৰভাৱে আহত হয় আৰু চিকিৎসাধীন অৱস্থাত মৃত্যুক সাৱটি লয়। উল্লেখযোগ্য যে, জোৱান টায়াৰ হুছেইন যোৱা মাহত একমহীয়া ছুটীত ঘৰলৈ আহিছিল। পৰিয়ালৰ সৈতে সময় কটোৱাৰ অন্তত যোৱা ১ জুনত তেওঁ পুনৰ কৰ্মস্থলীলৈ উভতি গৈছিল। আজি জোৱানজনৰ নশ্বৰদেহ হিজুগুৰিৰ বাসগৃহত আহি পোৱাৰ লগে লগে সমগ্ৰ অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পৰিয়ালৰ লোক, আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়াৰ কান্দোনত আকাশ-বতাহ গধুৰ হৈ পৰে। জিলা প্ৰশাসনৰ বিষয়ববীয়া, বিএছএফৰ উচ্চপদস্থ বিষয়া-জোৱানৰ লগতে বহু দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্থানীয় ৰাইজে জোৱানজনৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিএছএফৰ তৰফৰ পৰা পূৰ্ণ সামৰিক মৰ্যাদাৰে তেওঁক অন্তিম বিদায় জনোৱা হয়। মাত্ৰ ২৫ বছৰ বয়সতে দেশমাতৃৰ সেৱাত প্ৰাণ আহুতি দিয়া এই বীৰ জোৱানৰ মৃত্যুত তিনিচুকীয়াবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# পঁইতাচৰাই কঁপালে যন্তৰ

শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীটো এক আৰম্ভণিহে। তেওঁলোকৰ প্ৰকৃত লক্ষ্য হৈছে সমগ্ৰ শিক্ষাব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰা। তেওঁৰ মতে, পৰীক্ষাৰ অসুস্থতা আৰু প্ৰশ্নকাকত ফাদিল হোৱাটো এক গুৰুতৰ সমস্যাৰ কেৱল লক্ষণ। গতিকে সমগ্ৰ শিক্ষা ব্যৱস্থাত স্বচ্ছতা, জবাবদিহিতা আৰু সকলোৰে বাবে গুণগত শিক্ষা নিশ্চিত কৰিবলৈ এক ব্যাপক পৰিৱৰ্তন অনীহাৰ্য। এই প্ৰতিবাদৰ সময়ছোৱাতে দিল্লী আৰক্ষীয়ে যন্তৰ-মন্তৰ এলেকাত দুটা গোটৰ মাজত সম্ভাব্য সংঘাত ৰোধ কৰিবলৈ ছয়জন লোকক আটক কৰে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, অনলাইন আন্দোলনৰ সমৰ্থক আৰু বিৰোধীসকলৰ মাজত উত্তেজনা বৃদ্ধি পোৱাৰ সম্ভাৱনা থকা বুলি আগতীয়াকৈ তথ্য পোৱা গৈছিল। সেয়ে আইন-শৃংখলা বজাই ৰাখিবলৈ সতৰ্কতামূলক ব্যৱস্থা হিচাপে এই লোকসকলক জিম্মাত লোৱা হয়। আৰক্ষী বিষয়াৰ সক্ৰিয়তাৰ বাবে সম্পূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণত থাকে আৰু কোনো ডাঙৰ অপ্ৰীতিকৰ ঘটনা নঘটাকৈ সমগ্ৰ প্ৰতিবাদী কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সামৰণি পৰে।

# ব্ৰহ্মপুত্ৰৰ কৃতি ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, বাদুলিপাৰ, ৬ জুন ঃ** অসমৰ সৰ্ব বৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলাৰ ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবহিনীৰ দ্বাৰা বিগত বৰ্ষৰ দৰে এই বৰ্ষটো উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীলৈ আন্তৰিক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে যোৱা ১ জুন তাৰিখে। ৫৩৯ সংখ্যক শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ উৎসৱৰ লগত সংগতি ৰাখি আঞ্চলিক শাখাৰ ১৮খন প্ৰাথমিকৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীক লেমচাপৰি নামঘৰৰ প্ৰাংগণত আয়োজন কৰে অভিনন্দন অনুষ্ঠান। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীবলীন চন্দ্ৰ বৰা দেৱে। উদ্দেশ্যে ব্যাখ্যা কৰে আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীগুণন্দ্ৰচন্দ্ৰ ভৰালী দেৱে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ড° দেৱজিৎ বৰুৱা। জিলাখনৰ ব্যক্তিক্ৰমী আঞ্চলিক হিচাপে পৰিচিত ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাই বিভিন্ন সময়ত বহুতো কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এইবাৰ জনোৱা অভিনন্দন অনুষ্ঠান ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা লেমচাপৰি নামঘৰত প্ৰাংগণ অনুষ্ঠিত কৰে। ব্ৰহ্মপুত্ৰৰ পাৰৰ চাপৰিটোত এনে অনুষ্ঠান এইবাৰেই প্ৰথম বুলি জনাই স্থানীয় ৰাইছে। উক্ত অনুষ্ঠানত উপস্থিত থাকে জিলা শাখাৰ সহ সম্পাদক শ্ৰীযুত অনন্ত কুমাৰ বৰা, জিলা শাখাৰ সেৱাবহিনীৰ উপ অধিনায়ক বিশ্বজিৎ হাজৰিকা, জিলা সদস্য সমীৰ ভূষণ বৰাৰ লগতে ১৮খন প্ৰাথমিক শাখাৰ সংগী বাপ আই। ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবাহিনীৰ অধিনায়ক প্ৰণৱ বৰাই জানিবলৈ দিয়ে যে কেৱল অভিনন্দন অনুষ্ঠানেই নহয় আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ ছাত্ৰীৰ পঢ়াৰ দায়িত্বও পালন কৰিব আঞ্চলিক সেৱা বাহিনীয়ে। সহজ-সৰলভাৱে জীৱন উদযাপন কৰা লেমচাপৰি ৰাইজৰ সঁহাৰি প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে সেৱাবহিনীৰ অধিনায়ক প্ৰণৱ বৰাই।

**সুস্থ জীৱন লাভ কৰিবলৈ পৰিৱেশ সুস্থ কৰি ৰাখিব লাগিব ঃ পবিত্ৰ তালুকদাৰ**

## বাগানপাৰা হাইস্কুলত বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰিৱেশ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বাগানপাৰা, ৬ জুন ঃ** পৰিৱেশ সংৰক্ষণৰ বাবে পাঁচ জুনৰ দিনটোৱেই যথেষ্ট নহয়, প্ৰতিটো দিনতেই আমি পৰিৱেশ সংৰক্ষণত গুৰুত্ব দিব লাগিব। যিহেতু মানুহো পৰিৱেশৰ এক অংশ গতিকে আমি প্ৰত্যেকেই পৰিৱেশ সুস্থ কৰি ৰখাৰ ওপৰত গুৰুত্ব দিব লাগিব। বৰ্ধিত জনসংখ্যা আৰু আধুনিক জীৱন যাত্ৰাই পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। আমাৰ চৌপাশৰ পৰিৱেশক আমি সুস্থ কৰি ৰাখিব নোৱাৰিলে আমি সুস্থ জীৱন যাপন কৰিব নোৱাৰিম। গতিকে প্ৰত্যেকে পৰিৱেশৰ প্ৰতি সজাগ হোৱা উচিত। পলিথিন-প্লাষ্টিক আদিৰ ব্যৱহাৰে আমাৰ পৰিৱেশক যথেষ্ট বিনষ্ট কৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশৰ প্ৰতি সদয় হ'লেহে ভৱিষ্যতে সুস্থ জীৱন লাভ কৰিব। এই মন্তব্য বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক পবিত্ৰ তালুকদাৰৰ। আজি বাগানপাৰা হাইস্কুলৰ সহযোগত বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰই বাগানপাৰা হাইস্কুলত আয়োজন কৰা বিশ্ব পৰিৱেশ দিৱসৰ অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি বাতক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক পবিত্ৰ তালুকদাৰে এইদৰে কয়। বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ ডাঃ দেৱজিৎ বৰাই আঁত ধৰা অনুষ্ঠানটোত বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ ডক্টৰ সুনীল ভট্টাচাৰ্যই পৰিৱেশ দিৱসৰ তাৎপৰ্য সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। বাগানপাৰা হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক ধীৰেণ চন্দ্ৰ বড়োই পৰিৱেশ দিৱসৰ গুৰুত্ব সম্পৰ্কে বক্তব্য দাঙি ধৰি ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ আঁচনি সহায়িকা জ্যোতিস্মিতা বৰা আৰু বিষয়বস্তু বিশেষজ্ঞ গৰিয়সী তামোলীয়েও অংশ লোৱা অনুষ্ঠানটোত বাগানপাৰা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল কুমাৰ দাস, সহকাৰী প্ৰধান শিক্ষক সোণেশ্বৰ ডেকা, শিক্ষক উৎপল কলিতা, ফৈলাওচা ব্ৰহ্ম, মহিত বড়োসহ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ পূৰ্বে বাগানপাৰা হাইস্কুল আৰু বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ তৰফৰ পৰা বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়। পৰিৱেশ দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত নিয়ৰ বৰ্মনে প্ৰথম, ৰাজশ্ৰী কাকতিয়ে দ্বিতীয়, অংকিত ৰাজবংশীয়ে তৃতীয়, 'খ' শাখাত হাঞ্জা বসুমতাৰীয়ে প্ৰথম, দিদৌমচা বড়োৱে দ্বিতীয় আৰু ৰশ্মি বড়োই তৃতীয় পুৰস্কাৰ লাভ কৰে। বিদ্যালয়খনত বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰই 'খেত বচাওঁ অভিযান' সম্পৰ্কেও এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে।

## ডুমডুমাত বিভিন্ন সংগঠন আৰু শিক্ষানুষ্ঠানৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৬জুন ঃ** সমগ্ৰ দেশৰ লগতে ডুমডুমাতো ৫ জুনত বিভিন্ন শিক্ষানুষ্ঠান, বিজ্ঞান সমিতি আৰু বন বিভাগৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস অতি উলহ-মালহেৰে পালন কৰা হয়। মটক-মৰাণ সংগঠনৰ ৪৮ ঘণ্টীয়া বন্ধৰ আহ্বানৰ মাজতো ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে দিনটোৰ কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণ কৰা হয়। অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখা আৰু ল'টাচ একাডেমীৰ যৌথ উদ্যোগত পুৰা ডুমডুমা নগৰৰ নৱনিৰ্মিত ডঃ ভূপেন হাজৰিকা উদ্যানত গছপুলি ৰোপণ কৰা হয়, য'ত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য উপস্থিত থাকে। ইয়াৰ পিছতে ল'টাচ একাডেমীত আয়োজিত সভাত ৰুণুমণি দত্ত ভূঞাই বিজ্ঞান সমিতিৰ চিহ্ন গীত পৰিৱেশন কৰে আৰু বিদ্যালয়ৰ অধ্যক্ষ মানস কুমাৰ দে-য়ে আদৰণি ভাষণ আগবঢ়ায়। অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ কাৰ্যবাহী সদস্য ধীৰেন ডেকাই বিশিষ্ট শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা তৰ্পণ কৰাৰ লগতে কেন্দ্ৰীয় সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰৰ বাণী পাঠ কৰে। শাখা সভানেত্ৰী ডঃ মীনা দেৱী বৰুৱা, কাৰ্যকৰী সভাপতি ঝিকানন্দ বৰগোহাঁই, যুটীয়া সম্পাদক উৎপল পূজাৰী আৰু কোষাধ্যক্ষ অৰ্জুন বৰুৱাৰ উপস্থিতিত অনুষ্ঠিত এই সভাত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। ড° মীনা দেৱী বৰুৱাই চলিত বৰ্ষৰ মূল বিষয় "জলবায়ু কাৰ্য্যব্যৱস্থা" (Climate Action) সন্দৰ্ভত বক্তব্য আগবঢ়োৱাৰ বিপৰীতে ড° উজ্জ্বল ভট্টাচাৰ্যই বিজ্ঞান আৰ্হি প্ৰদৰ্শনী উদ্বোধন কৰে। সভাত জীৱন সদস্য দীপালী শইকীয়া, কিষানলাল পাৰিক, ৰাজ কুমাৰ গাৰোডিয়া আৰু অৰূপজ্যোতি ডেকাই অংশগ্ৰহণ কৰে আৰু ৰাষ্ট্ৰীয় সংগীতৰে অনুষ্ঠানৰ সামৰণি পৰে। একেদৰে ডুমডুমা মহাবিদ্যালয়, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় আৰু ডুমডুমা বন বিভাগৰ যৌথ উদ্যোগত তথা NCC, NSS আৰু পৰিৱেশ সংৰক্ষণ গতিবিধিৰ সহযোগত ডুমডুমা মহাবিদ্যালয় চৌহদত এক বিশেষ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই পৰিৱেশ সংৰক্ষণ কেৱল এদিনীয়া কৰ্তব্য নহয়, বৰং সমগ্ৰ বছৰজুৰি কৰিবলগীয়া দায়িত্ব বুলি সোঁৱৰাই দিয়ে। এই অনুষ্ঠানত ডুমডুমা সম-জিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈ, ডুমডুমা বন সংমণ্ডল বিষয়া পুষ্পধৰ বৰগোহাঁই, বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজ্যোতি শইকীয়া, বন বিষয়া বিজয় চেতিয়া পাত্ৰ, ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত আৰু অধ্যাপক ড° অঞ্জন শইকীয়া, ড° জলিল চৌধুৰী, প্ৰণীতা শইকীয়া আদিকে ধৰি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰি প্ৰায় ৫০ জোপা ফলদায়ক আৰু ছাঁ প্ৰদানকাৰী গছৰ পুলি ৰোপণ কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত




ঔষধি গছৰ বীজ বিতৰণ কৰাৰ লগতে পূৰ্বে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৰস্কৃত কৰা হয়। আনহাতে, অসম বিজ্ঞান সমিতিৰ ৰূপাই চাইডিং শাখা, ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পুৱা গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰাৰ পিছত বিদ্যালয়ৰ অধ্যক্ষা মালা বৰুৱা কাকতিৰ পৌৰোহিত্যত "জলবায়ুৰ কাৰ্য্যব্যৱস্থা" শীৰ্ষক এক সজাগতা সভা অনুষ্ঠিত হয়। শিক্ষয়িত্ৰী ৰবী গগৈয়ে আঁত ধৰা সভাখনত সমল ব্যক্তি ভূপেন বৰগোহাঞিয়ে প্লাষ্টিক বৰ্জন, প্ৰকৃতিৰ ভাৰসাম্য আৰু অৰুণাচল প্ৰদেশৰ 'Bugun Liuchchila' চৰাইৰ সন্দৰ্ভত এক জ্ঞানবৰ্ধক বক্তব্য আগবঢ়ায়। সভাত সাহিত্য সভাৰ সভাপতি বেণু বৰাই চৰাই-চিৰিকটিৰ হ্ৰাস পোৱা সংখ্যা আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষেশ্বৰ মৰাণে গোলকীয় উষ্ণতা বৃদ্ধিৰ ওপৰত আলোকপাত কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজু বৰুৱা, বিজ্ঞান সমিতিৰ শাখা সম্পাদক ৰাতুল গগৈ, সহকাৰী সম্পাদক মিণ্টু উপাধ্যায় আৰু বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত এই সভাত যোৱা ৩ মে'ত প্ৰায় ১৫০ গৰাকী শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত ৰচনা আৰু প'ষ্টাৰ অংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক মানপত্ৰ ও পুৰস্কাৰ প্ৰদান কৰা হয়। ৰচনা প্ৰতিযোগিতাত অনন্যা গগৈয়ে প্ৰথম, লাজনি ভূমিজে দ্বিতীয় আৰু পদ্ম মৰাণে তৃতীয় স্থান লাভ কৰে। প'ষ্টাৰ অংকনত লাজনি ভূমিজে প্ৰথম, তবচুম খাতুনে দ্বিতীয় আৰু লক্ষ্মী ওৰাঙে তৃতীয় স্থান লাভ কৰে। শেষত অসম সংগীতেৰে এইবৰ্ণাঢ্য কাৰ্যসূচীৰ সফল সামৰণি মৰা হয়।

## আমগুৰি মণ্ডল বিজেপি কৃষক মৰ্চাৰ বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, চেলেংহাট, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি আমগুৰিতো বিশ্ব পৰিৱেশ দিৱস ২০২৬ অতি উলহ-মালহেৰে পালন কৰা হয়। এই বিশেষ দিনটোৰ সৈতে সংগতি ৰাখি আমগুৰি মণ্ডল বিজেপি কৃষক মৰ্চাৰ উদ্যোগত দোপদৰ দিহিঙীয়া গাঁৱৰ পশু চিকিৎসালয় চৌহদত এক বিশেষ বৃক্ষৰোপণ কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। "আহক, এজোপা গছ ৰুই পৃথিৱী সেউজ কৰোঁ"- এই উদ্দেশ্য আগত ৰাখিয়েই দলৰ বিভিন্ন পৰ্যায়ৰ কাৰ্যকৰ্তা আৰু স্থানীয় ৰাইজৰ সহযোগত এই কাৰ্যসূচী সমাপন হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা সমিতিৰ কৃষক মৰ্চাৰ সভাপতি অনন্ত হাতিমুৰীয়া। তেখেতে নিজ হাতেৰে বৃক্ষৰোপণ কৰি পৰিৱেশ সুৰক্ষাৰ গুৰুত্ব আৰু গছ-গছনিৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। এই কাৰ্য্যসূচীত অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভাপতিধ্ৰুৱজ্যোতি চাংমাই, যুৱ মৰ্চাৰ জিলা সমিতিৰ সম্পাদক বিতুল কাকতি, জিলা কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক বিজয় কৃষ্ণ শৰ্মা, আমগুৰি মণ্ডল বিজেপিৰ মণ্ডল উপ সভাপতি পুতুল বৰুৱা আৰু বিকাশ গগৈ, আমগুৰি মণ্ডল কৃষক মৰ্চাৰ সভাপতি ভৰত গগৈ, সম্পাদক প্ৰবীন দুৱৰা, উপ সভাপতি হেমকান্ত গোহাঁই, বৰাহীবাৰী গাঁও পঞ্চায়তৰ ৭নং ৱাৰ্ডৰ সদস্যা মঞ্জু দিহিঙীয়া ২২৩নং বুথৰ সভাপতি বিপুল বৰগোহাঁই আৰু ২২২ নং বুথৰ সভাপতি নৱ লাহন, আমগুৰি মণ্ডল কৃষক মৰ্চাৰ সক্ৰিয় সদস্য ক্ৰমে চিনু ফুকন, দিব্য গগৈ, অৰুণ বৰুৱা আৰু কৃষ্ণ গোৱালাকে ধৰি বহুসংখ্যক দলীয় কৰ্মী তথা স্থানীয় ৰাইজ এই কাৰ্যসূচীত উপস্থিত থাকে।

## ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভা আৰু ভূমি সংৰক্ষণ বিভাগৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ জুন ঃ** ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভা আৰু পূব অসম ভূমি সংৰক্ষণ সংমণ্ডলৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ বঙালগাঁও প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত দিনজোৰা কাৰ্য্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। সভাৰ আৰম্ভণিতে শিশুসকলে সমৱেত কণ্ঠত এটি গীত পৰিৱেশন কৰে। ৰামধেনু শতদল শাখা সাহিত্য সভাৰ উপ সভাপতি ৰত্নেশ্বৰ ফুকনে পৰিচালনা কৰা সভাত সম্পাদক অনিল প্ৰসাদ সিঙে উদ্দেশ্য ব্যাখ্যা কৰে। সভাত পূব অসম ভূমি সংৰক্ষণ সংমণ্ডলত প্ৰাধিকৰণৰ বিষয়া তাপচি কলিতাই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য আৰু গছ পুলি ৰোপণৰ কাৰ্যকৰীতা সম্পৰ্কে বুজাই দিয়ে আৰু গছ থাকিলেহে মানুহ থাকিব সেই কথা বুজাই দিয়ে। এই কাৰ্যসূচীতে মমী গগৈ মেচ, অণিমা মেচ গগৈ, দেৱী প্ৰধান, নলিনী মেচ, হেমলতা গগৈ আৰু ভাৰতী মেচক ৰূপৰেখা মহিলা গোটক একোটিকৈ গছ-পুলি বিতৰণ কৰে আৰু তেওঁলোকে বঙালগাওঁ প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এই পুলি ৰোপণ কৰে। অনুষ্ঠানত বঙালগাঁৱৰ গাঁওপ্ৰধান বিশ্বজিৎ মেচ, হিলৈধাৰী গাঁও আঞ্চলিক পঞ্চায়তৰ সদস্য মদন চন্দ্ৰ ভৰালী, খন্দ প্ৰাথমিক শিক্ষাৰ বিষয়ববীয়া ৰেখামণি বৰুৱা, পূব, ৰামধেনুৰ উপদেষ্টা ৰঞ্জন দত্ত, যুটীয়া সম্পাদক বিমল চন্দ্ৰ দত্ত, ৰামধেনু শতদল শাখা সাহিত্য সম্পাদক এম হাছিম আলী, ৰামধেনু উপশমিতিৰ কাৰ্যকৰী সভাপতি ৰঞ্জিত মেচ, বঙালগাঁও পূবেৰুণ সংঘৰ উপদেষ্টা মণ্টু মেচ, ভূমি সংৰক্ষণ বিভাগৰ বিষয়ববীয়া কৰ্ণ বসুমতাৰী, নুমল চন্দ্ৰ মেচ, নিতুমণি কলিতা, উৎপল হাজৰিকা, তাপসী কলিতা আদি উপস্থিত থাকে। এই অনুষ্ঠানতে মীন বিভাগৰ যুটীয়া সঞ্চালক মনিৰউদ্দিন আহমেদে অসম সাহিত্য সভাৰ সদস্য পদৰ স্বীকৃতি লাভ কৰাত তেওঁক চাৰ্টিফিকেট প্ৰদান কৰে আৰু এই সভাতে কেবাগৰাকীও আজীৱন সদস্যপদৰ পত্ৰ জমা দিয়ে। অনুষ্ঠানত আজীৱন সদস্য মহেশ তেলী, কল্পনা শইকীয়া আৰু কৰবী শইকীয়া মেচ উপস্থিত থাকে। পৰিবেশৰ ওপৰত ছবি অঁকা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ৪০জন ছাত্ৰ-ছাত্ৰীক বিভাগৰ ফালৰ পৰা মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হয় এইমানপত্ৰ ৰামধেনু স্বেচ্ছাসেৱক দলৰ ফালৰ পৰাও প্ৰদান কৰা হয়। ডিব্ৰুগড়ৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান বান্ধৈ কৃষি পামৰ সভাপতি ভূষণ জ্যোতি সন্দিকৈ আৰু অৰ্পণা বৰাই ১৫ জোপা বকুল ফুলৰ পুলি প্ৰেৰণ কৰাত তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে আৰু সেইবোৰ স্কুল চৌহদত ৰোপণ কৰে।

## বুঢ়াচাপৰি অভয়াৰণ্যত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, ৰূপহীহাট, ৬ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সমগ্ৰ দেশৰ লগতে বুঢ়াচাপৰি বন বিভাগৰ উদ্যোগতো পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। বুঢ়াচাপৰি বনবিভাগৰ বন বিষায়াই বন কৰ্মী সকলক লগত লৈ গছপুলি ৰোপণ কৰে। ইয়াৰ উপৰিও ৬ নং বগামুখ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকল লগত লৈ বিদ্যালয়খনৰ চৌপাশে কেবাটাও গছ পুলি ৰোপণ কৰাৰ লগতে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে সজাগতা মূলক বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ ছাত্ৰীক অৱগত কৰে যে "গছ-গছনিহে আমাৰ জীৱনদাতা। পিতৃ মাতৃয়ে আমাক যেনেকৈ লালন পালন কৰিছিল ঠিক একেদৰেই যত্ন কৰি আমি গছ লগাই ডাঙৰ দীঘল কৰিব লাগে। এক সুন্দৰ আৰু শিক্ষামূলক পৰিৱেশৰ মাজেৰে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীৰ অন্ত পেলায়।

## জাগীৰোডৰ বাঘজাপত দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সঙ্গীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৬জুন ঃ** অসমীয়া কলা-সংস্কৃতি, সাহিত্য আৰু গণ-আন্দোলনৰ ক্ষেত্ৰত অনৱদ্য অৱদান আগবঢ়াই অহা বৰেণ্য ব্যক্তি বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ স্মৃতি দিৱসটি সমগ্ৰ অসমৰ লগতে জাগীৰোড সমজিলাৰ অন্তৰ্গত ঐতিহাসিক জোনবিল মেলাৰ সমীপৱৰ্তী বাঘজাপ গাঁৱৰ বাঘজাপ আঞ্চলিক ৰাসমন্দিৰ প্ৰাংগনত বাঘজাপ বিষ্ণু জ্যোতি মহিলা সমাজৰ উদ্যোগত আগন্তুক ২০ আৰু ২১ জুন তাৰিখে বিস্তৃত কাৰ্যসূচীৰে ৰাভা দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। ২০ জুন তাৰিখে সদৌ অসম ভিত্তিত আয়োজিত ৰাভা সঙ্গীত প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব বুলি আয়োজক সমিতিৰ সভানেত্ৰী মনীষা ডেকা আৰু সম্পাদিকা প্ৰতিমা ডেকাই জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি ২০ জুন তাৰিখে পুৱা ৮ বজাত সংস্থাৰ সভানেত্ৰী মনিষা ডেকাই পতাকা উত্তোলন কৰি অনুষ্ঠানৰ পাতনি মেলিব। স্মৃতি তৰ্পন কৰিব গোভা মৌজাৰ মৌজাদাৰ খগেন্দ্ৰনাথ ডেকাই আৰু বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেবেন্দ্ৰ নাথ ডেকাই। দিনৰ ১১. ৩০ বজাত জাগীভকতগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিৰেন শৰ্মাই প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰিব। ২১ জুনৰ দিনা সন্ধিয়া ৭ বজাত ৰাভা সঙ্গীত প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হব। বঁটাত নগন ধন আৰু মানপ্ৰত্ৰ থাকিব। দুটা শাখাত আয়োজন কৰা প্ৰতিযোগিতা খনিৰ "ক" শাখাত ১৪ বছৰ বয়সৰ তলৰ আৰু "খ" শাখাত ১৪ বছৰ বয়সৰ ওপৰৰ প্ৰতিযোগী সকলে অংশ গ্ৰহণ কৰিব পাৰিব। ক শাখাৰ প্ৰথম পুৰস্কাৰ নগদ ১২, ০০১ টকাৰ দাতা যতিন শইকীয়া, দ্বিতীয় পুৰস্কাৰ নগদ ৮, ০০১ টকা স্বৰ্গীয় হেমন্ত কলিতাৰ সোঁৱৰনত দাতা জামিনী কলিতা, তৃতীয় পুৰস্কাৰ নগদ ৫, ০০১ টকা দাতা বিজয় শংকৰ কলিতা। লগতে ১, ০০১ টকাকৈ বিচাৰকৰ ২টা বিশেষ বঁটা ৰখা হৈছে। খ শাখাৰ প্ৰথম পুৰস্কাৰ নগদ ১৫, ০০১টকা স্বৰ্গীয় প্ৰমোদ নাথৰ সোঁৱৰনত দাতা জ্যেষ্ঠ ভাতৃ বিপ্লৱ নাথ, দ্বিতীয় পুৰস্কাৰ নগদ ১০, ০০১ টকা স্বৰ্গীয় দেবেন ডেকা সোঁৱৰনত দাতা অঞ্জনা ডেকা, তৃতীয় পুৰস্কাৰ নগদ ৭, ০০১ টকা দাতা পদ্মেশ্বৰ দেৱনাথ। ইয়াৰ উপৰিও দুটা বিচাৰকৰ বিশেষ বঁটা দুজন প্ৰতিযোগীৰ বাবে থাকিব। লগতে শ্ৰেষ্ঠ বাদ্যযন্ত্ৰীৰ বাবে তিনিটা বিশেষ বঁটাও প্ৰদান কৰিব। ক আৰু খ শাখাৰ ভৰ্তি মাচুল ক্ৰমে ৪০০ আৰু ৫০০ টকা ধাৰ্য কৰা হৈছে। ২১জুনৰ সন্ধিয়া বাঘজাপ গাওঁ পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰীয়ে সৈনিক শিল্পী বিষ্ণু ৰাভাৰ সোঁৱৰনত আয়োজন কৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব। অনুষ্ঠানটিৰ দুয়োদিনৰ প্ৰতিটো কাৰ্যসূচীতে প্ৰতিযোগী, শ্ৰোতা দৰ্শক আৰু ৰাইজৰ সহায় সহযোগিতা উদ্‌যাপন সমিতিয়ে বিনম্ৰভাবে কামনা কৰিছে। যোগাযোগৰ নম্বৰ ৯৯৫৪৯৭০৮৩৮, ৭৮৯৬৭৩৪২৬৪।

**'এইবাৰ ছয়গাঁৱত হ'ব উচ্ছেদ, অবৈধভাৱে বসবাস কৰা লোকসকল সাৱধানে থাকক'**

## ধৰ্ষণৰ বলি হোৱা শিশুৰ কাষত পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য

**অসম বাৰ্তা, ছয়গাঁও, ৬ জুন ঃ** ধৰ্ষণৰ বলি হোৱা কণমানিৰ কাষত যোৱা ৪ জুনত উপস্থিত হ'ল পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য। পিতৃ মাতৃক সাহস দি ন্যায়ৰ আশ্বাস দিলে পলাশবাৰীৰ বিধায়ক বৈশ্যই। তেওঁ স্পষ্টকৈ কৈ দিলে ছয়গাঁৱত হ'ব উচ্ছেদ । সাৱধানে থাকক অবৈধভাৱে বসবাস কৰা লোকসকল। যোৱা দেওবাৰে পোহৰলৈ আহিছিল ছয়গাঁৱৰ নতুন কৈমাৰীৰ এক হৃদয় বিদাৰক ঘটনা। আক্কাছ আলী নামৰ দুটা সন্তানৰ পিতৃ এজনৰ কামনাৰ বলি হ'ল ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী এগৰাকী। ইতিমধ্যে ফুৰিবলৈ আহোঁতে পাষণ্ড আক্কাছে নিজ গৃহতে কোনো নথকাৰ সুযোগ লৈ মুখত সোপা দি চোকা অস্ত্ৰৰে ভাবুকি প্ৰদান কৰি কণমানিজনীৰ দেহত চলাইছিল আসুৰিক তৃপ্তি। পিতৃ মাতৃয়ে এজাহাৰ দিয়াৰ ২৪ ঘণ্টা নহওঁতেই ছয়গাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে আক্কাছ আলীক। সোমাবাৰে নিশা পলাশবাৰী আৰক্ষী থানাৰ পৰা ছয়গাঁৱলৈ তদন্তৰ বাবে লৈ আহোঁতে নোৱাপাৰাত আক্কাছ আলীয়ে আৰক্ষীৰ বন্দুক কাঢ়ি আৰক্ষীলৈ লক্ষ্য কৰি গুলী চলাইছিল। ইয়াৰ পিছতে আৰক্ষীয়ে নিজক বচাবলৈ আক্কাছ আলীলৈ গুলী নিক্ষেপ কৰাত ধৰ্ষণকাৰী আক্কাছ আলী গুৰুতৰভাৱে আহত হয়। বৰ্তমানো গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে ধৰ্ষণকাৰী আক্কাছ আলী। আনহাতে বৃহস্পতিবাৰে সন্ধিয়া বিধায়ক হিমাংশু শেখৰ বৈশ্যই দুৰ্ভগীয়া পৰিয়ালটিৰ ওচৰত থিয় হৈ সকলো প্ৰকাৰৰ সহায় কৰাৰ লগতে দোষীয়ে উচিত শাস্তি পাবই বুলি পৰিয়ালক আশ্বাস দিয়ে। ইফালে শিশুটিৰ ঘৰৰ পৰা বিধায়ক হিমাংশু শেখৰ বৈশ্যই ওলায়ে ৰাইজে অভিযোগ উত্থাপন কৰিলে ছয়গাঁৱত অবৈধভাৱে বসবাস কৰা একাংশ বেদখলকাৰীৰ কথা। সেই মৰ্মে আজি সন্ধিয়া বিধায়ক হিমাংশু শেখৰ বৈশ্যই উকিয়াম পথত থকা মাজপাৰা, ঢেকেনাবড়ী, শিংখাট, পানীখাইতি অঞ্চল পৰিদৰ্শন কৰি ১০০ বিঘা অবৈধভাৱে বসবাস কৰা লোকক উচ্ছেদ কৰিব বুলি আশ্বাস দিয়ে।

## মৰাণ গাঁৱৰ গাঁও প্ৰধান নকুল চাহুৰ বিয়োগত শোকস্তব্ধ সৰুপথাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৬ জুন ঃ** সৰুপথাৰ সমিজলাৰ মৰাণ গাঁৱৰ গাঁও প্ৰধান তথা অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা, সৰুপথাৰ সমজিলা সমিতিৰ উপদেষ্টা নকুল চাহুৰ অকাল বিয়োগৰ খবৰে সমগ্ৰ মৰাণ গাঁও আৰু সৰুপথাৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। সমাজসেৱা, নেতৃত্ব আৰু জনকল্যাণমূলক কামৰ বাবে পৰিচিত নকুল চাহুৰ মৃত্যুত অঞ্চলটোৱে এজন অভিজ্ঞ আৰু জনপ্ৰিয় সমাজকৰ্মীক হেৰুৱালে বুলি স্থানীয় লোকে মন্তব্য কৰিছে। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি মৰাণ গাঁৱৰ গাঁও প্ৰধান হিচাপে দায়িত্ব পালন কৰি অহা নকুল চাহুৱে গাঁওখনৰ সামাজিক আৰু উন্নয়নমূলক কাম-কাজত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও তেওঁ অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা, সৰুপথাৰ সমজিলা সমিতিৰ উপদেষ্টা হিচাপে চাহ জনগোষ্ঠীৰ উন্নয়ন আৰু অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰতো উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছিল। চাহ সমাজৰ এগৰাকী নিষ্ঠাবান শুভাকাংক্ষী আৰু সমাজ সংগঠক হিচাপেও তেওঁ বিশেষভাৱে পৰিচিত আছিল। তেখেতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে মৰাণ গাঁৱৰ বাসগৃহত শোকাকুল পৰিৱেশৰ সৃষ্টি হয় আত্মীয়-স্বজন, শুভাকাংক্ষী, সমাজকৰ্মী আৰু বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকলে উপস্থিত হৈ বিদেহী আত্মাৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰিয়ালৰ সদস্যসকলৰ কান্দোন আৰু শোকাবহ পৰিৱেশে উপস্থিত সকলোকে আবেগিক কৰি তোলে। শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ উপস্থিত হয় অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ সভাপতি দৌলত কুমাৰ, উপ-সভাপতি মনোলাল লোধী, অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ জিলা উপ-সভাপতি উমেশ ঘাটোৱাৰ, আটছা সৰুপথাৰ শাখাৰ সভাপতি পুনেশ্বৰ মুদি, সম্পাদক সোণাৰাম গঞ্জু, সাংগঠনিক সম্পাদক আদিত্য তাঁতী, সাংগঠনিক সম্পাদক দুলাল গঞ্জু, বৰপথাৰ শাখাৰ সভাপতি মণ্টু মুড়া, সম্পাদক অতুল ভূমিজ, প্ৰেমহ্ৰা উপ-শাখাৰ সভাপতি দীপক চাহু, সৰুপথাৰ চৰকাৰী গাঁওবুঢ়া সন্থাৰ বহু বিষয়ববীয়া আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল। উপস্থিত নেতৃবৃন্দইনকুল চাহুৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কয় যে, তেওঁ আছিল সমাজৰ এজন সৰল, নম্ৰ আৰু দায়িত্বশীল ব্যক্তি। সমাজৰ বিভিন্ন সমস্যা সমাধান, জনগণৰ কল্যাণ আৰু ঐক্য-সংহতি বজাই ৰখাৰ ক্ষেত্ৰত তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। তেওঁৰ বিয়োগে কেৱল চাহু সমাজ বা চাহ জনগোষ্ঠী নহয়, সমগ্ৰ সৰুপথাৰ অঞ্চলৰ বাবে এক অপূৰণীয় ক্ষতিবুলি তেওঁলোকে মন্তব্য কৰে। ইফালে, বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ছাত্ৰ সংগঠনৰ লগতে অঞ্চলবাসীয়ে বিদেহী আত্মাৰ চিৰশান্তিকামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। নকুল চাহুৰ কৰ্মময় জীৱন আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাই আগন্তুক প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি বহুতে মত প্ৰকাশ কৰে।

## মৰিয়নি কঠালগুৰি চাহ বাগিচাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, মৰিয়নি, ৬ জুন ঃ** শুক্ৰবাৰে মৰিয়নিৰ কঠালগুৰি চাহ বাগিচা এলেকাত এজন অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে স্থানীয় লোকে চাহ বাগিচাৰ ভিতৰত মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াৰ পাছতে আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উল্লেখযে মৃত ব্যক্তিজনৰ পৰিচয় এতিয়ালৈকে জানিব পৰা হোৱা নাই। যদিও আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ (JMCH)লৈ প্ৰেৰণ কৰে। লগতে ঘটনাটোৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত এক প্ৰকাৰৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## বৰপেটা জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত জনকল্যাণমূলক প্ৰকল্পৰ শুভ উদ্বোধন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬জুন ঃ** আজি ৫ জুন বৰপেটা জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত জিলাখনৰ দুখনকৈ গুৰুত্বপূৰ্ণ চিকিৎসালয়ত দুটাকৈ জনকল্যাণমূলক প্ৰকল্পৰ শুভ উদ্বোধন কৰা হয়। বৰপেটা জিলাৰ সন্মানীয় আয়ুক্ত শ্ৰী ৰোহন কুমাৰ ঝা, (ভা.প্ৰ.সে.) ডাঙৰীয়াই এই প্ৰকল্পসমূহ আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে উৎসৰ্গা কৰে। বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (BMCH)ত জিলা খনিজ আধাৰ ন্যাসৰ (DMFT) অধীনত নিৰ্মিত গভীৰ নলীনাদ স্থাপন আৰু কাৰ্যক্ষমকৰণ আঁচনিখন জিলা আয়ুক্ত গৰাকীয়ে বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ উপস্থিতিত শুভ উদ্বোধন কৰে। কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়ত ৰাজহুৱা প্ৰশাসনত উৎকৃষ্টতাৰ বাবে লাভ কৰা 'প্ৰধানমন্ত্ৰীৰ বঁটা'ৰ (PM Award) পুঁজিৰে নিৰ্মিত পানীৰ লৌহ পদাৰ্থ নিষ্কাশন (Iron Removal Plant) আৰু ভূগৰ্ভস্থ জলাশয় প্ৰকল্পৰ শুভ উদ্বোধন স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ উপস্থিতিত জিলা আয়ুক্ত গৰাকীয়ে সম্পন্ন কৰে।

# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচনী সভাত কবিতা পুথি 'একাঁজলি কবিতা' উন্মোচন

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ জুন ঃ** ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত, বৰবাম শাখা সাহিত্য সভাৰ আতিথ্যত, আলোক প্ৰকাশন নাহৰকটীয়া আৰু সত্যনাৰায়ণ চাহ বাগিছাবাসীৰ সহযোগত আয়োজিত কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচনী সভা এদিনীয়া কাৰ্যসূচীৰে সত্যনাৰায়ণ চাহ বাগিছাৰ মুক্তিযোদ্ধা মালতী উৰাং প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গণেশ তামোলীয়ে। সহযোগ কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহঃ সম্পাদক লৱণু শইকীয়াই, বৰবাম শাখা সাহিত্য সভাৰ সম্পাদক উদ্ধৱ গগৈ, অভ্যৰ্থনা সমিতিৰ সম্পাদক কিচন গড় আদিয়ে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে। স্মৃতি তৰ্পণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য নোমল চন্দ্ৰ গগৈয়ে। সহযোগ কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগ, অভ্যৰ্থনা সমিতিৰ সভাপতি চিমন এক্কা, জিলা সাহিত্য সভাৰ "আকাশ"ৰ আহবায়ক ইলাবন্তী গগৈ আদিয়ে। ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অজয় সিংহই। সহযোগ কৰে জিলা সাহিত্য সভাৰ সম্পাদক ভাগ্যেশ্বৰ গগৈ, জিলা প্ৰাক্তন সম্পাদক পৰমেশ্বৰ নলবৰীয়া আদিয়ে। মঞ্চ উদ্বোধন কৰে বৰবাম ৰেঙনীবাম চেমনীয়া হুঁচৰি আৰু সত্যনাৰায়ণ চাহ বাগিছাৰ ঝুমুৰ দলে। ইয়াৰ পাছতে অনুষ্ঠিত হ'য় বৰবাম শাখা সাহিত্য সভাৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান। চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেশন কৰাৰ পাছতে অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে। আদৰণি ভাষাণ প্ৰদান কৰে বৰবাম শাখা সাহিত্য সভাৰ সভাপতি হেম গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক ভাগ্যেশ্বৰ গগৈয়ে। বিশিষ্ঠ অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য নোমল চন্দ্ৰ গগৈয়ে। শুভেচ্ছামূলক বক্তব্য আগবঢ়াই জিলা উপ-সভাপতি প্ৰশান্ত নেওগে। অজয় সিংহৰ সম্পাদিত "একাঁজলি কবিতা" পুথিখন উন্মোচন কৰে জিলা সভাপতি বদন গগৈয়ে। এই সভাৰ মাজতে স্থানীয় শিল্পী সকলৰ গীত-মাত, কবিতা পাঠ, চাহ বাগিছাৰ শিল্পী সকলৰ দলী, একক নৃত্য আদি পৰিবেশিত হ'য়। কবি সন্মিলনখন সঞ্চালনা কৰে অসম সাহিত্য সভাৰ "কুঁহি"ৰ আহবায়ক প্ৰশান্ত শইকীয়াই। এই অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰা ৪৭ গৰাকী কবিক জিলা সাহিত্য সভাৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই বৰবাম শাখা সাহিত্য সভাৰ সম্পাদক উদ্ধৱ গগৈ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি চিমন এক্কাই। জাতীয় সংগীত পৰিবশনৰ পাছত পতাকা অৱনমন কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগে। লগে লগে অনুষ্ঠানৰ সামৰণি পৰে।

# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কামৰূপ জিলাত ব্যাপক বৃক্ষৰোপণ অভিযান

**কামৰূপ জিলাত প্ৰায় ৪.৫ লাখ গছ পুলি ৰোপণ**

**অসম বাৰ্তা, মিৰ্জা, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস-২০২৬ উপলক্ষে আজি কামৰূপ জিলাত ব্যাপক হাৰত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু হৈছে "Climate Action" আৰু শ্লোগান হৈছে "Inspired by Nature. For Climate. For Our Future."। অসমত মহিলাৰ নেতৃত্বত চলি থকা পৰিৱেশ সংৰক্ষণ তথা সেউজীকৰণ আন্দোলনৰ অধীনত কামৰূপ জিলাৰ ১৩টা উন্নয়ন খণ্ডত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM)-ৰ সৈতে জড়িত আত্মসহায়ক গোট (SHG)-ৰ সদস্যাসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে এক বৃহৎ গছপুলি ৰোপণ অভিযান অনুষ্ঠিত হয়। এই অভিযানৰ অংশ হিচাপে জিলাখনত মুঠ প্ৰায় ৪.৫ লাখ পুলি ৰোপণ কৰা হয়, যিয়ে ৰাজ্যখনৰ সেউজ আৱৰণ বৃদ্ধি কৰাৰ লক্ষ্যত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। পুলিসমূহ গৃহ উদ্যান, বাসগৃহৰ চৌহদ, সামূহিক স্থান আৰু বিভিন্ন ৰাজহুৱা এলেকাত ৰোপণ কৰা হয়। এই পদক্ষেপে গ্ৰাম্য মহিলাসকলৰ পৰিৱেশ সংৰক্ষণ আৰু জলবায়ু সচেতন উন্নয়নৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিব। ইয়াৰ সমান্তৰালভাৱে, কামৰূপ জিলা শিক্ষা বিভাগে জিলাখনৰ বিভিন্ন বিদ্যালয়ত ব্যাপক হাৰত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় সচেতনতা বৃদ্ধিৰ লগতে প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণৰ মানসিকতা গঢ়ি তোলাৰ চেষ্টা কৰা হয়। কামৰূপৰ বিদ্যালয়সমূহত গছপুলি ৰোপণ কাৰ্যসূচী সফলতাৰে সম্পন্ন হোৱা বুলি জানিবলৈ দি জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতাই কয় যে সমগ্ৰ জুন মাহজুৰি জিলাখনৰ বিদ্যালয়সমূহত পৰিৱেশ সম্পৰ্কীয় বিভিন্ন সজাগতামূলক আৰু সৃষ্টিশীল কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। আনহাতে, কামৰূপ জিলা সমাজ কল্যাণ বিভাগৰ তত্বাৱধানত জিলাখনৰ আংগনৱাড়ী কেন্দ্ৰসমূহতো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্যই জানিবলৈ দিয়ে যে প্ৰতিখন আংগনৱাড়ী কেন্দ্ৰত অন্ততঃ এজন শিশুৰ দ্বাৰা একোটাকৈ পুলি ৰোপণ কৰা হয়। একেদৰে, ৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য কাৰ্যসূচী (NPCCHH)-ৰ অধীনত জিলা স্বাস্থ্য সমিতি, কামৰূপে মইনাখুৰং আদৰ্শ চিকিৎসালয়ত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জলবায়ু পৰিৱৰ্তন আৰু জনস্বাস্থ্যৰ মাজৰ সম্পৰ্কৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত কামৰূপৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অজিত দাসকে ধৰি স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়া উপস্থিত থাকে। অনুষ্ঠানৰ অংশ হিচাপে ডাঃ দাসে জলবায়ু পৰিৱৰ্তনজনিত ৰোগৰ বাবে এক বিশেষ বহিৰ্বিভাগ (OPD) সেৱা উদ্বোধন কৰে। অনুষ্ঠানত জলবায়ু পৰিৱৰ্তনৰ ফলত বৃদ্ধি পোৱা জাপানীজ এনকেফেলাইটিছ (JE), Acute Encephalitis Syndrome (AES) আদিৰ দৰে ভে"ৰবাহিত ৰোগসমূহৰ প্ৰতিৰোধমূলক ব্যৱস্থা সম্পৰ্কেও আলোচনা কৰা হয়। উল্লেখ্য যে, ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচী (UNEP)-ৰ নেতৃত্বত ১৯৭৩ চনৰ পৰা প্ৰতি বছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰি অহা হৈছে। এই দিৱস বিশ্বজুৰি পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় সজাগতা সৃষ্টিৰ কৰি আহিছে।

**পৰিৱেশ দিৱসৰ দিনাও পাঁচ বিঘা ভূমি বেদখলমুক্ত**

# অৰুণাচলীৰ পৰা বেদখলমুক্ত কৰা ডেৰ হে'ৰ ভূমিত তিনিশ গছৰ পুলি ৰূপণ পথালিপাম বনখণ্ডৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৫ জুন ঃ** লখিমপুৰ জিলাৰ পথালিপাম বনখণ্ডৰ কাৰ্যালয়ৰ তৰফৰ পৰা আজি বিশ্ব পৰিৱেশ দিৱসৰ দিনা অৰুণাচলীৰ পৰা বেদখলমুক্ত কৰা ডেৰ হেক্টৰ ভূমিত তিনিশ গছৰ পুলি ৰূপণ কৰে। অসম-অৰুণাচল সীমান্তৰ ৰূপহী ৰাজগড়ৰ সমীপত অসমৰ ভূমি অৰুণাচলীয়ে চাহ বাগিচা স্থাপন কৰিবৰ বাবে গছ-গছনি কাটি তথা খুঁটা পুতি বেদখল কৰিছিল। অলপতে তেনে বেদখল কৰা প্ৰায় ডেৰ হে"ৰ ভূমি পথালিপাম বনখণ্ডৰ বিট অফিচাৰ কুলেশ দাৱৰ নেতৃত্বত বনকৰ্মীয়ে অভিযান চলাই বেদখলমুক্ত কৰিছিল। আজিও পথালিপামৰ বনৰক্ষীয়ে অৰুণাচলীয়ে বেদখল কৰা প্ৰায় পাঁচ বিঘা অসমৰ ভূমি বেদখলমুক্ত কৰে। বেদখলমুক্ত কৰা ভূমিত গছৰ পুলি ৰূপণ কৰি পুনৰ সেউজীয়া কৰি তোলাৰ লক্ষ্য লৈছে পথালিপাম বনখণ্ডৰ তৰফৰ পৰা।

# বৰ্ষাকালত কামৰূপ জিলাৰ নদ-নদীত নামি বিভিন্ন কাৰ্যকলাপৰ ওপৰত নিষেধাজ্ঞা জাৰি

**অসম বাৰ্তা, মিৰ্জা, ৬ জুন ঃ** চলিত বৰ্ষাকালত অব্যাহত বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ জীৱন সুৰক্ষা নিশ্চিত কৰা আৰু সম্ভাব্য দুৰ্ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যে কামৰূপৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ ৩০ নং ধাৰাৰ অধীনত সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে এই নিষেধাজ্ঞা বৰ্ধিত জলস্তৰ, প্ৰবল সোঁত, আকস্মিক পানী বৃদ্ধি, নদীখহনীয়া আৰু পানীৰ তলত লুকাই থকা বিপদজনক অৱস্থাৰ ফলত জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি গুৰুতৰ ভাবুকি সৃষ্টি হৈছে। লগতে বৰ্ষাকালত নদীত ডুব যোৱা আৰু পানী সম্পৰ্কীয় ঘটনাসমূহৰ প্ৰতি লক্ষ্য ৰাখি নিষেধাজ্ঞাসমূহ আৰোপ কৰা হৈছে। নিষেধাজ্ঞা অনুসৰি, কামৰূপ জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ সকলো উপনদীকে ধৰি সমূহ নদ-নদীৰ পানীত গা ধোৱা, সাঁতোৰা, ডুব দিয়া বা যিকোনো ধৰণে নদীৰ পানীত প্ৰৱেশ কৰাত পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰিও, ডুব যোৱা বা নদী সম্পৰ্কীয় দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰিব পৰা যিকোনো কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে। আদেশৰ কঠোৰ ৰূপায়ণ নিশ্চিত কৰিবলৈ আৰক্ষী বিভাগ, ৰাজহ বিভাগ, সঁহাৰি সংস্থা তথা সংশ্লিষ্ট সকলো কৰ্তৃপক্ষক নদীঘাট আৰু অন্যান্য দুৰ্ঘটনাপ্ৰৱণ স্থানসমূহত নিয়মীয়া নিৰীক্ষণ চলোৱাৰ নিৰ্দেশ দিয়া হৈছে। এই আদেশ উলংঘা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ আৰু প্ৰযোজ্য অন্যান্য আইনৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলা দণ্ডাধীশগৰাকীয়ে বৰ্ষাকালত সকলো নাগৰিকক সৰ্বোচ্চ সাৱধানতা অৱলম্বন কৰাৰ লগতে জনসুৰক্ষাৰ স্বাৰ্থত জিলা প্ৰশাসনক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

**মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈৰ প্ৰকৃতি প্ৰেম**

# গছৰ কাৰণে কাম কৰা গহপুৰৰ দম্পতী

**অসম বাৰ্তা, গহপুৰ, ৬ জুন ঃ** পৰিৱেশ দিৱস অথবা অন্যান্য বিশেষ দিন বুলিয়েই নহয় বছৰটোৰ প্ৰতিটো দিনতেই প্ৰকৃতিৰ কাৰণে কাম কৰি অহা প্ৰচাৰ বিমুখ গহপুৰৰ এযোৰা দম্পতীৰ প্ৰকৃতিপ্ৰেম প্ৰকৃতাৰ্থত আদৰণীয়। গহপুৰ সমজিলাৰ পুৱ প্ৰান্তৰ ডুবিয়া বড়িগাঁৱৰ নিৱাসী এই দম্পতীয়ে বসবাস কৰি থকা বাসগৃহটোৰ চাৰিও দিশে দেখা পোৱা যায় কেৱল সেউজীয়া প্ৰকৃতি। বিভিন্ন গছৰ সৰু বৰ লক্ষাধিক পুলিৰে আগুৰি থকা বাসগৃহটোৰ নিৱাসী মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈয়ে ১৯৯৬ চনৰে পৰা গছৰ গুটি পচাই পুলি গজোৱাৰ লগতে গছপুলিৰ প্ৰতিপালন আৰু ৰাইজক প্ৰয়োজন অনুসৰি বিভিন্ন ফলমূল, ফুল, ঔষধিগুণ যুক্ত তথা মূল্যবান গছৰ পুলি যোগান ধৰি আহিছে। বৃক্ষ মানৱ হিচাপে পৰিচিত গহপুৰৰ প্ৰকৃতিপ্ৰেমী যুৱক বকুল গগৈয়ে সঞ্চালনাত প্ৰতিষ্ঠা হোৱা প্ৰকৃতি সংগঠন 'আমাৰ বনানী'ৰ লগতে 'গ্ৰীণ আচাম নাৰ্চাৰী'ৰ অনন্য কাৰ্যকৰ্তা মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈ হৈছে বকুল গগৈৰে নিজা দাদা আৰু বৌ। গছপুলি গজোৱা, গছপুলি উপযুক্ত ভাবে প্ৰতিপালন কৰা মহেন্দ্ৰ গগৈয়ে কিছুবছৰ পূৰ্বলৈকে বজাৰে বজাৰে গছপুলি বিক্ৰী কৰি নিজৰ জীৱন জীৱিকাৰ পথ প্ৰশস্ত কৰি আহিছিল। গছৰ পুলিৰ নামতে নিজৰ জীৱনটো উৎসৰ্গা কৰা মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈৰ জীৱিকাৰ একমাত্ৰ উৎস হৈছে কেৱল গছ পুলি। লক্ষাধিক সৰু বৰ গছৰ পুলিৰে নিজৰ বাসগৃহৰ চৌপাশ ভৰি সেউজময় হৈ পৰা পৰিৱেশৰ মাজত থাকিবলৈ পাই বহুত সুখী অনুভৱ কৰে মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈয়ে। উল্লেখ্য যে উক্ত সেউময় ঘৰখনলৈ যোৱা অতিথি সকলক গছ পুলি উপহাৰ হিচাপে প্ৰদান কৰি আদৰণী জনোৱা হয়। সেউজীয়া প্ৰকৃতিৰ মাজতে থাকি সময় অতিবাহিত কৰা এই দম্পতীৰ কন্যা ডাঃ বনশ্ৰী গগৈক এগৰাকী যোগ আৰু প্ৰাকৃতিক চিকিৎসক হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। প্ৰকৃতিপ্ৰেমী হিচাপে কোনো ধৰণৰ আনুষ্ঠানিক স্বীকৃতি লাভ নকৰিলেও মহেন্দ্ৰ গগৈ আৰু কনকলতা গগৈয়ে প্ৰকৃতিৰ কাৰণে বিগত ২৯ বছৰে যিখিনি সেৱা আগবঢ়াই আহিছে সেইয়া প্ৰকৃতাৰ্থত প্ৰকৃতি প্ৰেমৰ অপূৰ্ব নিদৰ্শন বুলি উল্লেখ কৰিব পাৰি।

**"দেশৰ জনকল্যাণমূলক আচঁনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত লোকপিয়লৰ তথ্য সমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে" ঃ জিলা আয়ুক্ত সুমিত ছাত্তাৱান**

# তিনিচুকীয়া জিলাত লোকপিয়ল-২০২৭ৰ প্ৰথম পৰ্যায় সম্পৰ্কীয় জিলা পৰ্যায়ৰ প্ৰশিক্ষণৰ দ্বিতীয় দিনৰ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৬ জুন ঃ** অসমত ২০২৭ চনৰ লোকপিয়লৰ (প্ৰথম পৰ্যায়ঃ গৃহ তালিকা আৰু গৃহ পিয়ল) বাবে তিনিচুকীয়া জিলাত ৪ জুনৰ পৰা আৰম্ভ হোৱা জিলা পৰ্য্যায়ৰ দ্বিতীয় দিনাৰ প্ৰশিক্ষণ আজি তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত কনভেনচন চেণ্টাৰৰ সভাকক্ষত সফলতাৰে সম্পন্ন হয়। উল্লেখযোগ্য যে, এক ঐতিহাসিক পৰিৱৰ্তনৰ সূচনা কৰি, ২০২৭ চনৰ লোকপিয়ল সম্পূৰ্ণ ডিজিটেল মাধ্যমত দুটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব। প্ৰথম পৰ্যায়ত অসমত ২০২৬ চনৰ ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ গৃহ তালিকা আৰু গৃহ পিয়লৰ কাম সম্পন্ন কৰা হ'ব। ইয়াৰ আগে আগে, অসমৰ বাসিন্দাসকলৰ বাবে ২০২৬ চনৰ ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ এটা উৎসৰ্গিত পৰ্টেল https://se.census.gov.in ৰ জৰিয়তে নিজা তথ্য স্ব-পঞ্জীয়ন কৰাৰ (Self-enumeration) সুবিধা উপলব্ধ হ'ব। ইয়াৰ পিছতে ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত দ্বিতীয় পৰ্যায়ৰ জনসংখ্যা গণনা (Population Enumeration-PE) অনুষ্ঠিত হ'ব। দ্বিতীয় দিনৰ প্ৰশিক্ষণ কাৰ্যসূচীত লোকপিয়ল সঞ্চালকালয় অসমৰ, সহকাৰী সঞ্চালক (তথ্য আৰু প্ৰযুক্তি) তত্বাৱধায়ক বিষয়া প্ৰশান্ত কুমাৰ আৰু উপদেষ্টা অৰ্জুন তালুকদাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি অতিৰিক্ত প্ৰধান লোকপিয়ল বিষয়া, জিলা লোকপিয়ল বিষয়া, অতিৰিক্ত আৰু উপ-জিলা লোকপিয়ল বিষয়া, চাৰ্জ বিষয়া, অতিৰিক্ত চাৰ্জ বিষয়া, সহকাৰী চাৰ্জ বিষয়াসকলক ২০২৭ চনৰ লোকপিয়লৰ বিভিন্ন দিশৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে লোকপিয়লৰ কামত নিয়োজিত বিষয়াসকলক তেওঁলোকৰ দায়িত্ব-কৰ্তব্য তথা লোকপিয়ল প্ৰক্ৰিয়াৰ বিভিন্ন দেশৰ জনকল্যাণমূলক আচঁনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত লোকপিয়লৰ তথ্য সমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বিষয় সম্পৰ্কে সবিস্তাৰে প্ৰশিক্ষণ প্ৰদান কৰে। আনহাতে, আজি দ্বিতীয় দিনাৰ প্ৰশিক্ষণত উপস্থিত থাকি জিলা আয়ুক্ত তথা প্ৰধান লোকপিয়ল বিষয়া সুমিত ছাত্তাৱানে সকলোকো সম্বোধন কৰি কয় যে, দেশৰ জনকল্যাণমূলক আচঁনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত লোকপিয়লৰ তথ্য সমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ পুনৰ কয় যে, লোকপিয়লৰ জৰিয়তে লাভ কৰা তথ্যৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰে শিক্ষা, স্বাস্থ্য, খাদ্য সুৰক্ষা, গৃহ নিৰ্মাণ, নিয়োগ আদি ক্ষেত্ৰত নীতি নিৰ্ধাৰণ কৰে। এখন শুদ্ধ আৰু নিখুঁত জনগণনাৰ ওপৰতে দেশৰ অনাগত দিনৰ সুষম উন্নয়ন, সম্পদৰ উচিত বিতৰণ, আৰু প্ৰতিজন নাগৰিকলৈ চৰকাৰী সুবিধা প্ৰদান মূলতঃ নিৰ্ভৰশীল বুলিও মন্তব্য আগবঢ়ায়। জিলা আয়ুক্তই প্ৰশিক্ষণত উপস্থিত প্ৰতিগৰাকী বিষয়াকে লোকপিয়লৰ কামকাজ অত্যন্ত গুৰুত্বসহকাৰে কৰিবলৈ আহ্বান জনায়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া পংকজ কুমাৰ নাগবংশী, ডিগবৈ সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া ফিলিচ ভি.এল.এইচ হ্ৰাংচল, মাকুম সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া জগমীৰ ৰংফাৰপি, ডুমডুমা সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া নুজহাৎ নাছৰিন, মাৰ্ঘেৰিটা সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া ৰাহুল দ'লৈ, শদিয়া সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া চৈয়দ ৰাচবীৰ ছুভানী, সহকাৰী আয়ুক্ত তথা অতিৰিক্ত জিলা লোকপিয়ল বিষয়া মাধুৰীমা দিহিঙ্গীয়া, জিলা তথ্য-প্ৰযুক্তি বিজ্ঞান বিষয়া শংকৰ দাস ভূঞা, চক্ৰ বিষয়া তথা চাৰ্জ লোকপিয়ল বিষয়াসকল, অতিৰিক্ত চাৰ্জ লোকপিয়ল বিষয়াসকল আৰু উপ লোকপিয়ল বিষয়াসকলে অংশগ্ৰহণ কৰে।

# গৌৰীপুৰৰ ধোৱাৰঘাট হৰি মন্দিৰ প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, গৌৰীপুৰ, ৬ জুন ঃ** আজি ৫৩ সংখ্যক বিশ্ব পৰিবেশ দিৱস। আৰু আজিৰ দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত পালন হৈ আছে বিশ্ব পৰিবেশ দিৱস। তাৰ লগত সংগতি ৰাখি ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ধোৱাৰঘাট হৰি মন্দিৰ প্ৰাংগণত কল্পতৰু, ধুবুৰী আৰু JIYA ENTERPRISE গু JES ৰ উদ্যোগত ৫৩ সংখ্যক বিশ্ব পৰিবেশ দিৱস পালন। এই অনুষ্ঠানত উপস্থিত থাকে আৰ্ট অৱ্ লিভিংৰ আশ্ৰম সঞ্চালক শ্ৰী অচ্যুত ব্ৰহ্মচাৰী, গৌৰীপুৰ ৰাজ পৰিয়ালৰ সদস্য প্ৰবীৰ কুমাৰ বৰুৱা, কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিশ্বজিৎ ৰায়, সাধাৰণ সদস্য কে এ চি ৰঘুৰঞ্জন বেপাৰী, অনুকূল চন্দ্ৰ ৰায়, সম্পাদক অ বি চি ধুবুৰী, পিনাকী ৰায় সম্পাদক কোচ ৰাজবংশী সাহিত্য সভা, অহিদ খান সম্পাদক ধুবুৰী জিলা সাহিত্য সভা, লগতে আমন্ত্ৰিত অতিথি শিল্পী হিচাপে উপস্থিত থাকে প্ৰবীৰ কুমাৰ সৰকাৰ আৰু লক্ষ্মী ৰায়। আৰু তাৰ লগতে উপস্থিত থাকে বিভিন্ন সমাজসেৱক তথা গুণী মানী ব্যক্তি সকল। আৰু এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাতিপুৱা ৭ বজাতে দুমৰদহ কালী মন্দিৰ প্ৰাংগণত ২০টা গছপুলি ৰোপণ কৰে উক্ত NGO প্ৰতিষ্ঠাপক কেইজনে। অনুষ্ঠানৰ আৰম্ভণিতে মাঙ্গলিক কাৰ্য্য হিচাপে বট বৃক্ষৰ লগত বন্তি প্ৰজ্বলন কৰে কে.এ.চি. ৰ কাৰ্যবাহী সদস্য বিশ্বজিৎ ৰায়। হৰি মন্দিৰ প্ৰাংগণত বৃক্ষ ৰোপণ কৰে সুচিব্ৰত সিনহা বিশিষ্ট প্ৰকৃতি প্ৰেমী। তাৰ পিছত অনুষ্ঠানৰ মঞ্চ মুকলি কে.এ.চি. ৰ সাধাৰণ সদস্য ৰঘুৰঞ্জন বেপাৰী। দিনৰ ১১ বজাত বিশিষ্ট আৰু মুখ্য অতিথিৰ আসন গ্ৰহণ ও সম্বৰ্ধনা পৰ্বৰ লগতে ভাষণ পৰ্ব কাৰ্যসূচী আৰম্ভ হয়। দুপৰীয়া ১২ বজাৰ পৰা কোচ ৰাজবংশীয় লোক গীত আৰু নৃত্যৰে সাংস্কৃতিক অনুষ্ঠান পৰিবেশ হয়। আৰু আবেলি ৩ বজাৰ পিছত লঘু আহাৰ বিতৰণ পিছত অনুষ্ঠানৰ উদ্যোগতাই শলাগৰ শৰাইৰে আজিৰ এই ধোৱাৰঘাটস্থিত হৰি মন্দিৰ প্ৰাংগণত ৫৩ সংখ্যক বিশ্ব পৰিবেশ দিৱসৰ কাৰ্য্যসূচী সমাপ্ত কৰে।

**উপস্থিত পশ্চিম কামৰূপ বন সংমণ্ডলৰ ডি এফ অ' সুৱোধ তালুকদাৰ**

# শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৰৌমাৰীত প্ৰায় ডেৰ হাজাৰ মূল্যৱান গছপুলি ৰোপন বন বিভাগৰ

**অসম বাৰ্তা, ছয়গাঁও, ৬ জুন ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত বিভিন্ন স্থানত আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃহৎ বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৰৌমাৰীত এই বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰায় ডেৰ হাজাৰ মূল্যৱান গছ পুলি ৰুলে বন বিভাগে। উপস্থিত পশ্চিম কামৰূপ বন সংমণ্ডলৰ DFO সুৱোধ তালুকদাৰ। শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৰৌমাৰীৰ এই বৃক্ষৰোপণ কাৰ্যসূচীত ভাষণ প্ৰদান কৰে ACF নয়নজ্যোতি দাস আৰু বনাঞ্চলিক বিষয়া কমল ডেকাই। শুক্ৰবাৰে শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ উপৰিও লোহাৰঘাট ৰেঞ্জ, কুলচী ৰেঞ্জ, নগৰবেৰা ৰেঞ্জ, বন্ধাপাৰা ৰেঞ্জ, কুলচী ৰেঞ্জ অফিচতো বৃক্ষৰোপণ চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

# হোজাইত প্ৰশাসন-বন বিভাগৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, মোৰাঝাৰ, ৬ জুন ঃ** আজি সমগ্ৰ বিশ্বত পালন কৰা হয় পৰিৱেশ দিৱস। সমগ্ৰ দেশৰ লগতে আজি হোজাই জিলা প্ৰশাসন আৰু হোজাই বন বিভাগৰ উদ্যোগত হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত গছপুলি ৰোপণ কৰি দিনযোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত গছপুলি বিতৰণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত হোজাই দক্ষিণ সংমণ্ডল বন বিষয়া নয়নজ্যোতি ৰাজবংশী, হোজাই জিলা অতিৰিক্ত আয়ুক্ত বনী ইমাম চাদাব, হোজাই বন পালক বিষয়া উৎপল ডেকাৰ লগতে হোজাই বিশ্ববিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সহ কেইবাশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইফালে ডবকা অঞ্চলৰ বিভিন্ন অনুষ্টান-প্ৰতিষ্টানতো ডবকা যমুনাভেলী আঞ্চলিক বন বিষয়া দীপক মহন্তৰ নেতৃত্বত গছপুলি বিতৰণ কৰা হয়। উল্লেখ্য যে এই গছপুলি বিতৰণ কৰাৰ সময়চোৱাত সাধাৰণ ৰাইজে স্বতঃস্ফূৰ্তভাৱে গছপুলি গ্ৰহণ কৰা পৰিলক্ষিত হয়। কেৱল গছপুলি ৰোপণ কৰিলেইনহ্ব, প্ৰতিটো গছপুলি যত্ন কৰি ডাঙৰ-দীঘল কৰাটো প্ৰতিজন নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য বুলি ৰাইজক বুজাই দিয়ে দীপক মহন্তই।

# দেওমৰনৈত ৰেচম বিভাগৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**অসম বাৰ্তা, মঙলদৈ, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আজি দেওমৰনৈ এড়ি সমাহাৰ কেন্দ্ৰত এখন সজাগতা সভা আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দেওমৰনৈ ৰেচম পাম চৌহদত যথেষ্ট সংখ্যক চোম গছৰ পুলি ৰোপণ কৰা হয়। তদুপৰি বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা সজাগতা সভাত দৰং জিলাৰ ভাৰপ্ৰাপ্ত ৰেচম সহকাৰী সঞ্চালক চুমিয়া নেওগে বিশ্ব পৰিৱেশ দিৱসৰ উদ্দেশ্য আৰু তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰে। আনহাতে ৰেচম পলুৰ খাদ্য বৃক্ষ চোম, সোৱালু, কেছেৰু গছৰ পুলি ৰোপণৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ লগতে আৰ্থিক লাভালাভৰ বিষয়েও তেওঁ বহলাই আলোচনা কৰি শেহতীয়াকৈ চৰকাৰে ৰেচম শিল্পৰ উন্নয়নৰ উদ্দেশ্যে "চেনেহজৰী" নামৰ এটি অভিলাষী প্ৰকল্প আৰম্ভ কৰাৰ বিষয়ে উল্লেখ কৰে। আজিৰ এই কাৰ্যসূচীত দৰঙৰ ভাৰপ্ৰাপ্ত সহকাৰী ৰেচম সঞ্চালক চুমিয়া নেওগৰ লগতে দেওমৰনৈ এৰী সচ উৎপাদন কেন্দ্ৰৰ পাম পৰিচালক ধ্ৰুৱকান্ত শৰ্মা, সহকাৰী পৰিচালিকা নৱমী নাথ, ৰেচম প্ৰদৰ্শক কমলেশ্বৰ চমুৱা, গিৰীণ চহৰীয়া, সুনীল নাথ, আছাদ আলী, বিজিত নাথ, মৌচুমী নাথ, ৰীমা শৰনীয়া, তগৰ ডেকা, দৰং জিলা ৰেচম বিষয়া সন্থাৰ সভাপতি জিয়াউৰ ৰছুল, সহকাৰী পাম পৰিচালিকা নিৰুপমা ডেকা আদিয়েও অংশগ্ৰহণ কৰে। আনহাতে উক্ত অনুষ্ঠানত দেওমৰনৈ অঞ্চলৰ বিশিষ্ট মুগা খেতিয়ক মহেন্দ্ৰ শৰ্মা আৰু পৰীক্ষিত কলিতাক চোম গছৰ পুলি প্ৰদান কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন